www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❑ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনত আগুৱাই যাব বিচাৰিছা যদি বাস্তৱৰ সন্মুখীন হ'বলৈ শিকা। — জুলিয়েট বেষ্টিয়েনা।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ ষষ্ঠ বছৰ ❑ সংখ্যা - ২৪০ ❑ দেওবাৰ ❑ ২৩ নৱেম্বৰ, ২০২৫ চন ❑ ৬ আঘোণ, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 240 ❑ Sunday ❑ 23rd November, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

## মুম্বাইলৈ স্থানান্তৰিত হ'ল অনূৰ্ধ্ব-২৩ কোচবিহাৰ ট্ৰফীৰ নকআউট মেচ



### দিল্লীত ভয়াৱহ বায়ু প্ৰদূষণ!

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২২ নৱেম্বৰ ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে (BCCI) কোচবিহাৰ ট্ৰফী অনূৰ্ধৰ্ব-২৩ পুৰুষ এলিট গ্ৰুপৰ নকআউট পৰ্যায়ৰ সকলো মেচ দিল্লীৰ পৰা মুম্বাইলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লৈছে। ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত বায়ু প্ৰদূষণৰ মাত্ৰা ধাৰাবাহিকভাৱে বিপদসীমা অতিক্ৰম কৰি থকাৰ বাবেই এই জৰুৰীকালীন পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰতিবেদন অনুসৰি, ২৫ নৱেম্বৰৰ পৰা ১ ডিচেম্বৰৰ ভিতৰত অনুষ্ঠিত হ'বলগীয়া কোৱাৰ্টাৰ ফাইনেল, ছেমি ফাইনেল আৰু ফাইনেল মেচসমূহ ▸▸৬ পৃষ্ঠাত

## দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত আৰম্ভ হ'ল জি-২০ শীৰ্ষ সন্মিলন

### জোহান্সবাৰ্গত উপস্থিত নৰেন্দ্ৰ মোডী; বিমান বন্দৰত উষ্ম আদৰণি



**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২২ নৱেম্বৰ ঃ** শনিবাৰে দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অনুষ্ঠিত হৈ থকা জি-২০ শীৰ্ষ সন্মিলনত যোগদান কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত হৈছে। বিমানবন্দৰত তেওঁক উষ্ম আদৰণি জনোৱা হয়। স্থানীয় সাংস্কৃতিক দলটোৱে পাৰম্পৰিক নৃত্য-গীতৰে তেওঁক সম্ভাষণ জনায় আৰু সন্মানসূচকভাৱে প্ৰণাম জ্ঞাপন কৰে। এই উষ্ম অভ্যৰ্থনাই ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত থকা গভীৰ বন্ধুত্বৰ পৰিচয় দিয়ে। ২০১৪ চনত প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা দক্ষিণ আফ্ৰিকালৈ এইটো প্ৰধানমন্ত্ৰী মোদীৰ চতুৰ্থ আনুষ্ঠানিক সফৰ। ইতিপূৰ্বে ২০১৬ চনত তেওঁ ▸▸৬ পৃষ্ঠাত



মোডীক প্ৰশংসা

## ইউনুছক প্ৰত্যাহ্বান শ্বেইখ হাছিনাৰ পুত্ৰ ছাজিব ৱাজেদৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২২ নৱেম্বৰ ঃ** বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ পুত্ৰ ছাজিব ৱাজেদ জয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ ▸▸৬ পৃষ্ঠাত

## ভাৰতৰ ৩০তম্ টেষ্ট ভেন্যু বৰ্ষাপাৰা ষ্টেডিয়াম

# টেষ্ট মানচিত্ৰত বৰ্ষাপাৰাৰ অভিলেখ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ নৱেম্বৰ ঃ** অসমৰ ৰাজধানী গুৱাহাটীয়ে ইতিহাস ৰচিলে। শনিবাৰে পৰা বৰ্ষাপাৰাস্থিত অসম ক্ৰিকেট সন্থাৰ (ACA) ড° ভূপেন হাজৰিকা ক্ৰিকেট ষ্টেডিয়ামত আৰম্ভ হৈছে ভাৰত-দক্ষিণ আফ্ৰিকাৰ মাজত দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয় তথা অন্তিম টেষ্ট মেচ। এই মেচৰ জৰিয়তে গুৱাহাটী ভাৰতৰ ৩০ সংখ্যক টেষ্ট ক্ৰিকেট ভেন্যু হিচাপে অভিষিক্ত হ'ল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত লিখে, "গুৱাহাটীয়ে ইতিহাস সৃষ্টি কৰিলে। বৰ্ষাপাৰা ষ্টেডিয়াম ভাৰতৰ ৩০তম টেষ্ট ভেন্যু হোৱাত আমি গৌৰৱান্বিত। ক্ৰিকেটৰ সৰ্বোচ্চ স্তৰ অসমলৈ আহিল। ই অগণন যুৱ প্ৰতিভাক প্ৰেৰণা যোগাব আৰু আমাৰ ক্ৰীড়া সম্পৰ্কীয় উচ্চাকাংক্ষাক নতুন উচ্চতালৈ লৈ যাব। অসমৰ বাবে এয়া এক নতুন ইনিংছৰ আৰম্ভণি।" এইবাৰ প্ৰথমবাৰৰ বাবে অসমৰ মাটিত টেষ্ট ক্ৰিকেটৰ আয়োজন হৈছে। ইতিমধ্যে এই ষ্টেডিয়ামত একমাত্ৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট মেচৰ আয়োজন কৰা হৈছিল আৰু চলিত বৰ্ষৰ আৰম্ভণিতে আই চি চি বিশ্বকাপৰো তিনিখন মেচ অনুষ্ঠিত হৈছিল। এইবাৰ টেষ্ট ক্ৰিকেটৰ আগমনে উত্তৰ-পূৰ্বৰ প্ৰৱেশদ্বাৰখনৰ ক্ৰীড়া পৰিকাঠামোৰ নতুন অধ্যায় মুকলি কৰিলে। মেচৰ প্ৰথম দিনটোত টছ জিকি দক্ষিণ আফ্ৰিকাৰ অধিনায়ক টেম্বা বাভুমাই ফিল্ডিং বাছি লয়। প্ৰথম ওভাৰৰ প্ৰথম বলটো ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহে কৰে আৰু সেই বলেৰেই বৰ্ষাপাৰাৰ টেষ্ট ইতিহাসৰ আৰম্ভণি হয়। দলীয় সংবাদ অনুসৰি, নিয়মীয়া অধিনায়ক শুভমন গিল ডিঙিৰ আঘাতত পৰি এই মেচত খেলিব নোৱাৰাত প্ৰথমবাৰৰ বাবে ভাৰতীয় টেষ্ট দলৰ নেতৃত্ব দিছে উইকেটকীপাৰ-বেটছমেন ঋষভ পণ্টে। আনহাতে দক্ষিণ ▸▸৬ পৃষ্ঠাত



## জামুগুৰিহাটত লাচিত দিৱসত শোভাযাত্ৰাৰ প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ নৱেম্বৰ ঃ** আগন্তুক ২৪ নৱেম্বৰত শ্ৰদ্ধাৰে উদযাপন কৰা হ'বলগীয়া লাচিত দিৱসত শোণিতপুৰ জিলাৰ জামুগুৰিহাটত অসম বুক অৱ ৰেকৰ্ডছত নাম সুমুৱাবলৈ এটা ঐতিহাসিক প্ৰয়াস ▸▸৬ পৃষ্ঠাত

## পৰ্যটন বিভাগৰ নিযুক্তি কেলেংকাৰীত গ্ৰেপ্তাৰ হোৱা নয়নমণি পামেগামৰ জামিন মঞ্জুৰ


**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ নৱেম্বৰ ঃ** অসম পৰ্যটন বিভাগৰ চতুৰ্থ শ্ৰেণীৰ নিযুক্তি কেলেংকাৰীৰ মূল অভিযুক্ত নয়নমণি পামেগামৰ জামিন আবেদন উচ্চতম ▸▸৬ পৃষ্ঠাত

### জম্মু-কাশ্মীৰত বৃদ্ধি পাইছে জম্মু সন্ত্ৰাসবাদী কাৰ্যকলাপ

## সন্ত্ৰাসবাদীৰ সংখ্যা পুনৰ বৃদ্ধি

### ভাৰতীয় গোয়েন্দা সংস্থাৰ সতৰ্কবাণী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ নৱেম্বৰ ঃ** অপাৰেশ্যন সিন্দূৰৰ পিছতো জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপ পুনৰ মূৰ দাঙি উঠাৰ আশংকা কৰিছে ভাৰতীয় গোয়েন্দা সংস্থাই। পাকিস্তানৰ ▸▸৬ পৃষ্ঠাত



## হাজোৰ শনিয়াদিত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত দুগৰাকী ছাত্ৰী

### ■ গুৰুতৰভাৱে আহত আন এগৰাকী ঃ উত্তেজিত ৰাইজে জ্বলাই দিলে দুৰ্ঘটনা সংঘটিত কৰা বাহন ■

**অসম বাৰ্তা, হাজো, ২২ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত শনিয়াদীত আজি পুৱাৰ ভাগতে সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। তীব্ৰবেগী এখন বলেৰ' বাহনে মহতিয়াই নিলে তিনি গৰাকীকৈ ছাত্ৰীক। দুৰ্ঘটনাত দুগৰাকী ছাত্ৰীৰ মৃত্যু হোৱাৰ লগতে এগৰাকী ছাত্ৰীক সংকটজনক অৱস্থাত ▸▸৬ পৃষ্ঠাত



### ধুবুৰীত জুবিন গাৰ্গৰ স্মৃতিত আয়োজিত সাংস্কৃতিক অনুষ্ঠানত বহিঃৰাজ্যৰ নৰ্তকীৰ উদ্দাম নৃত্য

## মঞ্চ ভাঙিলে দৰ্শকে অনুৰাগীৰ মাজত ক্ষোভৰ উদ্গীৰণ

**অসম বাৰ্তা, ধুবুৰী, ২২ নৱেম্বৰ ঃ** প্ৰাণপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে আয়োজিত এখন সাংস্কৃতিক অনুষ্ঠানে ধুবুৰীৰ কালেৰ আলগাত চৰম বিশৃংখলাৰ সৃষ্টি কৰিছে। যিখন অনুষ্ঠান শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি হ'ব লাগিছিল, সেইখনেই এতিয়া অপসংস্কৃতি আৰু অশ্লীলতাৰ এক ▸▸৬ পৃষ্ঠাত



## ডিব্ৰুগড় গ্ৰন্থমেলাত পশ্চিমবঙ্গৰ কবি-সাহিত্যিক বংগবিভূষণ সুবোধ সৰকাৰ


**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২২ নৱেম্বৰ ঃ** ডিব্ৰুগড় মিলনজ্যোতি সংঘ'ৰ উদ্যোগত অহা ১২ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ চৌকিডিংগী খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া ডিব্ৰুগড় গ্ৰন্থমেলাত পশ্চিমবঙ্গৰ প্ৰথিতযশা কবি সাহিত্যিক সুবোধ সৰকাৰ উপস্থিত থাকিব। পশ্চিমবঙ্গ চৰকাৰৰ সৰ্বোচ্চ সন্মান বঙ্গবিভূষণ আৰু সাহিত্য অকাডেমি বঁটা প্ৰাপক সুবোধ সৰকাৰৰ অংশগ্ৰহণে ডিব্ৰুগড় গ্ৰন্থমেলাৰ আয়োজক সমিতিৰ



লগতে লেখক পাঠকৰ মাজত এক আনন্দ পৰিৱেশে বিৰাজ কৰিব বুলি আশা কৰা হৈছে। ১০ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া 'চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা' উদ্বোধনী অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকিব প্ৰথিতযশা সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী। এই উদ্বোধনীৰ অনুষ্ঠানতে পশ্চিমবঙ্গৰ প্ৰথিতযশা কবি সাহিত্যিক সুবোধ চৰকাৰে বিশিষ্ট অতিথি হিচাপে ▸▸৬ পৃষ্ঠাত

## ভাৰতত সম্পূৰ্ণ কাৰ্যকৰী নতুন শ্ৰম সংহিতা

### গিগ আৰু প্লেটফৰ্ম শ্ৰমিকসকলৰ বাবে প্ৰথমবাৰ আইনী সুৰক্ষা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ নৱেম্বৰ ঃ** ভাৰতৰ বিদ্যমান ২৯খন পুৰণি শ্ৰম আইনক একত্ৰিত কৰি চাৰিখন নতুন শ্ৰম সংহিতা এতিয়া সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ পৰিছে। এই ঐতিহাসিক সংস্কাৰে প্ৰথমবাৰৰ বাবে গিগ শ্ৰমিক আৰু অনলাইন প্লেটফৰ্মৰ কৰ্মীসকলক আনুষ্ঠানিক ▸▸৬ পৃষ্ঠাত

## গোলাঘাটৰ ৰঙাজানত নিশা ডকাইতৰ ৰূপত জাতীয় সংগঠনৰ নেতা-সাংবাদিক

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২২ নৱেম্বৰ ঃ** গোলাঘাটত জাতীয় সংগঠন আৰু গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ গৰিমাত আঘাত সানিলে সংগঠনৰ পালিনেতা আৰু পৰ্টেলৰ সাংবাদিকে। ৰাষ্ট্ৰীয় ঘাই পথত ডকাইতৰ ৰূপত পৰ্টেলৰ সাংবাদিক আৰু জাতীয় সংগঠনৰ নেতা। গোলাঘাটৰ ৰঙাজানৰ ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথেদি ▸▸৬ পৃষ্ঠাত

### মিঞাৰ বিৰুদ্ধে উচ্ছেদ চলোৱাত কংগ্ৰেছৰ আপত্তি কিয়?

## সন্দেহজনক মিঞাৰ বিৰুদ্ধে পুনৰ সৰৱ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ নৱেম্বৰ ঃ** অসমত আগন্তুক বিধানসভা নিৰ্বাচনৰ পটভূমিত 'মিঞা' শব্দটোৱে পুনৰ ৰাজনৈতিক বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। শনিবাৰে বঙাইগাঁও জিলাৰ অভয়াপুৰীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক কঠোৰ ভাষাৰে আক্ৰমণ কৰি 'মিঞা' প্ৰসংগত বিতৰ্কীয় মন্তব্য কৰে। কংগ্ৰেছ নেতা তথা বিৰোধী উপনেতা ▸▸৬ পৃষ্ঠাত

### এগৰাকী পত্নী থকাৰ পাছত দ্বিতীয়বাৰ বিয়া পাতিলে দিয়া হ'ব জেল!

## জুবিন ক্ষেত্ৰৰ দান বাকচৰ লাখ লাখ টকা হৰলুকী

**ষ্টাফ ৰিপ'ৰ্টাৰ, সোণাপুৰ, ২২ নৱেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ দুমাহ অতিক্ৰম হ'লেও তেওঁৰ অনুৰাগীসকলৰ মনৰ দুখ এতিয়াও আঁতৰ হোৱা নাই। প্ৰতিদিনে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ অনুৰাগী সোণাপুৰৰ কমাৰকুছিৰ হাতীমূৰা টিলাত অৱস্থিত 'জুবিন ক্ষেত্ৰ'লৈ আহি ▸▸৬ পৃষ্ঠাত



## অভয়াপুৰীত মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰি ঘোষণা

**অসম বাৰ্তা, অভয়াপুৰী, ২২ নৱেম্বৰ ঃ** "মই যেতিয়া মহিলাসকলক উদ্যমিতা আঁচনিৰে লাখপতি বাইদেউ বনাম বুলি কৈছিলোঁ তেতিয়া কংগ্ৰেছে হাঁহিছিল। তেওঁলোকে ইতিকিং কৰি কৈছিল এইখন ধাৰত পুত খাই থকা চৰকাৰ। ক'ৰ পৰা দিব টকা। কিন্তু মই উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰিব আৰম্ভ কৰি ইতিমধ্যে ৪০টা বিধান সভা সমষ্টিৰ আই বাই ভনীসকলক লাখপতি বাইদেউ বনোৱাৰ বাবে প্ৰথম পদক্ষেপ হিচাপে ১০ হাজাৰ টকা দিলোঁ আৰু ৮৬টা বিধান ▸▸৬ পৃষ্ঠাত





# ১৭, ১৮, ১৯ আৰু ২০ ডিচেম্বৰত বোকাজানত অসম নাট্য সন্মিলনৰ কামপীঠ মণ্ডলৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, বোকাজান, ২২ নৱেম্বৰ ঃ** অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাবলৈ অসমত বিজ্ঞানসন্মতভাৱে নাট্য চৰ্চাৰ ধাৰাবাহিকতা অটুত ৰখাৰ উদ্দেশ্যে নাট্যানুৰাগী অসমপ্ৰেমী ৰাইজক একত্ৰিত কৰি ১৯৫৯ চনৰ ২৭ ছেপ্টেম্বৰত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নেতৃত্বত প্ৰতিষ্ঠা হৈছিল অসম নাট্য সন্মিলন। এই অসম নাট্য সন্মিলনৰ নামৰ জাতীয় অনুষ্ঠানটিয়ে আজিৰ পৰা প্ৰায় ৬৬ বছৰ ধৰি অসমৰ বিভিন্ন প্ৰান্তত নাট্য চৰ্চাৰ ক্ষেত্ৰত এক সুস্থ বাতাবৰণ গঢ়ি তোলাৰ লগতে গাঁৱে-ভূঞে, চহৰে-নগৰে নাটকৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সৌমাৰপীঠ, কামপীঠ, ৰত্নপীঠ আৰু স্বৰ্ণপীঠ এই চাৰিটা মণ্ডলত বিভক্ত জাতীয় অনুষ্ঠানটিৰ কামপীঠ মণ্ডলৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশনখনি এইবাৰ পাহাৰীয়া জিলা কাৰ্বিআংলঙৰ বোকাজানত অহা ১৭, ১৮, ১৯ আৰু ২০ ডিচেম্বৰ, ২০২৫ তাৰিখে অনুষ্ঠিত হ'ব। ইতিমধ্যে অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনক সভাপতি, বিদ্যুৎ নেওগক কাৰ্যকৰী সভাপতি, সৰোজ মহন্তক মুখ্য সম্পাদক, নৰেন হাজৰিকা, ৰাকেশ বৰুৱাক যুটীয়া সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হৈছে। তদুপলক্ষে ১৭ ডিচেম্বৰৰ পুৱা কাৰ্বিআংলং জিলাৰ জিলা অধিৱেশনৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ হৈ সন্ধিয়া ৬ বজাত চতুৰ্দশ দ্বি-বাৰ্ষিক মাণ্ডলিক অধিৱেশনৰ কাৰ্যালয় আৰু শিবিৰ মুকলি কৰিব বোকাজানৰ জ্যেষ্ঠ চিকিৎসক ডাঃ দীপজ্যোতি শ্যামে। ১৮ ডিচেম্বৰৰ পুৱা ৯-৩০ বজাত একেলগে ১৪ খনকৈ পতাকা উত্তোলন কৰিব ক্ৰমে অসম নাট্য সন্মিলনৰ সভাপতি ইন্দ্ৰমোহন বৰুৱা, অসম বিধানসভাৰ উপাধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ সভাপতি ডাঃ নোমল মমিন, কাৰ্যকৰী সভাপতি বিদ্যুৎ নেওগ, ইষ্টাৰ্ণ কাৰ্বিআংলং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনিল চন্দ্ৰ দাস, শিক্ষাবিদ সত্যপ্ৰদীপ বৰদলৈ, সমাজকৰ্মী অম্বেশ্বৰ চেতিয়া, সাংবাদিক পেন্সনপ্ৰাপক থানেশ্বৰ নেওগ, অসম নাট্য সন্মিলনৰ নগাঁও জিলাৰ সভাপতি মনোজ বৰদলৈ, গোলাঘাট জিলাৰ সভাপতি যতীন বৰা, কাৰ্বিআংলং জিলাৰ সভাপতি বিষ্ণু শইকীয়া, কামৰূপ জিলাৰ সভাপতি মিফ্‌টাউদ্দিন আহমেদ, কামপীঠ মণ্ডলৰ উপ-সভাপতিদ্বয় প্ৰশান্ত শৰ্মা আৰু দিলীপ লস্কৰে। পতাকা উত্তোলনৰ শীৰ্ষগীত পৰিৱেশন কৰিব বোকাজানৰ স্থানীয় মহিলাসকলে। পুৱা ৯-৪৫ বজাত বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া সংস্কৃতি প্ৰদৰ্শন হ'ব। স্মৃতি তৰ্পণ কৰিব অসম নাট্য সন্মিলনৰ কামপীঠ মণ্ডলৰ কাৰ্যকৰী সভাপতি চন্দ্ৰধৰ ডেকাই আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, গণশিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক সন্তৰাম দাস আৰু যুৱ সমাজকৰ্মী জিতু বৰুৱাই। দিনৰ বাৰ বজাত জুবিন গাৰ্গ সোঁৱৰণী মঞ্চ মুকলি কৰিব কাৰ্বিআংলং স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সূৰ্য ৰংফাৰে। দিনৰ ১২-১৫ বজাত প্ৰণালী বৰদলৈৰ পৰিচালনাত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ পাছতেই দুটা শাখাত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ক শাখা চতুৰ্থ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ। নিৰ্বাচিত কবিতা কবি লক্ষ্মীনাথ বেজবৰুৱাৰ 'চালনী আৰু বেজী'। খ শাখা মুকলি থাকিব আৰু নিৰ্বাচিত কবিতা হৈছে - কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'মই বিপ্লৱী, মই তাণ্ডৱী'। বিয়লি দুই বজাত শিশু নাট সমাৰোহ উদ্বোধন কৰিব অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক সন্তৰাম দাসে। সন্ধিয়া ছয় বজাত মাণ্ডলিক পূৰ্ণাংগ নাট প্ৰতিযোগিতা তথা অৰূপ বৰঠাকুৰ সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব বোকাখাতৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক অমৰ শৰ্মাই। ১৯ ডিচেম্বৰত পুৱা এঘাৰ বজাৰ পৰা ক্ৰমে একক অভিনয়, মুকাভিনয়, শিশু নাট সমাৰোহ কাৰ্যসূচী আৰম্ভ হ'ব। উদ্বোধন কৰিব অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সূৰজ কুমাৰ শইকীয়াই। সন্ধিয়া ছয় বজাত মাণ্ডলিক পূৰ্ণাংগ নাট প্ৰতিযোগিতা উদ্বোধন কৰিব সৰুপথাৰৰ বিশিষ্ট সমাজকৰ্মী জীৱন চুতীয়াই। ২০ ডিচেম্বৰৰ অন্তিম দিনৰ কাৰ্যসূচী অনুসৰি বিয়লি এক বজাত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। সভাত সভাপতিত্ব কৰিব অসম বিধানসভাৰ উপাধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ সভাপতি ডাঃ নোমল মমিনে। ইয়াৰ পাছতেই নৰেন হাজৰিকাৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ 'মঞ্চপ্ৰভা' উন্মোচন কৰিব গুৱাহাটীৰ বিশিষ্ট সাহিত্যিক, সমালোচক ড° ননন্দ সিং বৰকলাই। এই মুকলি সভাতে মাজুলীৰ বিশিষ্ট মুখাশিল্পী ড° হেমচন্দ্ৰ গোস্বামী, কাৰ্বিআংলঙৰ সাংস্কৃতিক কৰ্মী কাংথেৰ বে', গোলাঘাট জিলাৰ বিশিষ্ট অভিনেতা, সমাজকৰ্মী নিৰ্মল বৰা, কামৰূপ জিলাৰ সমাজকৰ্মী ৰিজুমণি দত্ত আৰু নগাঁও জিলাৰ বিশিষ্ট অভিনেতা, নৃত্য শিল্পী গৌৰৱ কুমাৰ হাজৰিকাক বিশেষভাৱে সম্বৰ্দ্ধনা জনাব। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কুমাৰ দীপক দাস, কাৰ্যকৰী সভাপতি হিৰণ্য কুমাৰ হাজৰিকা, প্ৰধান সম্পাদক সন্তৰাম দাস, কাৰ্যবাহী সদস্যদ্বয় সূৰ্য ৰংফাৰ, মাধুৰ্য ঢেকীয়াল ফুকন, অতিৰিক্ত জিলা আয়ুক্ত কাকুমণি শইকীয়া, বোকাজান মহকুমা আৰক্ষী বিষয়া ৰুষ্টমৰাজ ব্ৰহ্ম, ১৫৫ নং চি আৰ পি এফ বেটেলিয়নৰ কামাণ্ডেণ্ট ড° সত্যবীৰ সিং বাৰ্মা, কামপীঠ মণ্ডলৰ সভাপতি ইন্দ্ৰমোহন বৰুৱা, বোকাজানৰ পৌৰপতি ছাৰদিলি বে', কাৰ্বি কালচাৰেলে ছ'চাইটিৰ সভাপতি হোমছিং বে', চিচিআইৰ মহা প্ৰবন্ধক, ইষ্টাৰ্ণ কলেজৰ অধ্যক্ষ ড° অনিল চন্দ্ৰ দাস, শিক্ষাবিদ সত্যপ্ৰদীপ বৰদলৈ, বোকাজান কলেজৰ অধ্যক্ষ সঞ্জয় সিং, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক দিগন্ত বৰা, বোকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফণীধৰ ডেকা, সৰিয়হজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গৌৰী ঢেকীয়াল ফুকন, সাংবাদিক পেন্সনপ্ৰাপক থানেশ্বৰ নেওগ, ডিফুৰ জ্যেষ্ঠ সাংবাদিক সঞ্জু বৰা, যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জিতু ফুকন, আছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি চৰ্জুন হাঞ্চে, তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰণদীপ বৰুৱা, সদৌ অসম ভোজপুৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক গণেশ পাচোৱান আৰু বোকাজান প্ৰেছ ক্লাবৰ সভাপতি ৰণজিৎ বৰা। সন্ধিয়া ৫-৩০ বজাত গীত শৰাই আগবঢ়াব সুকণ্ঠী গায়িকা প্লাবিতা বৰদলৈয়ে। ইয়াৰ পাছতেই কৰিঅ'গ্ৰাফাৰ প্ৰণালী বৰদলৈৰ নেতৃত্বত 'জুবিনদা তুমি সাৰে থাকিবা' নৃত্য নাটিকাৰে তথা অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনসহ বোকাজানৰ জ্যেষ্ঠ নাগৰিকসকলে মঞ্চস্থ কৰিব পূৰ্ণাংগ নাটক 'ঘিণাই সাতোলাৰ ইতিবৃত্ত'। মঞ্চ উদ্বোধন কৰিব গুৱাহাটীৰ বিশিষ্ট চলচ্চিত্ৰ অভিনেতা অৰুণ হাজৰিকাই। সেয়েহে সকলো কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

অবাধ হাৰত ধ্বংস কৰিছে বনজ সম্পদ

# নগাঁৱৰ জাগীয়াল মৌজাৰ দক্ষিণ-গাঁও পঞ্চায়তত শ-শ বিঘা মাটি দখল

## কাণসাৰ নাই নগাঁও ৰাজহ বিভাগৰ

**অসম বাৰ্তা, নগাঁও, ২২ নৱেম্বৰ ঃ** নগাঁও জিলাৰ জাগীয়াল মৌজাৰ দক্ষিণ গাঁও পঞ্চায়তৰ এলেকাধীন নামৰঙাগড়া ৰাজহ কিচামত শেহতীয়াকৈ এজন ব্যক্তিৰ নেতৃত্বত চলিছে ব্যাপক বেদখল। প্ৰাপ্ত অভিযোগ মতে, কিছু বছৰৰ পূৰ্বে মৰিগাঁও জিলাৰ লাহৰীঘাটৰ পৰা ব্ৰহ্মপুত্ৰৰ খহনীয়াত গৃহহীন হোৱা শুকমনি বৰদলৈ নামৰ ব্যক্তিজনে উদৰভেটি (জলাহ)ত চৰকাৰী ভূমিত গৃহ নিৰ্মাণ কৰি পৰিয়ালসহ বসবাস কৰি আহিছে। জানিব পৰা মতে মৰ 'হাৰিয়া (হাৰিয়া নদীলৈ থকা বিলৰ জান) নদীৰ পশ্চিমে ৰৌমাৰী আৰু নাৰলীয়া বিলৰ মাজত এক বিশাল চৰকাৰী জলাহ ভূমিত হিন্দল (হিজল) গছ, ইকৰা, খাগৰিৰে ভৰপূৰ এক এলেকা আছিল আৰু ইয়াতে বনৰীয়া হাতীৰ পালে বিচৰণ কৰে। কেৱল সেয়াই নহয়, স্থানীয় লোকে গাঁৱৰ হাজাৰ হাজাৰ গৰু-ম'হ উক্ত চৰণীয়া পথাৰতে ৰাখি বছৰ বছৰ ধৰি ঘৰচীয়া জীৱ-জন্তু পালন কৰি আহিছে। কিন্তু শেহতীয়াকৈ শুকমনি বৰদলৈ নামৰ ব্যক্তিজনে নামৰঙাগড়া অঞ্চলত প্ৰায় ৪ ১৫০ বিঘা ভূমি বেদখল কৰি জে চি বিৰ দ্বাৰা বনৰীয়া হিজল গছ উভালি বেদখল কৰি পুখুৰী খান্দিবলৈ যো-জা চলোৱাৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি উক্ত ব্যক্তিজনে নামৰঙাগড়াত জে চি বিৰ দ্বাৰা এক বৃহত এলেকাত অকলে সীমা বান্ধি চৰকাৰী ভূমি বেদখল কৰিছে। কিন্তু স্থানীয় ৰাইজে গৰু চৰাবলৈ যোৱাৰ সময়ত এৰি দিয়া গৰু লোকজনৰ এলেকাত সোমোৱাৰ লগে লগে চোকা অস্ত্ৰৰে আঘাত কৰে গৰুবোৰক। শেহতীয়াকৈ জাকৰৱাৰ এজন গোপালকৰ এজনী গৰুক অচিনাক্ত লোকে দাৰে আঘাত কৰি বেয়াকৈ জখম কৰে। উল্লেখ্য যে তথ্যমতে নামৰঙাগড়া কিচামতৰ ১৭টা দাগত মুঠ ৮৩৬ বিঘা ৪ কঠা ১ লেচা চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভ ভূমি আছে যদিও ইয়াৰে ১নং দাগত ১ বিঘা ৩ লেচা, ২নং দাগত ৬ বিঘা ৩ কঠা ১৮ লেচা, ৩নং দাগত ৯ বিঘা ৩ কঠা ১৭ লেচা, ৪নং দাগত ৪ বিঘা ২ কঠা ১৭ লেচা, ৫নং দাগত ৪২ বিঘা ৪ কঠা ৩ লেচা, ৬নং দাগত ২ বিঘা ৩ লেচা, ৭নং দাগত ৩ বিঘা ১ কঠা ১৯ লেচা, ৮নং দাগত ১৯ বিঘা ১ বিঘা ১০ লেচা, ৯নং দাগত ৭ বিঘা ৩ কঠা ৪ লেচা, ১০নং দাগত ৪ কঠা ১১ লেচা, ১২নং দাগত ১ বিঘা ৪ কঠা ৫ লেচা, ১৩নং দাগত ৮ বিঘা ১৪ লেচা, ১৪নং দাগত ১০ বিঘা ১০ লেচা, ১৫নং দাগত ৮বিঘা ২ কঠা ১৯ লেচা, ১৬নং দাগত ৫৩ বিঘা ৩ কঠা ৬ লেচা আৰু ১৭নং দাগত ২ বিঘা ১ কঠা ৭ লেচা মাটিৰ লগতে কিচামটোৰ অন্যান্য অংশত আছে বিল আৰু জলাশয়। শেহতীয়াকৈ এই সকলো চৰকাৰী ভূমি বেদখলকাৰীৰ হাতত পৰি অস্তিত্বৰ কবলত পৰিছে। কেৱল সেয়াই নহয়, অঞ্চলটোৰ অন্য কিচামৰো শ শ বিঘা চৰকাৰী ভূমিও অন্য অচিনাক্ত লোকে জে চি বিৰ দ্বাৰা গছৰ মূঢ়া উঠাই, জংঘল ভাঙি কৰিছে সৰিয়হৰ খেতি। নামৰঙাগড়া কিচামৰ ভিতৰত ৰঙাগড়া, গেলেকী, ৰৌমাৰী, দীঘলীয়া, হাতীশুৰীয়া, বাঙীতলী নামৰ কেইবাখনো বিল আছে যদিও বৰ্তমান বেদখলকাৰীৰ কবলত পৰি অস্তিত্বহীন অৱস্থাত পৰিছে চৰকাৰী ভূমি। মন কৰিবলগীয়া যে চৰকাৰী শ শ বিঘা গ্ৰেজিং ৰিজাৰ্ভৰ ভূমি শেহতীয়া কিছু বছৰৰ পৰা বিভিন্ন ঠাইৰ লোকে বেদখল কৰি নিজৰ কব্জাত ৰাখিছে। তদুপৰি বছৰি বছৰি উক্ত অঞ্চলত বহু অচিনাক্ত লোকে নিজ ইচ্ছানুসৰি বেদখল কৰি প্ৰায় ধ্বংস কৰিছে চৰকাৰী ভূমি। উল্লেখ্য যে ৰহা সমষ্টিৰ কলং আৰু হাৰিয়া নদীৰ মাজত থকা বিল আৰু জলাশয় আদিৰে পৰিপূৰ্ণ নামৰঙাগড়া ৰাজহ কিচামতৰ পূৰ্বে ধেমাজি গাঁও কিচাম, পশ্চিমে পহুপুৰী খাইটি কিচাম, উত্তৰে জাকৰৱা বিল কিচাম আৰু দক্ষিণে জৰাবাৰী মৌজাৰ ডাঙৰি আৰু ডাবলু বিল কিচামৰ সিংহভাগেই চৰকাৰী ভূমি, এই কিচামকেইটাতো চলিছে বেদখল। স্থানীয় লোকে স্থানীয় প্ৰশাসনক শীঘ্ৰে উক্ত চৰকাৰী ভূমি বেদখলমুক্ত কৰিবলৈ আহ্বান জনাইছে।

# স্বাধীনতা দিৱস কাপ ফুটবলত গ্ল'বেল এফচিক হৰুৱাই ফাইনেলত ছাদাৰ হিল

**অসম বাৰ্তা, বেবেজীয়া, ২২ নৱেম্বৰ ঃ** নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ঐতিহ্যমণ্ডিত ৭৭ সংখ্যক আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত মণিপুৰৰ ছাদাৰ হিল এফ চিয়ে ফাইনেলত প্ৰৱেশ কৰিছে। বুধবাৰে জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত ছাদাৰ হিল এফ চিয়ে গোঁসাইগাঁৱৰ গ্ল'বেল এফ চিক ১-০ গ'লত পৰাস্ত কৰে। খেলখনৰ ৬৬ মিনিটত ছাদাৰ হিল এফ চিৰ হৈ ৰবিনছনে বিজয়সূচক গ'লটো দিয়ে। সতীৰ্থ খেলুৱৈ লেংগও থাঙে মিড ফিল্ডৰ পৰা বিপক্ষৰ ব'ত উলিয়াই দিয়া বল সুযোগৰ অপেক্ষাত থকা ৰবিনছনে আয়ত্তলৈ আনি দলৰ হৈ বিজয়সূচক গ'লটো দিয়ে। খেলৰ অন্তিম সময়ত ছাদাৰ হিল এফ চিৰ গ'লৰক্ষক নিখিলে সুন্দৰ প্ৰদৰ্শনেৰে নিজ দলক দুটা নিশ্চিত বিপদৰ পৰা ৰক্ষা কৰে। আনহাতে, মংগলবাৰে কপাহেৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত অন্তিমখন কোৱাটাৰ ফাইনেলত নগাঁৱৰ প্ৰথম ডিভিজন ফুটবল লীগৰ ৰাণাৰ্চ ত্ৰিনয়ন গোষ্ঠীয়ে চমকপ্ৰদ প্ৰদৰ্শনেৰে পূৰ্বৰ বিজয়ী দুলিয়াজানৰ অইল ইণ্ডিয়া এফ চিক ২-১ গ'লত হৰুৱাই ছেমিফাইনেলত স্থান সুৰক্ষিত কৰে। খেলখনৰ ১২ মিনিটত নিলীম কুমাৰে আৰু ২৬ মিনিটত দিব্যজ্যোতি বৰদলৈয়ে ত্ৰিনয়ন গোষ্ঠীৰ হৈ গ'ল দুটা দি বিৰতিলৈ দলক ২-০ গ'লত আগবঢ়াই নিয়ে। খেলৰ ৫৮ মিনিটত অইল ইণ্ডিয়াৰ হৈ জয়দীপ গগৈয়ে দলৰ হৈ একমাত্ৰ গ'লটো পৰিশোধ কৰে।

# ভোলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত শিক্ষণ-শিকন সামগ্ৰীৰ ওপৰত প্ৰতিযোগিতা




**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২২ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত ভোলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত আজি বিদ্যালয় সমূহৰ মাজত ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত দিনজোৰা কাৰ্য্যসূচীৰে এখন শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰতিযোগিতা এখন অনুষ্ঠিত হয়। খৈৰাবাৰী শিক্ষাখণ্ডৰ প্ৰাথমিক শিক্ষা বিষয়া ভূমিধৰ বড়োয়ে উপস্থিত থাকি তেওঁ সকলোকে বিদ্যালয় পৰ্য্যায়ত শিক্ষণ-শিকন আহিলা সমূহ সঠিক ভাবে শ্ৰেণীকোঠাত প্ৰয়োগ কৰিবলৈ শিক্ষক সকলক আহ্বান জনায়। লগতে শিশু সকলৰ শৈক্ষিক দিশটো আৰু উন্নত কৰি শিক্ষাৰ মানদণ্ড আৰু অধিক তৰান্বিত কৰিবলৈ কয়। ভোলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক জয়ন্ত ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত ৰাতিপুৱা লুইত কণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে শুভাৰম্ভণি কৰা হয়। বন্তি প্ৰজ্জালক হিচাবে অৱসৰী শিক্ষক আনন্দি শৰ্মা দেৱে কাৰ্যসূচীটো ৰূপায়ণ কৰে। ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বৃন্দৰ দ্বাৰা সমবেত গীত পৰিৱেশন কৰা হয়। অনুষ্ঠানত শিক্ষণ - শিকন সামগ্ৰী প্ৰতিযোগিতাখনিত বিচাৰক হিচাবে উপস্থিত থাকে ক্ৰমে তেলীয়াপাৰা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক কেশৰী ভূঞা, পুৰণি টংলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিল্লী প্ৰসাদ শৰ্মা আৰু পকিমূৰি মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক বিশ্বজিৎ কছাৰী দেৱ। প্ৰতিযোগিতাখনিৰ শুভাৰম্ভণি কৰে ভোলাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ধনেশ্বৰ ডেকাদেৱে। প্ৰতিযোগিতাখনত প্ৰথম স্থান গণকপাৰা গোবিন্দ মিশ্ৰ প্ৰাথমিক বিদ্যালয়, দ্বিতীয় স্থান ভোলাবাৰী মধ্য ইংৰাজী বিদ্যালয় আৰু তৃতীয় স্থান ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ে পাবলৈ সক্ষম হয়। ভোলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ তৰফৰ পৰা স্থান প্ৰাপক বিদ্যালয় তিনিওখনকে একোখনকৈ প্ৰমাণ পত্ৰ আৰু স্মাৰকেৰে পুৰস্কৃত কৰা হয়। অনুষ্ঠানৰ শেষত অসম সংগীত পৰিৱেশন কৰি সকলোৱে একেলগে প্ৰীতি ভোজন গ্ৰহণ কৰা হয়। মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক জয়ন্ত ডেকাই প্ৰতিখন বিদ্যালয়ৰ প্ৰতিগৰাকী সন্মানীয় শিক্ষকবৃন্দৰ লগতে ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী গীতিকা দাস ভূঞা আৰু বিদ্যালয়ৰ সহকাৰী শিক্ষক বৃন্দৰ লগতে কৰ্মচাৰী বৃন্দলৈ ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰে।

# জুবিন গাৰ্গক বুকুত বান্ধি নলবাৰী জিলাৰ বেলশৰত বিশাল বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে দৃষ্টিনন্দন পৰিৱেশ



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২২ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ বৃহত্তৰ বেলশৰত দেখিবলৈ পোৱা গ'ল এক বিশাল ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰা। জুবিন গাৰ্গক বুকুত বান্ধি ৰাজপথেৰে বৃহৎ সমদল বাহিৰ কৰে এখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। ইয়াৰ পূৰ্বে সাংস্কৃতিক শোভাযাত্ৰাটোৰ দ্বাৰ মুকলি কৰে বিশিষ্ট অভিনেতা তথা বেলশৰস্থিত বিল্লেশ্বৰ দেৱালয়ৰ দলৈ ৰঞ্জিত মিশ্ৰই। বেলশৰস্থিত কে.কে. ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু বেলশৰ জাতীয় বিদ্যালয়ৰ ত্ৰয়োদশ বাৰ্ষিক অধিৱেশন, বিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভাক লৈ অঞ্চলটোত এক উখল-মাখল পৰিৱেশৰ সূচনা হৈছে। কে.কে. জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মুনীন্দ্ৰ বৰ্মন, বেলশৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ হিতেশ বৰ্মন আৰু কে.কে.জেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ সচিব দ্বিপেন বৰ্মণে জনোৱা অনুসৰি আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হ'ব বিদ্যালয় দুখনৰ বিদ্যালয় সপ্তাহ, বাৰ্ষিক অধিৱেশন আৰু নৱাগত আদৰণি সভা। আজি ২১ নৱেম্বৰত প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা পতাকা উত্তোলন কৰে কে. কে. চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ মুনীন্দ্ৰ বৰ্মণে, শ্বহীদ তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ফাইজুদ্দিন আহমেদে, জুবিন গাৰ্গলৈ সমূহীয়া শ্ৰদ্ধাঞ্জলিৰ পিছতে অসমীয়া কৃষ্টি প্ৰদৰ্শনেৰে বিশাল বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। ইয়াৰ পিছতে কবিতা আবৃত্তি প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ অন্ত পৰে। আনহাতে, দ্বিতীয় দিনা খেল ধেমালি প্ৰতিযোগিতা, কইনা প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, সংগীত আৰু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি জনাইছে বিদ্যালয় দুখনৰ লগত জড়িত সৰ্ববৰহী শিক্ষক ৰচিদুল হকে। আনহাতে, তৃতীয় দিনা ভেশচন প্ৰতিযোগিতাৰ পিছতে নৱাগত আদৰণি সভা অনুষ্ঠিত হ'ব। অধ্যক্ষ মুনীন্দ্ৰ বৰ্মণৰ পৰিচালনাত অনুষ্ঠিত হ'বলগীয়া মুকলি অধিৱেশনত বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বৈকুণ্ঠ বৰ্মণে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব বিশিষ্ট সাংবাদিক অৰূপ ৰঞ্জন বৰ্মণ আৰু সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট নাট্যকাৰ আৰু অভিনেতা ভোগী বৰ্মণে।

# হীৰক জয়ন্তী উপলক্ষে পি. এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, ধনশিৰি, ২২ নৱেম্বৰ ঃ** হীৰক জয়ন্তী সমাৰোহৰ লগত সঙ্গতি ৰাখি পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত শনিবাৰৰ পৰা আৰম্ভ হৈছে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। বিদ্যালয়খনৰ প্ৰথম অধ্যক্ষ প্ৰয়াত যোগেশ্বৰ চুতীয়া দেৱৰ সোঁৱৰণত আয়োজন কৰা আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ শুভাৰম্ভনি অনুষ্ঠানত পতাকা উত্তোলন কৰে অধ্যক্ষা মিতালী বৰাই। প্ৰতিযোগিতাখনৰ প্ৰাকমুহূৰ্তত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু প্ৰয়াত অধ্যক্ষ যোগেশ্বৰ চুতীয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি মাধুৰ্য শইকীয়া আৰু প্ৰয়াত যোগেশ্বৰ চুতীয়াৰ পুত্ৰদ্বয় ধ্ৰুৱজ্যোতি চুতীয়া আৰু জেষ্ঠ বিজ্ঞানী ড° দিব্যজ্যোতি চুতীয়াই। বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ পিছতেই সৰুপথাৰ সমজিলাৰ সীমান্ত দণ্ডাধীশ দ্বীপজ্যোতি দাসে ফুটবল খেলখনৰ শুভাৰম্ভ কৰে। প্ৰাইজমানি প্ৰতিযোগিতাখনত মুঠ ৮টা দলে অংশগ্ৰহণ কৰিছে। শনিবাৰৰ প্ৰথম খেলখন দেওপানী ফুটবল ক্লাব আৰু ক্লিৰডাপ ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হয় আৰু দেওপানী ফুটবল ক্লাবে ৪-১গলৰ ব্যৱধানত জয় লাভ কৰে। প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলত বিজয়ী হোৱা দলক নগদ বিশ হাজাৰ টকা, দ্বিতীয় বিজয়ী দলক নগদ পোন্ধৰ হেজাৰ টকা আৰু শ্ৰেষ্ঠ খেলুৱৈক এহেজাৰ টকা প্ৰদান কৰিব বুলি উদযাপন সমিতিয়ে উল্লেখ কৰিছে। শুভাৰম্ভনি অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষা মিতালী বৰাৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক সিদ্ধেশ্বৰ শইকীয়া, নৰেন চুতীয়া, নিৰঞ্জন ভট্ট, হৰেণ কাকতি, ৰাজেন গোঁহাই, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সূৰ্য গগৈ, জেষ্ঠ অধিবক্তা দিলীপ শৰ্মা, হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি মাধুৰ্য শইকীয়া, সম্পাদক দ্বিপেন কুমাৰ বৰা, পৰমানন্দ লাহন, মাধৱ লহকৰে ধৰি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু যথেষ্ট সংখ্যক ফুটবল প্ৰেমী ৰাইজ উপস্থিত থাকে।

# ৭ ডিচেম্বৰত ছৈখোৱাৰ কেঁচাখাইটী শালৰ বাবু পূজা

**অসম বাৰ্তা, ছৈখোৱা, ২২ নৱেম্বৰ ঃ** উজনি অসমৰ ধৰ্মীয় শক্তিপীঠ হিচাপে চিহ্নিত তিনিচুকীয়া জিলাৰ ছৈখোৱাস্থিত শ্ৰী শ্ৰী কেঁচাঁখাইটী শালৰ বাবু পূজা ভাগি অহা ৭ ডিচেম্বৰ ২০২৫ তাৰিখে অনুষ্ঠিত হ'ব বুলি শাল কৰ্তৃপক্ষই জানিবলৈ দিছে। উজনি অসমৰ কামাখ্যা বুলি বিবেচিত হোৱা শ্ৰী শ্ৰী কেঁচাঁখাইটী শালত উক্ত দিনা পুৱাঁ ৪: ৩০ বজাত মন্দিৰৰ দুৱাৰ খোলাৰ বিপৰিতে মূল সেৱা ভাগ পুৱা ৮: ০০ বজাত আৰু বলি বিধান কাৰ্যসূচী পুৱা ৮: ৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব শাল কৰ্তৃপক্ষই জনাইছে। লগতে মূল পূজা ভাগত সকলো ভক্তগণক নিদিষ্ট সময়ত উপস্থিত থাকি পূজাভাগ সাফল্যমণ্ডিত কৰি তুলিবলৈ শাল পৰিচালনা সমিতিয়ে আহ্বান জনাইছে। উল্লেখ্য যে প্ৰাক ঐতিহাসিক কালৰে পৰা অতি জাগ্ৰত বুলি জনাজাত এই শাল খনত প্ৰতিটো বিহুৰ লগত সংগতি ৰাখি একোখন পূজা অনুষ্ঠিত কৰাৰ উপৰিও প্ৰতিটো বৰ্ষৰ ডিচেম্বৰ মাহত চাহ বাগিছাৰ কৰ্মচাৰী সকলৰ বাবে সুকীয়াকৈ 'বাবু' পূজা নামেৰে এক বিশেষ পূজা অনুষ্ঠিত কৰি আহিছে। এই পূজাতে ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ পৰা হাজা হাজাৰ লোকৰ আগমন হোৱাৰ উপৰিও চুবুৰীয়া ৰাজ্য তথা দেশ সমূহৰ পৰাও ভক্তৰ আগমন হৈ সমগ্ৰ ধলা-ছৈখোৱা অঞ্চলতে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰি আহিছে। এই ভীৰৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় প্ৰশাসনেও ভক্তপ্ৰাণ ৰাইজক শৃংখলাবদ্ধভাৱে পূজাত ভাগ ল'বলৈ আহ্বান জনাইছে।

“সমাজখন ধুনীয়া কৰিবলৈ ছাত্ৰাৱস্থাতেই বিজ্ঞান মানসিকতা গঢ় দিব লাগিব”

# মাজুলী মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ বিজ্ঞানভিত্তিক ক্ৰিয়াকলাপ প্ৰতিযোগিতা সম্পন্ন




**অসম বাৰ্তা, মাজুলী, উজনি মাজুলী, ২২ নৱেম্বৰ ঃ** “বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তাই চিন্তাৰহিত কৰি মানুহৰ মগজুৰ বিকাশত যি প্ৰাচীৰৰ সাজি দিছে, তাৰ বিপৰীতে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিজ্ঞান আৰ্হি আৰু প্ৰকল্প প্ৰস্তুতকৰণ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ মন-মগজুৰ বিকাশ আৰু চিন্তাশক্তিৰ উৎকৰ্ষ সাধনত যি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে, সেয়া নিতান্তই প্ৰশংসনীয়।”- এই বক্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ। আজি মাজুলী জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত জিলা পৰ্যায়ৰ বিজ্ঞান ভিত্তিক ক্ৰিয়াকলাপ প্ৰতিযোগিতা উপলক্ষে মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্ত দেৱ গোস্বামী সভাকক্ষ'ত অনুষ্ঠিত উদ্বোধনী সভাত উদ্বোধক হিচাপে উপস্থিত থাকি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই লগতে কয় যে সমাজখন ধুনীয়া কৰিবলৈ হ'লে ছাত্ৰাৱস্থাৰ পৰাই বিজ্ঞান মানসিকতাৰে গঢ়িব তুলিব লাগিব। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি মাজুলী মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী তথা মাজুলী জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক ডঃ অনুপ কুমাৰ দলেই আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই বিগত সময়ছোৱাত কৰি অহা প্ৰেৰণামূলক কৰ্মসূচীৰ চমু খতিয়ান দাঙি ধৰে। বিজ্ঞান কেন্দ্ৰৰ ব্লক সমন্বয়ক জয়ন্ত মাধৱ কলিতাই আঁত ধৰা অনুষ্ঠানটোত আয়োজক সমিতিৰ তৰফৰ পৰা আমন্ত্ৰিত অতিথি তথা বিচাৰকসকলক সম্বৰ্ধনা জনোৱা হয়। পৰ্যবেক্ষক হিচাপে উপস্থিত থকা কমলাবাৰী একাডেমীৰ বিজ্ঞান শিক্ষয়িত্ৰী পম্পী হাজৰিকাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য দাঙি ধৰে মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া আৰু কমলাবাৰীৰ ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ তথা জ্যেষ্ঠ সাংবাদিক দীপু বৰাই। আজি অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক ক্ৰমে ড° অৰূপ বুঢ়াগোহাঁই, ড° দিব্যজ্যোতি বৰা, ড° বিশাল ভূঞা আৰু বিশাল শইকীয়া, শিশু বিজ্ঞান সমাৰোহ সমিতিৰ শৈক্ষিক সমন্বয়ক প্ৰাণজিৎ শইকীয়া, খণ্ড সমল ব্যক্তি বসন্ত বৰা, ত্ৰিনয়ন নেওগ, অমৰজ্যোতি বৰা আৰু বিকাশ বৰা। উদ্বোধনী অনুষ্ঠানৰ শেষত সঞ্চালক প্ৰশান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ অধিক জ্ঞান আৰু অনুসন্ধানৰ বাবে মাজুলী মহাবিদ্যালয়ে প্ৰয়োজনসাপেক্ষে ইয়াৰ সম্প্ৰসাৰিত পুথিভঁৰাল আৰু পৰীক্ষাগাৰৰ সুবিধা সদায় আগবঢ়াই যাব বুলি উল্লেখ কৰে। আজি অনুষ্ঠিত বিজ্ঞানৰ আৰ্হি, আকস্মিক বক্তৃতা, চিত্ৰাংকন আৰু ধাৰণা প্ৰতিযোগিতাত ইতিমধ্যে খণ্ড পৰ্যায়ত নিৰ্বাচিত চল্লিশজনৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ অন্তত সামৰণী তথা বঁটা বিতৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° মহঃ আমিনুল ইছলাম প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগ বঢ়ায় সমন্বয়ক ড° অনুপ কুমাৰ দলেয়ে।

# ডুমডুমা মহাবিদ্যালয়ত ক্ৰীড়া প্ৰকল্প আৰু ষ্টেডিয়াম নিৰ্মাণৰ ভূমি পূজন কৰিলে মন্ত্ৰী ৰূপেশ গোৱালাই

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ নৱেম্বৰ ঃ** লোক নিৰ্মাণ বিভাগৰ তিনিচুকীয়া ক্ষেত্ৰীয় গৃহ সংমণ্ডলৰ অধীনত ১২, ৯৪, ১০, ৬৮৩.০০ টকা ব্যয় সাপেক্ষে ডুমডুমা মহাবিদ্যালয়ত নিৰ্মাণ হ'বলগীয়া ক্ৰীড়া প্ৰকল্প আৰু ষ্টেডিয়ামৰ আজি ভূমি পূজন কৰে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই। ভূমি পূজন কৰি দিয়া ভাষণত মন্ত্ৰী গোৱালাই কয় যে ডুমডুমাত এনে এটা ক্ৰীড়া প্ৰকল্প আৰু ষ্টেডিয়ামৰ অভাৱ আছিল আৰু এই প্ৰকল্পটো সম্পূৰ্ণ হ'লে এই বহুদিনীয়া অভাৱ পূৰণ হ'ব। তেওঁ লগতে নিজে অধ্যয়ন কৰা মহাবিদ্যালয়খনত এনে এটা অত্যাধুনিক ক্ৰীড়া প্ৰকল্পৰ ভূমি পূজন কৰিবলৈ পাই অতিশয় আনন্দিত হোৱা বুলি কয়। আজিৰ অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, অলপতে বিজেপিত যোগদান কৰা অসম চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ সম্পাদক ৰাহুল তাঁতী, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, লোক নিৰ্মাণ বিভাগৰ বিষয়া, প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উল্লেখ্যযোগ্য যে যোৱা ৩১ অক্টোবৰত ডুমডুমা ভ্ৰমণকালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পৰ আধাৰশিলা আভাসীয়ভাৱে স্থাপন কৰিছিল।

# কচুৱাত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযানত আটক এজন

**অসম বাৰ্তা, কচুৱা, ২২ নৱেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। এক গোপন সূত্ৰৰ ভিত্তিত যোৱা নিশা কচুৱা আৰক্ষীয়ে অভিযান চলাই এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। কচুৱা থানাৰ অন্তৰ্গত মাখন গাঁৱত আৰক্ষীয়ে অভিযান চলাই আৱেদ আলি নামৰ লোকজনৰ ঘৰৰ পৰা সন্দেহযুক্ত ড্ৰাগছৰ লগতে এজন ড্ৰাগছ সৰবৰাহ কৰাৰ অপৰাধত আজগৰ আলি নামৰ এজন লোকক আটক কৰে। জানিব পৰা মতে আৱেদ আলিৰ ঘৰৰ পৰা ড্ৰাগছৰ সৰবৰাহ কৰিছিল আজগৰ আলিয়ে। আৰক্ষীয়ে আৱেদ আলি নামৰ লোকজনৰ ঘৰত অভিযান চলাই ১৪টা প্লাষ্টিকৰ কণ্টেইনাৰত থকা ৩.০৭ গ্ৰাম হেৰোইন জব্দ কৰিবলৈ সক্ষম হয়। লগতে আৰক্ষীয়ে ২৫খন ২০০ টকীয়া নোট, মুঠ ৫০০০ টকা জব্দ কৰে আৰক্ষীয়ে। পৰৱৰ্তী সময়ত হেৰোইনখিনি জব্দ কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

## সম্পাদকীয়

# ভাৰতত চাইবাৰ অপৰাধ ঃ জন সতৰ্কতাৰ অভাৱ

ডিজিটেল ভাৰতৰ স্বপ্নই আমাৰ সপোনক ডিচিবেলত পৰিণত কৰাৰ লগতে আমাৰ বাবে এক ভয়ংকৰ বিপদো কঢ়িয়াই আনিছে। সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত চাইবাৰ সুৰক্ষা সম্পৰ্কীয় ৰাষ্ট্ৰীয় সন্মিলনত বিশেষজ্ঞসকলে যি গুৰুতৰ সতৰ্কবাণী শুনাইছে, সেয়া আমাৰ সকলোৰে বাবে চিন্তাৰ বিষয়। দেশত চাইবাৰ অপৰাধবোৰ এতিয়া 'মূৰৰ কামুৰণি' হৈ পৰিছে, কিন্তু দুখৰ বিষয় যে এই সমস্যাৰ মাত্ৰা অনুসৰি চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰাত ব্যৰ্থ হৈছে। ফলত, অপৰাধীসকলৰ বাবে ই এক প্ৰকাৰৰ 'সুৰক্ষিত আস্থান' হৈ পৰিছে। উন্নত প্ৰযুক্তিৰ হাতত সস্তীয়া হৈ পৰা আমাৰ তদন্ত ব্যৱস্থাই সাধাৰণ মানুহক কৰি তুলিছে অসহায়। সন্মিলনত দাঙি ধৰা তথ্যই আমাৰ ৰোমন্থন কৰিবলৈ বাধ্য কৰে। ২০২৪ চনত চাইবাৰ জালিয়াতিৰ ফলত ভাৰতে প্ৰায় ২২, ৮৪৫ কোটি টকাৰ লোকচান ভৰিছে। এই সংখ্যাটো পূৰ্বৰ বছৰতকৈ ২০৫.৬ শতাংশ বেছি। ইয়াৰ উপৰি, ৩৬ লাখতকৈও অধিক আৰ্থিক জালিয়াতিৰ গোচৰ আৰু প্ৰায় ২০.৫ লাখ চাইবাৰ আক্ৰমণৰ বাতৰি পোৱা গৈছে। এই বিশাল সংখ্যাই কেৱল আৰ্থিক ক্ষতি নুবুজায়, ই আমাৰ জাতীয় সুৰক্ষাৰ প্ৰতি থকা ভাবুকিকেই সূচাইছে। বিশেষজ্ঞসকলৰ মতে, এইবোৰৰ এক বৃহৎ অংশ শত্ৰুভাৱাপন্ন দেশৰ পৰা হোৱা বুলি সন্দেহ কৰা হয়। অৰ্থাৎ, এতিয়াৰ চাইবাৰ যুদ্ধ কেৱল অপৰাধীৰ বিৰুদ্ধেই নহয়, আমাৰ ৰাষ্ট্ৰীয় স্বাৰ্থত ধৰ্ষণমূলক হস্তক্ষেপৰ বিৰুদ্ধেও। মানুহৰ মনত ইয়াৰ বিপৰীতে বহু প্ৰশ্নই উদয় হয়। প্ৰথমতে, মোবাইল ফোনেৰে কৰা এটা সৰল লেন-দেনৰ পৰা আৰম্ভ কৰি চৰকাৰী তথ্য ভঁৰাললৈকে আমি কিমান সুৰক্ষিত? আমাৰ ব্যক্তিগত তথ্য, আমাৰ সঞ্চয়, আমাৰ গোপনীয়তাৰ গৰাকী আমি নে কোনো unseen হেকাৰ? দ্বিতীয়তে, যেতিয়া আমি জালিয়াতিৰ বলি হওঁ, আমি ক'লৈ যাম? থানা? তাত চাইবাৰ ক্ৰাইমৰ বিষয়ে জ্ঞান থকা কৰ্মী আছে নে? তৃতীয়তে, চৰকাৰে ডিজিটেল পেমেণ্ট, ডিজিটেল স্বাক্ষৰ আদি ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰে, কিন্তু সেইবোৰৰ পিছত সুৰক্ষাৰ কি ব্যৱস্থা আছে? আমাক 'সাৱধান হ'ব'লৈ কোৱাটোৱেই যথেষ্ট নে? এই প্ৰশ্নবোৰৰ উত্তৰ অসুবিধাজনক। মাইক্ৰ'ছফ্টৰ কেশ্ৰী কুমাৰ আস্থানাই সঠিককৈয়ে কৈছে যে ২০২৫ চনত ভাৰতত ডাটা ভংগৰ গড় খৰচ ২২ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। এই বিশাল ব্যয়ৰ মূল কাৰণ হ'ল আমাৰ সুৰক্ষা ব্যৱস্থাত থকা ফাঁক আৰু দুৰ্বল ব্যৱস্থাপনা। অপৰাধীসকলে এতিয়া Artificial Intelligence (AI)ৰ দৰে উন্নত অস্ত্ৰ ব্যৱহাৰ কৰে, আনহাতে আমাৰ প্ৰতিৰক্ষা ব্যৱস্থা বহু ক্ষেত্ৰত পুৰণি আৰু গতানুগতিক। চেলেব্ৰাইটৰ শ্ৰীকৃষ্ণ আশুতোষে দিয়া তথ্যমতে, ভাৰতৰ প্ৰায় আধা তদন্তকাৰী সংস্থা আধুনিক প্ৰযুক্তিৰ পৰা বহু দূৰত। এটা গোচৰ পৰ্যালোচনা কৰিবলৈকে তেওঁলোকৰ ৬৯ ঘণ্টাৰো অধিক সময় লাগিব পাৰে। এনে অৱস্থাত, আক্ৰমণকাৰীসকলৰ বিৰুদ্ধে তদন্ত কেনেকৈ সম্ভৱ? সমস্যাটো কেৱল সঁজুলিৰেই সীমাবদ্ধ নহয়, মানৱীয় সম্পদৰ ক্ষেত্ৰতও। চাইবাৰ অপৰাধৰ তদন্ত কৰিবলৈ সক্ষম, প্ৰশিক্ষিত আৰু সংখ্যাত যথেষ্ট কৰ্মীৰ একান্ত অভাৱ। ফলত, গোচৰবোৰৰ এটা ডাঙৰ অংশ অমিমাংসিত হৈয়েই ৰৈ যায়। সাধাৰণ নাগৰিকে থানালৈ গৈ চাইবাৰ জালিয়াতিৰ খবৰ দিয়েও সঠিক সহায় নাপায়। তদন্তকাৰীসকলে পুৰণি পদ্ধতিৰে কাম কৰিবলৈ বাধ্য হয়, যাৰ ফলত অপৰাধীসকলে সোনকালে গ্ৰেপ্তাৰ হোৱাৰ ভয় নথকাকৈ অপৰাধ কৰি থাকিব পাৰে। উইপ্ৰ'ৰ ডাটা প্ৰাইভেচি বিষয়া সন্দেশ জাধৱে সঠিককৈয়ে জনসাধাৰণক অনলাইনত সতৰ্ক হ'বলৈ কৈছে, কিয়নো তেওঁলোকক "অবিৰতভাৱে চোৰা-চিতা কৰা হৈছে।" কিন্তু এই সতৰ্কতাবাণী একপক্ষীয়। নাগৰিকৰ নিজৰ সুৰক্ষাৰ বাবে সচেতন হোৱাটো গুৰুত্বপূৰ্ণ হ'লেও, চৰকাৰ আৰু নিয়ন্ত্ৰক সংস্থাবোৰৰ দায়িত্ব ইয়াতকৈ বহুগুণে বেছি। ডিজিটেল ভাৰতৰ যাত্ৰাত নাগৰিক হিচাপে আমাৰ অধিকাৰ আৰু সুৰক্ষা নিশ্চিত কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য। গতিকে, আগবঢ়া পথটো কি? প্ৰথমতে, চাইবাৰ সুৰক্ষা আৰু তদন্তৰ বাবে এক শক্তিশালী আৰু আধুনিক সংস্থাগত অবকাঠামো গঢ়ি তুলিব লাগিব। দ্বিতীয়তে, তদন্তকাৰীসকলক কৃত্ৰিম বুদ্ধিমত্তা, মেচিন লাৰ্নিঙৰ দৰে আধুনিক প্ৰযুক্তিৰ সৈতে সুপৰিচিত কৰি তুলিব লাগিব আৰু তেওঁলোকৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। তৃতীয়তে, চাইবাৰ সুৰক্ষা সম্পৰ্কীয় কঠোৰ আইন প্ৰণয়ন আৰু তাক কাৰ্যকৰী কৰাটো অপৰিহাৰ্য। চতুৰ্থতে, ৰাষ্ট্ৰীয় পৰ্যায়ত সক্ৰিয়ভাৱে চাইবাৰ আক্ৰমণ চক্ৰান্তবোৰ চিনাক্ত কৰি নিষ্ক্ৰিয় কৰিব পৰা এক সুদক্ষ দল গঠন কৰিব লাগিব। আটাইতকৈ গুৰুত্বপূৰ্ণ হ'ল, জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি কৰাৰ লগতে সহজ আৰু দ্ৰুত গতিত ন্যায় প্ৰদানৰ ব্যৱস্থা কৰাটো। 'চাইবাৰ ছিকিউৰ ভাৰত' অভিযানৰ অংশ হিচাপে হোৱা এই সন্মিলনটোৱে এটা স্পষ্ট সংবাদ দিছে। ভাৰতৰ ডিজিটেল ভৱিষ্যত সুৰক্ষিত কৰাটো এতিয়া ৰাষ্ট্ৰীয় নিৰাপত্তাৰ এটা প্ৰধান স্তম্ভ হৈ পৰিছে। চৰকাৰ, উদ্যোগ আৰু জনসাধাৰণ- এই তিনিওটা অংশীদাৰে মিলি যদি এই সমস্যাৰ সমাধানৰ বাবে আগনাবাঢ়ে, তেতিয়াহে আমি আমাৰ ডিজিটেল স্বপ্নসমূহক সুৰক্ষিত কৰিব পাৰিম। নহ'লে, আমাৰ ডিজিটেল যাত্ৰা এক ভংগুৰ ভেঁটিৰ ওপৰত থিয় দিয়া অট্টালিকাৰ দৰেই বিপদসংকুল হৈ ৰ'ব।

◀◀ *এতিয়া পাঠকো নাই, সমালোচনাও নাই। কেতিয়াবা উশাহ বন্ধ হৈ যাব খোজে - যেতিয়া এখন ভাল কিতাপ পঢ়ি উঠাৰ পাছত, সেই কিতাপখনৰ বিষয়ে আলোচনা কৰিবলৈ, উপযুক্ত লগ এজন নাপাওঁ। মোৰ প্ৰতিবেশী সীমান্ত মাধৱ কটকীৰ একমাত্ৰ জীয়ৰী শ্ৰীমতী অঙ্গৰিকা (পাখি), দিল্লী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৰ্তমান ঘৰতে আছেহি। তেওঁ কিতাপ পঢ়ে। মাজে-মাজে তেওঁৰ আৰু মোৰ মাজত কিতাপৰ বিনিময় হয়। কেতিয়াবা তেওঁৰ সতে কিতাপৰ বিষয়ে কথা পাতোঁ। মোৰ বৰপুত্ৰ অমনদীপে (আকুল) আগতে কিতাপ বৰকৈ নপঢ়িছিল। মাজতে সি E-book পঢ়া আৰম্ভ কৰিলে। এতিয়া অসমীয়া, ইংৰাজী দুয়োটা ভাষাৰ কিতাপ পঢ়াৰ অভ্যাসটো গঢ় লৈ উঠিছে।* ▶▶

# কিতাপ পঢ়াৰ আনন্দ আৰু আমাৰ দুৰৱস্থা

**অমৃত বৰঠাকুৰ**

হোমেন গোঁহাই ছাৰৰ 'কিতাপ পঢ়াৰ আনন্দ' নামৰ কিতাপখন নপঢ়া মানুহ চাগে অসমত নাই। কিন্তু এই কিতাপখন প্ৰকাশ হোৱাৰ বহু আগৰে পৰাই আমি কিতাপ পঢ়াৰ আনন্দ লাভ কৰিবলৈ আৰম্ভ কৰিছিলোঁ। মূলতঃ এই অভ্যাসটো আৰম্ভ হৈছিল আমাৰ মাতৃদেৱীৰ পৰা। এইখিনিতে উল্লেখ কৰি থওঁ যে আমাৰ মাতৃৰ জন্ম ১৯৩৮ চনত আৰু তেওঁ প্ৰাথমিক বিদ্যালয় উত্তীৰ্ণ নহয়। তথাপি অসমীয়া ভাষাৰ ফকৰা-যোজনা, জতুৱা ঠাঁচ, অসমীয়া শব্দৰ বানানত তেওঁৰ দক্ষতা অসীম। আমাৰ শিশুকালৰ পৰাই, আজৰি পৰত তেওঁৰ হাতত এখন কিতাপ দেখি আহিছোঁ। দেউতাই কিতাপ নপঢ়িছিল, কিন্তু শুনিছিল। সেয়ে কিতাপ শুনাৰ আপাহতে হওক বা মায়ে পঢ়ক বুলিয়েই হওক, দেউতাই কাৰোবাৰ পৰা খুজি হ'লেও কিতাপ আনিছিল। মাৰ সেই অভ্যাসটোৰ প্ৰভাৱ আমাৰ পাঁচোটি ভাই-ভনীৰ ওপৰত বাৰুকৈয়ে পৰিছিল। আমিও সেই পাঠশালা শ্ৰেণীৰ পৰাই কিতাপ পঢ়াৰ আনন্দৰ অনুভূতি উপলব্ধি কৰিবলৈ সক্ষম হৈছিলোঁ।

কিতাপ পঢ়িছিলোঁ হয়, পিছে পঢ়াৰ বিষয়ত methodical নাছিলোঁ। এতিয়াও নহয়। সৰুৰ পৰাই আমাক সকলো কিতাপ পঢ়িবলৈ দিয়া হৈছিল। "এইখন কিতাপ তহঁতৰ বয়সৰ ল'ৰা-ছোৱালীৰ বাবে নহয়" - এই কথা কোনেও কোৱা নাছিল। পা-ফু ছিৰিজ, গোলাই ছিৰিজ ৪ৰ্থ-৫ম শ্ৰেণীতে শেষ কৰিছিলোঁ। পিছলৈ দস্যু ভাস্কৰৰ ৬২টা খণ্ড। সেই বুলি গধুৰ বিষয়ৰ কিতাপ পঢ়া নাই, তেনে নহয়। অসম আৰু ভাৰতৰ সাহিত্য-সংস্কৃতি বিষয়ক, ভূগোল, দৰ্শন, সমালোচনাত্মক সাহিত্য, ইত্যাদিৰ একো বাদ দিয়া নাই। চাকৰিত সোমোৱাৰ পৰাই প্ৰতি মাহতে দুই-চাৰিখন কিতাপ ক্ৰয় কৰাৰ অভ্যাস এটাও কৰি ল'লোঁ। এনেকৈ পঢ়োঁতে-পঢ়োঁতে, অসমীয়া কিতাপবোৰ বৰ খৰকৈ পঢ়িব পৰা হ'লোঁগৈ। পাঁচ-ছশ টকাৰে কিনা কিতাপ এখন পঢ়ি শেষ কৰিবলৈ বৰ বেছি দুটা দিনৰ প্ৰয়োজন হয়। গতিকে মাহৰ বেছি ভাগ দিন, পুৰণি কিতাপবোৰৰ মাজৰ পৰা কোনোবা এখন উলিয়াই পঢ়িব লগা হয়। পিছলৈ হিন্দী আৰু ইংৰাজী ভাষাৰ কিতাপ পঢ়িবলৈ আৰম্ভ কৰিলোঁ। ভাষাৰ ভিন্নতাৰ বাবে, অৰ্থ বুজি পঢ়োঁতে, ইংৰাজী আৰু হিন্দী ভাষাৰ কিতাপ একোখন পঢ়োঁতে কেইদিনমান লাগে।

আগতে মাৰ কিতাপ পঢ়া অভ্যাসটোৰ কথা উল্লেখ কৰিছোঁ। আচৰিত লাগে - প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীলৈকে পঢ়া এগৰাকী গাঁৱৰ সাধাৰণ গৃহিণীয়ে কিতাপ পঢ়িবলৈ নাপালে অশান্তিত ভোগে। মায়ে অসমীয়া ভাষাৰ সমানে, বাংলা ভাষাও পঢ়ে। মোৰ আৰু ভাইটিৰ বাংলা ভাষাৰ জ্ঞান মাৰ পৰা লাভ কৰা বুলিয়েই ক'ব পাৰি। আগতে পূজা আৰু বিহু সংখ্যাৰ কেবাখনো অসমীয়া আলোচনীৰ লগতে, বাংলা ভাষাৰ শুকতাৰা আৰু নৱকল্লোল আমাৰ ঘৰৰ নিশ্চিত অতিথি আছিল। দেশ, নৱকল্লোল আৰু শুকতাৰা আমাৰ ঘৰত নিয়মীয়াকৈ প্ৰতি মাহে লোৱা হৈছিল। পিছলৈ বহু বছৰ Reader's Digest ৰ মই নিয়মীয়া গ্ৰাহক আছিলোঁ। দুটা কাৰণত ইংৰাজী ভাষাৰ এই আলোচনীখন এৰিবলৈ বাধ্য হ'লোঁ। প্ৰথম কথাটো হ'ল, এইখন ঘৰত কেৱল মইহে পঢ়োঁ আৰু দ্বিতীয়তে পুৰণা আলোচনী সমূহ ৰাখিবলৈ ঠাইৰ অভাৱ হ'ল। মায়ে পাছলৈ ইংৰাজীৰ কিছুমান শব্দ আৰু হিন্দীৰ দুই-চাৰিটা বাক্যও পঢ়িব পৰা হ'লগৈ।

কেই বছৰমানৰ পৰা কিতাপ পঢ়াৰ ক্ষেত্ৰত এটা অসুবিধাই দেখা দিবলৈ আৰম্ভ কৰিলে। পঢুৱৈৰ অভাৱত মাৰ্ঘেৰিটাৰ আটাইকেইখন কিতাপৰ বিপণী বন্ধ হৈ পৰিল। ইংৰাজী-হিন্দীৰ কথাটো বাদেই, অসমীয়া ভাষাৰ কিতাপ এখন কিনিবলৈ হয় গুৱাহাটীলৈ যাব লাগিব, নহয় ডিগবৈ-তিনিচুকীয়াত অনুষ্ঠিত হোৱা গ্ৰন্থমেলালৈ অপেক্ষা কৰি থাকিব লাগিব। আজি-কালি কিছুমান কিতাপ অনলাইনত অৰ্ডাৰ কৰি আনিব পাৰি। কিন্তু কোনখন কিতাপৰ মানদণ্ড আৰু বিষয়বস্তু কেনেকুৱা, সেই কথা কেনেকৈ জানিব?



আগতে অসমীয়া ভাষাৰ কোনোবা এখন কিতাপ প্ৰকাশ পালে, তাৰ বিজ্ঞাপন ওলাইছিল, কিতাপখনৰ বিষয়ে বিভিন্ন সমালোচনা, বিভিন্ন আলোচনী আৰু বাতৰি কাকতত প্ৰকাশিত হৈছিল। গতিকে সেইবোৰ পঢ়িও পাঠকে কিতাপৰ নিৰ্বাচন কৰিব পাৰিছিল। কিন্তু এতিয়া অসমীয়া কিতাপৰ সমালোচনা মূলক লেখা সততে চকুত নপৰে। ইংৰাজী কিতাপ কিনাত সেই অসুবিধাটো নাই বুলিয়েই ক'ব পাৰি।

অসমৰ বাহিৰলৈ গ'লে, মই সদায় পদপথৰ দোকানৰ পৰা পুৰণি ইংৰাজী কিতাপৰ টোপোলা এটা কিনি আনো। অসমীয়া কিতাপৰ তেনেকুৱা ব্যৱস্থা এটাৰ বৰ অভাৱ। আগতে গুৱাহাটীৰ পানবজাৰত তেনেকুৱা পুৰণি কিতাপৰ বিপণী এখন আছিল। এতিয়া আছেনে নাই নাজানো। কলকাতাৰ 'কলেজ ষ্ট্ৰীটত পুৰণি কিতাপৰ দোকান অসংখ্য। সেইবোৰত ইংৰাজী, বাংলা আৰু হিন্দী ভাষাৰ বহু আপুৰুগীয়া কিতাপ সামান্য ধন ব্যয় কৰিয়েই কিনিব পাৰি। মুম্বাইৰ CST Railway Station ৰ সন্মুখত থকা উদ্যানখনত কিতাপৰ মুকলি বজাৰ বহে। তাতো নতুন -পুৰণি বহু কিতাপৰ সমাহাৰ ঘটে। সেইবোৰ পাঠকৰ পীঠস্থান।

কৈ আছিলোঁ কিতাপ পঢ়াৰ আনন্দৰ বিষয়ে। পিছে লিখাৰ বিষয়বস্তু কোনোবা ধুবুৰী পালেগৈ। আগতে পাঠক আছিল, গতিকে কিতাপৰ বিপণীও আছিল। আকৌ কিতাপৰ বিপণীবোৰ আছিল বাবেই পাঠকো আছিল। আনহাতে কিতাপৰ বিপণীৰ স্বত্বাধিকাৰী কেইজনো একোজন ভাল পাঠক আছিল। নতুন কিতাপ আহিলেই তেখেত সকলে, "এইখন ভাল কিতাপ আহিছে, পঢ়ি চোৱা" বুলি অনুমোদন জনাব পাৰিছিল। কিতাপখন পঢ়ি উঠাৰ পাছত পঢুৱৈ সকলৰ মাজত কিতাপখনৰ বিষয়ে আলোচনা হৈছিল। বহু সময়ত এনে আলোচনাবোৰৰ আড্ডা, কিতাপৰ বিপণীখনতে জমি উঠিছিল। একোখন কিতাপৰ বিষয়বস্তু, লেখনশৈলী, কিতাপখনত সন্নিৱিষ্ট চৰিত্ৰ সমূহৰ বিশে-ষণ এই আড্ডা সমূহৰ উপজীব্য আছিল। অন্ততঃ এটা কথা নিশ্চিত হৈছিল - কোনোবা এখন কিতাপ পঢ়ি যদি ভাল লাগিল তেন্তে কিয় ভাল লাগিল বা কোনোবা এখন কিতাপ পঢ়ি যদি ভাল নাপালোঁ, কিয় ভাল নাপালোঁ - এই কথাবোৰ পাতিও ভাল লাগিছিল।

মাৰ্ঘেৰিটাত পঢ়া-শুনাৰ বিষয়টো সাংঘাতিক ধৰণে পুতৌলগা ৰূপ লাভ কৰিছে। কিতাপৰ বিপণীতো নায়েই, বাতৰি কাকতৰ এজেন্সীও মাত্ৰ এটাহে। আগতে মাৰ্ঘেৰিটাত বাতৰি কাকতৰ এজেন্সী চাৰিটামান আছিল। এতিয়া এটা - P.C. Book Stall. এই এজেন্সীটোৰ গৰাকী শ্ৰীযুত প্ৰবীৰ ভাগৱতীদেৱৰ মতে দিনে-দিনে বাতৰি কাকতৰ গ্ৰাহকৰ সংখ্যাটো কমিবলৈ আৰম্ভ কৰিছে। এটা সময়ত তেখেতে আটাইকেইটা সংবাদ প্ৰতিষ্ঠানৰ পৰা প্ৰকাশিত বাতৰি কাকতৰ হাজাৰতকৈও অধিক সংখ্যা প্ৰতিদিনে বিপণন কৰিছিল। এতিয়া সেই সংখ্যাটো দুই-আঢ়ৈশত ৰৈছেগৈ। ইফালে ঘৰুৱা বিতৰণৰ বাবে হকাৰৰ সমস্যাটো আছেই। এইবোৰ সমস্যাৰ পৰিপ্ৰেক্ষিততে তেখেতে বাতৰি কাকতৰ ব্যৱসায়টো, মাজে-মাজে "বন্ধ কৰি দিম" বুলি ভাবিব লগীয়া হৈছে। কেনেবাকৈ তেখেতে বাতৰি কাকতৰ বিপণন বন্ধ কৰি দিলে, আমি পঢ়ি ভাল পোৱা কেইজনৰ অৱস্থা কি হ'ব, সেইটো সহজে অনুমেয়!

কিন্তু এতিয়া পাঠকো নাই, সমালোচনাও নাই। কেতিয়াবা উশাহ বন্ধ হৈ যাব খোজে - যেতিয়া এখন ভাল কিতাপ পঢ়ি উঠাৰ পাছত, সেই কিতাপখনৰ বিষয়ে আলোচনা কৰিবলৈ, উপযুক্ত লগ এজন নাপাওঁ। মোৰ প্ৰতিবেশী সীমান্ত মাধৱ কটকীৰ একমাত্ৰ জীয়ৰী শ্ৰীমতী অঙ্গৰিকা (পাখি), দিল্লী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৰ্তমান ঘৰতে আছেহি। তেওঁ কিতাপ পঢ়ে। মাজে-মাজে তেওঁৰ আৰু মোৰ মাজত কিতাপৰ বিনিময় হয়। কেতিয়াবা তেওঁৰ সতে কিতাপৰ বিষয়ে কথা পাতোঁ। মোৰ বৰপুত্ৰ অমনদীপে (আকুল) আগতে কিতাপ বৰকৈ নপঢ়িছিল। মাজতে সি E-book পঢ়া আৰম্ভ কৰিলে। এতিয়া অসমীয়া, ইংৰাজী দুয়োটা ভাষাৰ কিতাপ পঢ়াৰ অভ্যাসটো গঢ় লৈ উঠিছে। সি কেতিয়াও কোনোবা কিতাপ একোখনৰ বিষয়ে মোৰ সতে দূৰাভাষ যোগেই আলোচনা কৰে। পাখি আৰু আকুলৰ পৰাও, মই কিতাপৰ বিষয়ে বহু কথা শিকিছোঁ আৰু জানিছোঁ।

আমি সাহিত্য জগতৰ পণ্ডিত নহয়। আমি সাধাৰণ পঢুৱৈহে। আমি যিহকে পাওঁ, তাকে পঢ়োঁ। ইংৰাজীত এষাৰ কথা আছে - Some books are only to be tasted. Some books are to be swallowed. There are only some books which are to be digested (কিছুমান কিতাপ কেৱল চেলেকিহে চাব লাগে। কিছুমান কিতাপ গিলি পেলাব লাগে। মাত্ৰ কেইখনমান কিতাপহে হজম কৰিব লাগে। )। আমি এই তিনিও শ্ৰেণীৰ কিতাপেই পঢ়োঁ। পঢ়োঁ মাত্ৰ পঢ়ি ভাল পাওঁ বাবেই। দুখৰ বিষয় Facebook ত অসংখ্য Group আছে কিন্তু কোনোটোতে কিতাপৰ বিষয়ে আলোচনা নহয়। কোনোবাই তেনে এটা গোট সৃষ্টি কৰিব নোৱাৰেনে?

# আঘোণৰ পথাৰত দাৱনীৰ ততে নাই গাত

**বেণুৰাম ৰাভা**

সোণোৱালী সেন্দূৰীয়া হৈছে সমগ্ৰ ধাননি পথাৰ। জাকে-জাকে দাৱনীয়ে নামিছে আঘোণী পথাৰত। দাৱনীৰ খৰ্‌খৰ দুহাতৰ কাচিৰ শব্দত মুখৰ চৌদিশ ধাননি পথাৰ। কামৰ মাজে মাজে ৰবাৰ টেঙা, মৌচুমী টেঙা আৰু গৰম গৰম চাহৰ জুতি লোৱাত ব্যস্ত দাৱনী। ভৰ বাৰিষাত বানে জুৰুলা কৰি তোলা শাওন আহাৰত বোকা পানীৰ সৈতে লুতুৰি পুতুৰি হৈ কষ্টৰ অন্তত আঘোণত সোণগুটিৰে ভঁড়াল চহকী হোৱাৰ আনন্দত দেহ - মন নাচি উঠে হাজাৰ জনৰ কৃষকৰ মন। চৌদিশে আঘোণৰ পথাৰ জীপাল হৈ পৰে কৃষক আৰু দাৱনীৰ দুহাতৰ খৰ খৰ কাচিৰ ছন্দই। তাতে আকৌ ৰবাৰ টেঙা মৌচুমী টেঙাৰ সোৱাদে দাৱনীক অনাবিল আনন্দ আনি দিয়ে। হাজাৰ কষ্ট ভাগৰো নিমিষতে নোহোৱা কৰে এই ৰবাৰ টেঙা, মৌচুমী টেঙাৰ সোৱাদে। আঘোণ মানে ৰবাৰ টেঙা, মৌচুমী টেঙা আৰু দাৱনীৰ দুহাতৰ খৰ্‌খৰ কাচিৰ এক সমুধৰ ছন্দ। ৰবাৰ টেঙাৰ জুতিৰ অবিহনে আঘোণ যেন আধুৰুৱা।

হালধীয়া আঘোণৰ পথাৰত ভৰ দুপৰীয়াৰ ৰ'দত বহি কৃষক আৰু দানৱীয়ে আনন্দৰে পুৰা মাছৰ জুতিৰে এখাজ ভাত খোৱাৰ তৃপ্তিয়ে দেহ মন জুৰ পেলায়। ইয়াৰ উপৰি মাজে মাজে সময় উলিয়াই ৰবাৰ টেঙাৰ সোৱাদ লবলৈও নাপাহৰে আঘোণৰ দাৱনীয়ে। ৰবাৰ টেঙা অতি উৎকৃষ্ট মানৰ সুস্বাদু ৰসাল ফল হোৱাৰ উপৰিও বহু বেমাৰ আজাৰৰ পৰাও ৰক্ষা পোৱা যায় বুলি সৰ্বজনবিদিত।

আঘোণ বুলিলে গাওঁৰ সমাজত ব্যস্তাৰে ভৰিপৰে কৃষক ৰাইজৰ। খেতিয়কৰ বাবে আঘোণ এটি মাহে নহয়, আঘোণ কৃষকৰ জীৱনৰ আয়ুৰেখা স্বৰূপ। হেজাৰ কৃষকৰ মনত হাহি বিৰিঙাই। যাৰ বাবে কৃষকে ভৰ বাৰিষাত বোকা পানী গচকি কষ্ট কৰিছিল আঘোণ অহাৰ বাবে। আঘোণৰ এক নিজা বৈশিষ্ট্য আৰু নিজা মহিমাৰ বাবে হেজাৰ বিজাৰ কৃষকৰ




মুখত হাহি আৰু আনন্দ আনি দিব পাৰে। এই আঘোণৰ বতৰাই গ্ৰাম্য সমাজৰ প্ৰতিজন কৃষকৰ মনলৈ সুখ- সমৃদ্ধি আৰু আশাৰ বতৰা কঢ়িয়াই আনে। আঘোণৰ বতৰতে পথাৰ সোণসেৰীয়া পকা ধানেৰে উপচি পৰে। ৰাতিখন নুপুৱাওতে দাৱনীয়ে ভাত ৰন্ধা বঢ়া কৰি পথাৰত নিবৰ বাবে প্ৰয়োজনীয় সকলো জা যোগাৰ কৰি সূৰ্য্য উদয়ৰ লগে লগে জাকে-জাকে দাৱনীয়ে কাচি হাতলৈ আগোণৰ পথাৰত নামে। আঘোণ মানে কৃষিজীৱি গ্ৰাম্য সমাজত ব্যস্তাৰ সীমা নাই সেইবাবেই আঘোণ অনন্য মাহতকৈ সুকীয়া। আঘোণ বুলিলে নিয়ৰৰ ভিজা ভিজা শেৱালী ফুলেৰে উপচি পৰা সেউজীয়া দুবৰিৰ দলিচা। আঘোণৰ সেন্দূৰীয়া শস্যভূমিৰ সোণোৱালী ৰূপ সৌন্দৰ্যই গ্ৰাম্য সমাজৰ কৃষকৰ মনত অহৰহ দোলা দি যায়। বহাগৰ বতৰত যিদৰে গছ লতাই পুৰণি পাত সলাই প্ৰকৃতিক ন ৰূপেৰে সজাই তোলে,সোণত সুৱগা চৰাই আৰু ঢোল পেপাৰ গগণাৰ মাতে মানুহৰ দেহ মন পুলকিত কৰি তোলে। একেদৰে আঘোণ অহাৰ লগে লগে কৃষিজীৱি কৃষকৰ দেহ মন ভৰাই তুলি সোণোৱালী ধাননি পথাৰৰ চিত্ৰখনে আমাৰ সকলোৰে মনত দোলা দি যায়। আঘোণৰ অনন্য মহিমা আৰু ৰূপৰ বাবে কৃষিজীৱি সমাজ খন এক অনন্য আশা - সমৃদ্ধি আৰু প্ৰেৰণাৰ জোৱাৰ আনে।

সোণসেৰীয়া সেন্দূৰীয়া আঘোণ বুলিলে পকা ধানৰ মাজে মাজে দাৱনীৰ দুহাতৰ কাচিৰ ছন্দ, আঘোণ বুলি ক'লে গ্ৰাম্য সমাজ জীৱনৰ এক উখল মাখল পৰিৱেশ। শাওন আহাৰত ৰ'দ বৰষুণ এক কৰি খেতি কৰি শীতকালত আজুৰি লোৱা আঘোণৰ সোণগুটিৰ সপোন দেখা কৃষকৰ মনত আনি দিয়ে অনাবিল আনন্দ আৰু মুখৰ হাহি। হেজাৰ বিজাৰ কৃষকৰ দেহ মন হালধীয়া পকা ধানৰ মলমলীয়া সুগন্ধই ভৰ বাৰিষাৰ কষ্ট আৰু বিষাদো হেলাৰঙে নাইকিয়া কৰে আঘোণৰ বতৰাই। আঘোণৰ হালধীয়া পকা ধানে গ্ৰাম্য জীৱনৰ সমাজখনত ব্যস্তাৰে ভৰাই তোলে। পথাৰত দাৱনীয়ে ধান কটাৰ পিছত ধানখিনি ঘৰলৈ চপোৱাৰ দিনকেইতা অতি উলহ মালাৰ সময় আৰু আনন্দময় কৰি তোলে প্ৰতিজন কৃষক ৰাইজক। অতি ব্যস্তাপূৰ্ণ দিন অতি ব্যস্তাপূৰ্ণ সময়। বুঢ়া-বুঢ়ী, ডেকা-ডেকেৰী কাৰো আজুৰি নাথাকে। গাঁৱৰ প্ৰতিঘৰে ঘৰে সকলোৱে নিজ নিজ কামত লাগি ভাগি থাকে একান্তমনে। ঘৰৰ গৃহিণী, জীয়ৰী বোৱাৰীয়ে আঘোণৰ বতৰা পোৱাৰ লগে লগে আগৰ পুৰনা ধানৰ ভঁড়াল খন পুৰণ মাটিৰে মচি ন ৰূপত সজাই তোলে আঘোণৰ সোণগুটি লক্ষ্মীক আদৰিবলৈ।

আঘোণৰ বিশাল গুণ গৰিমাৰ সম্ভাৰ প্ৰকৃতিৰ সৈতে সম্পৰ্কিত। শৰতৰ নিয়ৰত তিতি তিতি আঘোণৰ চেচা বতাহে জুৰ পেলায় কৃষকৰ হৃদয়। আঘোণী পথাৰৰ পকা ধানৰ সুগন্ধই ৰিঙিয়াই মাতে নিয়ৰৰ ছেছা বতাহ জাকে চৌদিশে বিলাই দিয়ে সোণোৱালী ধানৰ সুগন্ধি। ৰূপ গুণৰ বিশাল সম্ভাৰেৰে প্ৰকৃতিয়ে ৰহণ সানি সানি সজাই পৰাই তোলে জগতখনক। আনন্দত মতলীয়া হৈ চৰাই চিৰিকটিৰ বিননিয়ে উখল মাখল কৰি তোলে আঘোণ। জোনাক নিশাৰ অগণণ তৰাৰ তিৰবিৰণী আৰু শৰতৰ নিয়ৰ সনা হয় বতাহে প্লাৱিত কৰে আঘোণৰ সোণোৱালী পথাৰ।

আঘোণৰ আন এক বৈশিষ্ট্য হৈছে ন-খোৱাৰ পৰ্ব। অসমীয়া গ্ৰাম্য সমাজৰ ই এক অনন্য উপাদান আৰু উৎসৱ হিচাপে গণ্য কৰা হয়। অসমীয়া সমাজ জীৱন তথা লোক সমাজৰ আছে এক বিশেষ গুৰুত্ব। আঘোণ সেয়েহে এক অনন্য মহিমাৰ ভৰপূৰ আৰু অসমীয়া সমাজ জীৱনৰ কৃষক ৰাইজৰ প্ৰেৰণাদায়ক মাহ।

# লাচিত বৰফুকন আৰু কিছু কথা

**জুলহাছ আলী আহমেদ**

২৪ নৱেম্বৰ, লাচিত দিৱস। অসমীয়া বীৰ লাচিত বৰফুকনে ঐতিহাসিক শৰাইঘাটৰ ৰণত মোগলৰ বিৰুদ্ধে বীৰ বিক্ৰমেৰে যুঁজি বড় অসমখনক ৰক্ষা কৰাৰ স্মৃতিত প্ৰতিবছৰ ২৪ নৱেম্বৰৰ দিনটোত কেন্দ্ৰীয়ভাৱে 'লাচিত দিৱস' হিচাপে পালন কৰা হয়। ১৬২২ চনৰ ২৪ নৱেম্বৰত জন্মগ্ৰহণ কৰা লাচিত বৰফুকনৰ দেউতাকৰ নামঃ ম'মাই তামুলী। (তেখেত আছিল আহোমৰ লান-ফিমা বংশৰ) ম'মাই তামুলীৰ সপ্তম পুত্ৰ বীৰ লাচিত বৰফুকন প্ৰথমতে ৰজাঘৰীয়া ঘোঁৰা বৰুৱা পদত মকৰল আছিল। এই পদত থাকি তেওঁ অতি তীক্ষ্ণধী, সাহসী, সুদক্ষ, নিৰপেক্ষ আৰু বিচক্ষণতাৰ পৰিচয় দাঙি ধৰিছিল। খুব কম সময়ৰ ভিতৰতে লাচিত বৰফুকনৰ এই দুৰ্দান্ত সাহসিকতাৰ কথা চাওফাৰ বনজুইৰ দৰে বিয়পি পৰিছিল। পৰৱৰ্তী সময়ত আহোম ৰাজ্যৰ সেনাপতিৰ পদত অধিষ্ঠিত হৈ তেওঁ নিখুঁত আৰু নিপুণতাৰ সহিতে সেই গধুৰ দায়িত্বৰ কৰ্তব্য পালন কৰি গৈছিল। লাচিত বৰফুকনৰ নেতৃত্বত চলা ঐতিহাসিক শৰাইঘাট যুদ্ধৰ শেষৰফালে মোগল সেনাপতি ৰামসিংহৰ বিশাল যুদ্ধবাজ সৈন্যবাহিনীৰ সন্মুখত (সংখ্যাত তেনেই কম) আহোম সৈন্যই একপ্ৰকাৰ নিস্তেজ হৈ জঁয়ৰ আশা বাদ দি পিছহুঁহকিবলৈ আৰম্ভ কৰিছিল। যুদ্ধৰ সেই কঠিন আৰু গুৰুত্বপূৰ্ণ সময়ত অতিপাত জ্বৰত ভুগি থকা লাচিত বৰফুকনে নৰিয়া গাৰে এখন নৌকাত উঠি আহি 'শৰীৰত এক বিন্দু তেজ থকালৈকে শত্ৰু পক্ষৰ বিৰুদ্ধে অন্তিমক্ষণলৈকে যুদ্ধ কৰি যাব বুলি নিজৰ দৃঢ় স্থিতিৰ কথা ব্যক্ত কৰে আৰু অধীনস্থ আহোম সৈন্যবাহিনীৰ উদ্দেশ্যি এই বুলি উদাত্ত কণ্ঠে ভাষণ দিয়ে যে 'হে অসমীয়া ৰণুৱাসকল, মই যুঁজিহে মৰিম, নাইবা মোক বঙালে ধৰি লৈ যাওক, তোমালোক সুখেৰে ঘৰলৈ যোৱা'। লাচিত বৰফুকনৰ এই আবেগবিহ্বল কথাখিনিয়ে যেন সৈন্যবাহিনীৰ হৃদয়ত ৰেখাপাত কৰিলে আৰু মনোবল বৃদ্ধি কৰিলে। সেনাপতি বীৰ লাচিত বৰফুকনৰ অন্যতম প্ৰধান সহযোগী বাঘ হাজৰিকা ওৰফে ইছমাইল ছিদ্দিকীৰ চতুৰ বুদ্ধিমত্তা, নিপুণত, নিখুঁত যুদ্ধ কৌশলী আৰু দুৰ্দান্ত সাহসিকতাক বিশ্বাসতলৈ লাচিত বৰফুকনৰ নেতৃত্বত আহোম সৈনিকসকলে দ্বিগুণ উৎসাহ আৰু নতুন উদ্যমেৰে ৰাম সিঙৰ নেতৃত্বত অসম আক্ৰমণ কৰিবলৈ অহা মোগল সৈন্যবাহিনীৰ বিৰুদ্ধে মৰণ পণ যুদ্ধ কৰি অৱশেষত অসমীয়াই বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হয়। অৱশ্যে শৰাইঘাটৰ যুদ্ধৰ পৰিসমাপ্তিৰ পিছতেই অসমৰ বীৰপুৰুষ লাচিত বৰফুকনৰ মৃত্যু হয়। পিছে অসমৰ শৌৰ্য্য-বীৰ্য্য লাচিত বৰফুকনে ইছলাম ধৰ্মী বাঘ হাজৰিকা ওৰফে ইছমাইল ছিদ্দিকীক বিশ্বস্ত সহযোগী হিচাপে লৈ শৰাইঘাটৰ যুদ্ধ জয় কৰা এইখন অসমত আজি কি হ'বলৈ ধৰিছে? কোন দিশে গতি কৰিছে সৰ্ব ধৰ্ম সমন্বয়ৰ ক্ষেত্ৰ অসম? সম্প্ৰতি ধৰ্ম, জাত-পাতৰ ঘৃননীয় ৰাজনীতিয়ে ছানি ধৰিছে শংকৰ-আজানৰ মিলনভূমি অসমক। যিখন অসমত কোচ ৰজা, 'নৰনাৰায়ণে ইছলাম ধৰ্মী লোকক ৰজাঘৰীয়া দৰ্জী নিয়োগ কৰিছিল, যিখন অসমত শংকৰদেৱেৰ দৰে জগত গুৰুজনাই মুছলমানক শিষ্যত্ব প্ৰদান কৰিছিল, আজি সেইখন সমন্বয়, সম্প্ৰীতিৰ পুণ্যময়ী ভূমিত একাংশ হিংসাকুৰীয়া, ঈৰ্ষাপৰায়ণ আৰু সাম্প্ৰদায়িক মতাদৰ্শৰ লোকে হিন্দু-মুছলমানৰ মাজত ঘৃণা, বিদ্বেষ, শত্ৰুতা তথা বিভেদৰ বিষবাষ্প বিয়পাব বিচাৰিছে। বৈচিত্ৰ্যৰ মাজত ঐক্য থকা এইখন সুজলা সুফলা শস্য শ্যামলা শংকৰ-আজানৰ মিলনভূমিত অবিশ্বাসৰ বাতাবৰণ সৃষ্টিৰে পৰস্পৰৰ



মাজত দুৰত্ব বৃদ্ধি কৰিব বিচৰাত উঠি পৰি লাগিছে। অসাম্প্ৰদায়িক মানুহক ধৰ্মীয় ভাৱে আবেগিক আৰু মেৰকণ কৰি দুটা সম্প্ৰদায়ৰ মাজত থকা যাউতিযুগীয়া ভাতৃত্ববোধৰ এনাজৰীডাল থানবান কৰাত হাত উজান দিছে। পিছে যিসকল সাম্প্ৰদায়িক তথা বিভেদকামী শক্তিয়ে আমাৰ শান্তিপূৰ্ণ সহৱস্থানৰ সমাজখনত এনেকুৱা বিভেদ বৈষম্যৰ বীজ সিঁচিব বিচাৰি আছে, সিহঁতে ইতিহাসৰ পৰা শিক্ষা ল'ব লাগে। তদুপৰি একতাৰ শত্ৰুবোৰে এইটোও জানি ৰখা ভাল হ'ব যে একতা, প্ৰেম-ভালপোৱা, মিলাপ্ৰীতি, পাৰস্পৰিক বিশ্বাস, সদ্ভাৱ, সৌহাদ্যপূৰ্ণ সম্পৰ্কত যিমানখিনি সুখ, শান্তি, আনন্দ, অনুভূতি আৰু তৃপ্তি পোৱা যায়, প্ৰকৃতাৰ্থত সেয়া আন কতো পোৱা নাযায়। সেয়ে সমন্বয়ৰ প্ৰতীক লাচিত দিৱসৰ পৱিত্ৰ দিনটোত সকলোৱে উচিত তেখেতৰ স্মৃতি চিৰযুগমীয়া কৰি ৰাখিবলৈ জাতি, ধৰ্ম, বৰ্ণ তথা দল-মত নিৰ্বিশেষে প্ৰত্যেকেই ইৰ্ষা, শত্ৰুতা, ভেদাভেদ, বৈষম্য আদি পাহৰি ৰাম-ৰহিমৰ বাৰেৰহণীয়া ফুলনি বাগিচা সুদৃশ্য সমাজখনৰ একতা, শান্তি আৰু প্ৰগতিৰ স্বাৰ্থত আহোপুৰুষাৰ্থ কৰা উচিত আৰু এয়াই হৈছে সাম্প্ৰতিক সময়ৰ আহ্বান, অন্যথা ইতিহাসে কাকো ক্ষমা নকৰিব।

# জীৱন নদীৰ নেদেখা ঘাট

**উষামণি শইকীয়া**

ঃ হাই বেবী, বুলি অনলে কপালৰ আগত উৰি থকা অসংযত চুলি কেইডাল বাওহাতৰ তৰ্জনী আঙুলিৰে ঠিক কৰি এটি তপত চুমা আঁকিদিলে ওঁঠত। এইবাৰ কঁকালত ধৰি টান মাৰি বুকুৰ মাজত সুমুৱাই ল'লে ৰুহীক। দুষ্ট আঙুলি কেইটাৰে লিৰিকিবিদাৰি অতিষ্ঠ কৰি তুলি চকুলৈ চাই হাঁহি হাঁহি কৈছে- কেনে মজা আৰু জোকাবা মোক? ধেৎ চাওঁ এৰি দিয়া মায়ে মাতি আছে বুলি অনলৰ বাহুবন্ধন পৰা মুক্ত হোৱা অভিনয় কৰিছিল যদিও তেনেকৈ থাকি ভাল লাগিছিল তাইৰ। কাৰণ নাৰীৰ আটাইতকৈ প্ৰিয় স্থানেই হৈছে প্ৰিয় পুৰুষজনৰ উমাল বুকুৰ উষ্ম আলিংগন। এইখিনি সময়েই নাৰীৰ জীৱনৰ পৰা দূৰলৈ দলিয়াই দিয়ে দুখ তাপ জৰা ব্যাধিক। এগৰাকী নাৰীৰ জীৱনৰ আচল সম্পদেই হৈছে স্বামীৰ মৰম বিশ্বাস আৰু ভালপোৱা। অনলে দিয়া গুৰুত্ব মৰম ভালপোৱাৰে তাইয়ো এগৰাকী সুখী আৰু সম্ভ্ৰান্ত নাৰী আছিল। আচলতে সম্ভ্ৰান্ত নাৰী হ'বলৈ জোখতকৈ বেছি ধন ঐশ্বৰ্যৰ প্ৰয়োজন নাই। প্ৰয়োজন কেৱল স্বামীৰ সংগ আৰু আদৰ যত্নৰ হে। যি নাৰীক স্বামীয়ে আদৰ কৰে সন্মান দিয়ে সেই নাৰীয়ে সমাজতো সদায় আগ স্থান পায়। তেনে এগৰাকী নাৰীক সমাজেও মৰ্যাদা দিয়ে। কিন্তু সেই খিনিৰ পৰা আজি আৰোহী বঞ্চিত। দেউতাকৰ হেঁপাহৰ বাগিচাখনৰ একমাত্ৰ ফুলপাহি জকমকাই নৌ ফুলোতেই কলিতেই নিঃশেষ কৰিলে দিলে, যাৰ একমাত্ৰ কেৰুণ তাইৰ নিজ মাতৃ। জীৱন কি... সংসাৰ কি... ভালকৈ বুজি নুঠোঁতেই পুনৰ ঘৰমুৱা হ'ব লগা হ'ল বৰুৱাৰ আজলী কন্যা। আৰোহীয়ে এতিয়াহে ভাবি ভাবি পাৰ নাপায় কিয় যে তাই সেই সময়ত মাকৰ কথাৰ উত্তৰ দিব নোৱাৰিলে নিজাকৈ একো ডিচিশ্যন ল'ব নোৱাৰিলে যাৰ বাবে আজি এই দশা হ'ল তাইৰ। সেই সময়ত নিজৰ মাকক বিশ্বাস কৰি জীৱন নাঁৱৰ বঠাপাট চলোৱাৰ অধিকাৰ দি দিয়াৰ বাবে দুখৰ সাগৰত সাতোৰী সাতোৰী ক্লান্ত হৈ পৰিছে। এতিয়া তাইৰ জীৱনৰ প্ৰতি তাইৰ কোনো মায়া মোহ নোহোৱা হৈ গৈছে।

ধক্‌ধক্ ধক্‌ধক্

ঃ অ মা, মাজনী শুনা চোন....

দুৱাৰখন খোলা। কি হৈছে কোৱা চোন? প্লিজ মাজনী খোলা না। থোকাথুকি থুকি মাতেৰে প্ৰিয়লতা ক'লে।

প্ৰচণ্ড খং আৰু শোকত ৰুহীৰ চিঞৰি চিঞৰি ক'ব মন গৈছিল নামাতিবা তুমি মোক মা। তোমাৰ বাবেই মোৰ জীৱনটো ধ্বংস হৈ গ'ল। মোৰ সপোন, মোৰ আশা-আকাংক্ষাক, মোৰ জীৱনটো ধ্বংস কৰি তুমিটো খুব সুখী। এতিয়া আৰু তোমাক কি লাগে! সকলো শেষ কৰি দিলা মোৰ মা। সকলো শেষ ...



ৰূপলেখাৰ বিয়াৰ পৰা আহি যোৱা কালিৰে পৰাই দৰ্জা মাৰি সোমাই থকা জীয়েকক মাতি মাতি হাইৰান হৈছে প্ৰিয়লতা। ভয়ো খাইছে মনে মনে আকৌবা কি হ'ল? কিবা অঘটন ঘটা নাইতো। সদায়ে হাঁহি থকা আলসুৱা ছোৱালীজনীৰ জীৱনলৈ তেওঁৰ বাবে অমানিশা নামি আহিল সেই য়ালৈ অনুতপ্তও। যিটো ভুল বুজি উঠোঁতেও প্ৰিয়লতাৰ বহু পলম হৈ গ'ল যাৰ শাস্তি গোটেই পৰিয়ালতোৱে ভুগিব লগা হৈছে। যলৈকে যায় সকলোৱেই ৰুহীৰ কথা সুধি সুধি কাণ বিষোৱাই দিয়ে যেন বিয়াৰ পিছত এনেকৈ ঘৰলৈ ঘূৰি অহা একমাত্ৰ ছোৱালী তাইহে। আজিকালি বেছিভাগ মানুহ দেখিলে প্ৰিয়লতাই আঁতৰি থাকিব খোজে। কিমানৰ যে কিমান প্ৰশ্নৰ উত্তৰ দিব আৰু! প্ৰথমতেই মিষ্টাৰ বৰুৱাই কোৱা কথাখিনি যদি তেওঁ মানি ল'লে হয় তেনে আজি এইদিন দেখিব লগা নহ'ল হয়। অৱশ্যে তেওঁ চেষ্টা নকৰাকৈয়ো থকা নাছিল। বহু চেষ্টা কৰিও ৰুহীক দ্বিতীয় বিবাহত বহিবলৈ মান্তি কৰাব নোৱাৰিলে।

আৰোহী বৰুৱা (ঘৰত ৰুহী বুলিও মাতে) মহানগৰীৰ এটি আঢ্যৱন্ত পৰিয়ালৰ একমাত্ৰ কন্যা। সন্দিকৈ মহাবিদ্যালয়ৰ কলা শাখাৰ ছাত্ৰী আছিল। শিক্ষাই দীক্ষাই দেখাই শুনাই কোনো ফালৰ পৰাই কম নহয়। ৰূপ-যৌৱনৰে ভৰপূৰ চঞ্চলা তটিনী আৰোহীক এপলক দেখাৰ মাত্ৰকেই প্ৰেমত পৰি হাবুডুবু খায় বহু পাহোৱাল ডেকাই। বহুতেটো বিবাহৰ প্ৰস্তাৱো আগবঢ়াইছিল। তথাপিও তাইৰ কোনো অহংকাৰ নাই। তেনে এজনী ছোৱালী ভাগ্যৰ ৰোষত বুলিব নে আনৰ প্ৰৰোচনাত পৰিয়েই এনে দুৰ্দশা হ'ল, মুখে-মুখে বাগৰি ফুৰা কথাবোৰ শুনিলে বেয়াই লাগে।

অনল কলিতা আৰু আৰোহী বৰুৱা অমৃত প্ৰিয়াসী চাতক পখী। ওখোৱা মুখোৱা শিলৰ প্ৰাচীৰ ভাঙি সাগৰৰ দিশে ধাৱমান হোৱা যেন দুটি চঞ্চলা পাহাৰীয়া জুৰি। পাঁচ বছৰীয়া গভীৰ প্ৰেমৰ পৰিণতিত বিবাহ। খুবেই সুখী যেন নল দময়ন্তীৰ হে যোৰী। অনল হতৰ ছোৱালী নোহোৱা ঘৰখন তাইৰ আগমনত অধিক প্ৰাণৱন্ত হৈ পৰিছিল। প্ৰথম ছয় মাহ লৈকে ঠিকেই চলি আছিল। সকলোৰে চকুৰ মণি আছিল ৰুহী। অতি মিঠাত পৰুৱা লগা দি লাগিল ৰুহীৰ মাক। আৰোহীয়ে অনলৰ ঘৰখনত সকলোৰে লগত মিলি যোৱাটো তাইৰ মাকে মুঠেই পচন্দ কৰা নাছিল। কাৰণ হ'ল অনলৰ মাক। তেওঁৰ শিক্ষা - দীক্ষা, গুণ-গৰিমা আৰু জ্ঞানৰ বাবে সমাজত সদায়ে আগ স্থান পায় তাকেই লৈ বিয়নীৰ জ্বলন।

পুৱা গধূলি মাকে জীয়েকৰ খবৰ লোৱাৰ অজুহাততেই এসোপামান অলাগতিয়াল কথাৰে আৰোহীৰ কাণ ভৰাই। কোমলমতীয়া আৰোহীৰ মনত মাকৰ চল চাতুৰীবোৰে লাহে লাহে গজালি মেলিব ধৰিলে। আৰু এদিন সেই গজালিয়েই শিপাই খামোচি ধৰিলে সিহঁতৰ সোণৰ সংসাৰ। কথাতেই কয় নহয় ঘঁহি থাকিলে বোলে শিলো ক্ষয় যায়। আৰোহীৰ ক্ষেত্ৰতো তাকেই হ'ল। তাইৰ মাকতকৈও তাইক বেছি মৰম কৰা সাদৰী শাহুৱেকৰ লগত ফেৰ মৰা আৰম্ভ কৰি দিলে। আৰম্ভণিতেই অনলৰ মাকে ৰুহীৰ ব্যৱহাৰত কিছু সলনি হোৱা যেন পাইছিল যদিও পিছলৈ ঠিক হৈ যাব বুলি বিশেষ একো নাভাবিলে। ন ছোৱালী যেতিয়া ঘৰখন আকোৱালি লওঁতে সময় লাগিব বুলি এৰি দিছিল কিছু কথা। আৰু সেই সুবিধা ল'লে প্ৰিয়লতাই। সময়ৰ খেল সময়ত খেলি প্ৰিয়লতাই বিজয়ৰ কুটিল হাঁহি মাৰি যিখন পতাকা উৰুৱাই আনন্দিত হৈছিল সেইখন পতাকাৰ লহৰত সুখ শান্তি হেৰাইছিল তেওঁৰ ঘৰখনৰ।

কাৰোবাক অত্যধিক ভালপোৱাৰ বাবে আমি কেতিয়াবা সুখ পাইছোঁ আকৌ কেতিয়াবা সেই একেইজন ব্যক্তিৰ প্ৰেমত অতিষ্ঠ হৈ কন্দিও পাইছো। সদা ব্যস্ত জীৱনত কেতিয়াবা অশান্তি বোৰক দূৰত ৰাখি নিজৰ সুখ দুখখিনিৰ ভাগ বতৰা কৰিবলৈ বিশেষ ভাবে বাছনি কৰি লোৱা মানুহজনেও যে কেতিয়াবা বিনা কাৰণত আমনি কৰিব সেই কথাটো ভাবিবলৈ অনলে টান পাইছিল। হ'লে কি হ'ব কিছুমান কথাৰ আঁত নথকাৰ দৰে আৰোহীৰ কথাত আঁত হেৰাইছিল। তাই যেন হিংস্ৰক হৈ পৰিছিল শাহুৱেকৰ ওপৰত। কথাতে কয় নহয় এঙাৰক গাখীৰেৰে ধুলেও বগা নোহোৱাৰ দৰেই আৰোহীৰ মনটোক অনলে নিকা কৰিব নোৱাৰিলে। এটা সময়ত আৰোহীয়ে অনলকো মাকৰ কথা কৈ কৈ টানা মাৰিব ধৰিলে। প্ৰথম অৱস্থাত অনলে আৰোহীৰ ভুলক ক্ষমা কৰি দিছিল নতুন ঘৰ এখনত এডযাষ্ট হওঁতে সময় লাগিব বুলিয়েই। আৰু অনলে বুজি পাইছিল, এই আপোন ভোলা ছোৱালীজনীক মাকেই শিকাইছে এইবোৰ কৰিবলৈ। সকলো জানি বুজিও আৰোহীয়ে বেয়া পাব বুলিয়ে অনলৰ আৰোহীৰ মাকৰ ওপৰত আঙুলি উঠাবলৈ মন নগ'ল। যিমান হ'লেও এটা সম্বন্ধ হৈছে সেইখন ঘৰৰ মানুহৰ লগত। এতিয়া সেইখন ঘৰৰ জীৱ -জন্তুৰ তৰু তৃণলৈকে তাৰ আপোন। তেনেস্থলত শাহুমা ... তৌবা তৌবা। সি আৰোহীক একো নোকোৱাত তাই সুবিধা লৈছিলগৈ কিন্তু পিছলৈ সিয়ো অতিস্থ হৈ পৰিছিল। কোনো সুপুত্ৰই মাতৃৰ এনে অপমান সহ্য কৰিব নোৱাৰে। এদিন কিবা এক প্ৰসংগত দুয়োৰে তৰ্কাতৰ্কি লাগি আৰু সেই তৰ্কাতৰ্কিয়ে চৰম সীমা পাৰ কৰিলে। আৰোহীয়ে অনলক নানান কথা শুনালে মাকৰ চামচা বুলিও কৈ উঠিল। খঙৰ ভমকত অনলেও তাইক এক চৰ মাৰি দিলে। আচলতে মাৰো বুলিও মৰা নাছিল কিন্তু কিয় কেনেকৈ হাত উঠিল সিয়ো ধৰিব নোৱাৰিলে। হয়তো নিজৰ জন্মদাত্ৰীৰ নামত অপযশ অহাৰ বাবেই হিতাহিত জ্ঞান হেৰাই গৈছিল তাৰ। প্ৰথম বাৰৰ বাবে আৰোহীৰ গাত হাত উঠাই অনুতপ্ত অনল। পলকতে যে কি হৈ গ'ল সি ধৰিবই নোৱাৰিলে।

অনলে নিজৰ ভুল জানি বুজি স্বীকাৰ কৰি তাইক ক্ষমাও বিচাৰিলে। কিন্তু আৰোহীয়ে কথাটো মানি ল'ব নোৱাৰিলে। আজি চৰ মাৰিছে, কাইলৈ কাটি মাৰি জ্বলাই দিবলৈ কিমানো সময় লাগিব। নাই এনে লোকক কেতিয়াও প্ৰশ্ৰয় দিব নোৱাৰি। প্ৰেমিক স্বামী হ'লেও তেওঁটো মানুহ। ছয় মাহতেই প্ৰেমৰ ভূত আঁতৰি গ'ল পিছলৈ বা আৰু কি হয় কোনে জানে। মুঠতে এই পুৰুষ জাতিটোক বিশ্বাস কৰিব নোৱাৰি, ইমানেই সস্তীয়া প্ৰেম আছিল নেকি? যে অকণমান কথাতেই হাত উঠিব পাৰে। ভুল হৈছে বুজাই দিয়া। কিন্তু হাত উঠোৱাৰ অধিকাৰ কোনে দিলে। মই বৰ্তমানৰ নাৰী। মোৰ গাত হাত উঠিব আৰু মই বিনা প্ৰতিবাদে সহ্য কৰিম তেনেকুৱা হ'বই নোৱাৰে। এদিনটো প্ৰেমৰ আকাশত সপোনৰ চিলা উৰাবলৈ শিকাম বুলি কোৱা মানুহজনে সামান্য এটা কথাত চৰ মাৰি নিজকে পুৰুষ বুলি অহংকাৰ কৰি দেখুৱালে। কোনো সুস্থ মস্তিষ্কৰ ব্যক্তিয়ে নাৰীৰ ওপৰত এনেকুৱা অত্যাচাৰ নকৰে। দৰকাৰ হ'লে অকলে কটাম জীৱনৰ বাট কিন্তু অত্যাচাৰী পুৰুষৰ হাতৰ পুতলা নহওঁ। বকি বকি ভি আই পিত কাপোৰ ভৰাই কাকো নোকোৱাকৈ মাকৰ ঘৰ পালেহি। খং আৰু অভিমানত পৃষ্ঠ হৈ অনলেও তাইক ঘৰৰ পৰা ওলাই যোৱাত অকণমানো বাধা আৰোপ নকৰিলে।

ইফালে মিতিঙৰ পৰা ঘূৰি আহি অনলৰ মাকে বোৱাৰীয়েকে ঘৰ এৰি গুছি যোৱা বুলি গম পাই অনলক হে বহু গালি-গালাজ পাৰিলে। আৰু পুতেকলৈ বাট নাচাই বোৱাৰীয়েকক ঘৰলৈ ঘূৰাই আনিবলৈ বুলি নিজেই উলাই গ'ল।

আৰোহীহঁতৰ ঘৰত গৈ আৰোহীক কাষলৈ মাতি আনি বুজালে -

ঃ চোৱা ৰুহী অনলে তোমাৰ গাত হাত তুলি ভুল কৰিছে। তাক মই যি ক'ব লাগে কৈছোঁ। তোমাৰো ভুল হৈছে মোক নোকোৱাকৈ ঘৰ এৰি গুছি আহিছা। চোৱা মাজনী মই তোমাক নিজৰ ছোৱালী বুলি ভাবো আৰু তেনেকুৱাকৈ মৰম দিওঁ। ইমান দিনে সজাই ৰখা মোৰ উদং বাগিচাখনত জকমকাই ফুলি উঠা তুমি এপাহি সুন্দৰ ফুল যাক মই সযতনে ৰাখিব বিচাৰো, কাৰো চকু নলগাকৈ। পৃথিৱীৰ সকলো স্বামী স্ত্ৰীৰ মাজত এনেকুৱা বহু ঘটনা ঘটি থাকে এইবোৰ তেনেই সাধাৰণ কথা। নাপায় নহয় ঘৰৰ লখিমীয়ে ঘৰ এৰি আহিব। এইখন ঘৰ তোমাৰ আচল ঘৰ নহয়। ব'লা মা মই তোমাক নিবলৈ আহিছো। ভুল সকলো মানুহৰেই হয়। ভুল হৈছে জীৱনৰ এটা পৃষ্ঠা মাথোঁ আৰু সম্পৰ্কবোৰ হ'ল এখন সম্পূৰ্ণ কিতাপ। যাক তুমি আধা পঢ়াকৈ এৰিব নোৱাৰা। কিতাপ খনৰ এটা পৃষ্ঠা কিবা কাৰণত বেয়া হৈছে বুলি জানো গোটেই কিতাপখন বেয়া হ'ব পাৰে। গতিকে এটা "পৃষ্ঠাৰ" কাৰণে গোটেই কিতাপখনকে নেহেৰুৱাবা। ব'লা মাজনী ঘৰলৈ ব'লা।


ইমান পৰে আলেখ-লেখ চাই থকা প্ৰিয়লতাই সুযোগ বুজি বিয়নীয়েক ককৰ্থনা কৰিলে " কি ল'ৰা তুলিছে হে আপুনি, নাৰীক সন্মান কৰিব নাজানে। ইমান যতনেৰে তোলা মোৰ পুতলীৰ গাত হাত উঠোৱাৰ সাহস ক'ত পালে। মানি লৈছো তেওঁৰ খং উঠিছে, বাৰু, তাইৰে ভুল হৈছে সেই বুলিয়েই তো এনেকুৱা অত্যাচাৰ কৰিব লাগে নেকি? পত্নী হ'লেও তাই এগৰাকী নাৰী আৰু নাৰীৰ গাত হাত দি নিজকে বৰমতা বুলি ভবাটো আচলতে কাপুৰুষৰ হে লক্ষণ। পুত্ৰক সংস্কাৰ কি শিকাব নোৱাৰিলে। আমি ভদ্ৰ মানুহ, এইবোৰ কথা ওচৰ চুবুৰীয়াৰ কাণত পৰিলে মান সন্মান শেষ হৈ যাব। এটা কথা মনত ৰাখিব সভাই সমিতিয়ে গলা ফুলাই বৰ বৰ ভাষণ দিলেই মানুহ মহান হৈ নাযায়। যি মানুহে নিজৰ সন্তানক মানৱীয় গুণৰ শিক্ষা দিব নোৱাৰিলে, নাৰীক মৰ্যাদা দিব নোৱাৰিলে সেই মানুহে সমাজৰ কি সংস্কাৰ সাধন কৰিব বুজা গৈছে। আজি এনেদৰে হাত তুলি তাইৰ স্বাভিমানত আঘাত হানিছে কাইলৈ যৌতুক বিচাৰি, ফ্লেট মাটি বিচাৰি, চৰিত্ৰত অপবাদ সানি জ্বলাই দিব। তেতিয়া অকল মোৰ হে বুকু সুদা হ'ব আপোনাৰ একো ক্ষতি নহয় ন। এগৰাকী কন্যাৰ মাতৃ হোৱাৰ বেদনা আপুনি কি বুজি পাব? মোৰ ছোৱালী কাৰো পুতৌ পাত্ৰ হ'ব নোৱাৰে। মই আইনী ব্যৱস্থা লোৱাৰ আগতেই গুছি যাওক ইয়াৰ পৰা। আমাৰ এই বিশাল সম্পত্তিৰ একমাত্ৰ অধিকাৰি তাই, আপোনাৰ ল'ৰাই নুখুৱালেও আজীৱন তাই কাৰো ওচৰত হাত নপতাকৈ সুখত থাকিব পাৰিব। যাওক যাওক এতিয়াই ওলাই যাওক, ভুৱা সমাজ সেৱক হ'বলৈ নাহিব। নিজ সন্তানক শিষ্টাচাৰ শিকাব নোৱাৰে আৰু বেলেগক শিক্ষা দিব আহে। যাওক... যাওক, উকিলৰ লগত কথা পাতক। বাকী একো নুশুনো মই। সুবিধা বুজিয়ে প্ৰিয়লতা ইমান দিনে মনৰ মাজত পুহি ৰখা ভৰাস বাহিৰ কৰি দি কিছু শান্তি পালে।

ইমান পৰে বিয়নীয়েকৰ ককৰ্থনা শুনি অনলৰ মাক মণিমালা কলিতাৰ বুজিবলৈ বাকী নাথাকিল যে সামাজিক ভাবে ল'ব নোৱাৰা প্ৰতিশোধৰ চিকাৰ হ'ল তেওঁৰ পুত্ৰ-বোৱাৰী। কেনে আচৰিত মাতৃ, প্ৰতিশোধ পুৰণৰ লালসাত পাহৰি গ'ল নিজৰ কন্যাৰ ভৱিষ্যত। ৰুহীৰ কাৰুণ্যৰে মুখখনলৈ চাই অনলৰ মাকে বুজি পাইছিল যে মাকৰ আগত তাই বৰ অসহায় বোধ কৰিছে যদিও একো প্ৰতিবাদ নকৰিলে। নুসুনিব লগীয়া বহু কথাই নীৰৱে হজম কৰি মণিমালা ঘৰলৈ গুছি আহিল। ৰুহীয়ে পিছৰ পৰা মা মা বুলি মাতি আহিব খুজিছিল যদিও ৰুহীৰ মাকে ৰুহীৰ হাতখনত খামোচ মাৰি ধৰি ৰখাৰ বাবে তাই ইচ্ছা কৰিও শাহুৱেকৰ লগত আপোন ঘৰখনলৈ ঘূৰি আহিব নোৱাৰিলে।

ইফালে অনলেও ৰুহীহতৰ ঘৰত মাকক কৰা অপমানৰ বাবে তাইক কেতিয়াও ঘৰলৈ ঘূৰাই আনিবলৈ নোযোৱাৰ চৰম সিদ্ধান্ত লৈ পেলালে আৰু কৈ উঠিল ঃ নিজেই যদি আহে আহক নহ'লে মই আজীৱন এনেকৈয়ে থাকিম মোৰ মাক সংস্কাৰ শিকোৱাতকৈ জীয়েকক যদি সহনশীল আৰু সংস্কাৰী কৰিলে হয় তেনেহ'লে এনে দশা কেতিয়াও নহ'লে হয়।

অনলৰ মাকে এইকথাত আপত্তি কৰিছিল মানুহে শুনিলে কি ক'ব বুলি যদিও তাক মান্তি কৰাব নোৱাৰিলে।

এনেকৈয়ে এদিন দুদিন কৰি মাহ বাগৰি এই কাহিনীয়ে চাৰি বছৰ অতিক্ৰম কৰিলে। অনল আৰু আৰোহীৰ কোনো এজনেও নিজৰ অভিমানৰ আগত স্বাভিমানক হাৰিবলৈ নিদিলে। আজি যেতিয়াই ৰূপলেখাৰ ঘৰত বিয়া খাবলৈ আহি লগৰ বান্ধৱীবোৰৰ স্বামী ল'ৰা ছোৱালীৰে সৈতে এখন সুখী সংসাৰ দেখিলে চাটকৈ নিজৰ কথা মনলৈ আহি মনে মনে ভাগি পৰিছে ৰুহী। পাহি আৰু চুমিৰ কথাই তাইক নিজৰ বিষয়ে ভাবিবলৈ বাধ্য কৰাই দিলে যিটো কথা তাই কল্পনাও কৰা নাছিল। সঁচাই একাকিত্বতও যেন অভিশাপ। যি শাপক নিজ হাতেৰেই প্ৰতিপালন কৰি আছে। উফ পাহিয়ে কোৱা কথাষাৰে কিয় বাৰু ৰুহীৰ বুকুত শেলে বিন্ধা দি বিন্ধিছে। সঁচাই নেকি অনলে তাইক পাহৰি গৈছে আৰু দ্বিতীয় বিবাহত বহিব উলাইছে। যদি সঁচাই হয়। তেনেহ'লে তাইৰ কি হ'ব? তাইচোন আজিও কাকো অনল স্থান দিব নোৱাৰিলে গতিকে অনলে কেনেকৈ পাৰিছে কথাষাৰ ভাবিয়েই তাইৰ গোটেই গাতো খং আৰু অভিমানত থৰথৰকৈ কঁপিব ধৰিছে। ডিচেম্বৰ মাহৰ প্ৰচণ্ড ঠাণ্ডাতো ৰুহীৰ কপালৰ আগেৰে ঘাম বৈ আহিল। নাই নাই এইটো কথা কেতিয়াও হ'ব নোৱাৰে। মানে তাই হ'বলৈ নিদিয়ে। তাই ইয়াৰ প্ৰতিবাদ কৰিব। পৃথিৱীখনত ইমান মানুহ থকাৰ পিছতো যে তাই অকলশৰীয়া হৈ জীৱন কটাব লগা হৈছে সেইটো কোনে বুজিছে। বিবাহ কেৱল শাৰীৰিক চাহিদা পুৰণৰ বাবেই কৰা হয় নেকি? বিবাহে দুটা জীৱন এক কৰে হয় কিন্তু এই দুটা জীৱনৰ দুয়োখন ঘৰৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সংস্কৃতি আৰু সংস্কাৰক, বিচাৰ-ধাৰা আৰু চিন্তা চৰ্চাক একলগ কৰে। তেনেহ'লে অনলে ৰুহীৰ ঘৰখনৰ মৰ্যাদা হানি কৰা কৰ্ম কেতিয়াও কৰিব নোৱাৰে। তাই অনলক লগ ধৰিব। ক'ব তাইৰ অনুমতি নোলোৱাকৈ বিয়া পাতিব নোৱাৰিব এতিয়াও যিহেতু সিহঁতৰ ডিভৰ্চ হোৱা নাই। প্ৰেমৰ পৰিণাম নিবিচৰাকৈ তুমি মোৰ বুলি ক'ব পৰা সম্পৰ্ক এটা গঢ়ি উঠাৰ আগতে ভাঙি চিঙি চূৰমাৰ হৈ গ'ল হৃদয় নামৰ নিমাত যন্ত্ৰটো। অত বছৰৰ প্ৰেম থকাৰ পিছতো এই ভৰযৌৱনত একাকি হৈ নিশব্দে নিমাতে উজাগৰী নিশা কটোৱা কিমান টান সেইয়া কোনে বুজিব। কিবা এটা মনৰ কথা পাতিবলৈও কোনো এজন বিশ্বাসী সংগ নাই। সুখ দুখ হাঁহি কান্দোঁন কাৰ লগত ভাগ বতৰা কৰিব। কিমানযে কথা বৰফ হৈ ৰৈ গৈছে, কিমান যে সপোনে নিশাৰ ঘন অন্ধকাৰত বাট হেৰুৱাইছে সেয়া অনলে উপলব্ধিও কৰিব নোৱাৰে। প্ৰেমিক স্বামীৰ আগত অকণ অভিমান কিয় কৰিলে তাৰ বাবে তেওঁ এনেদৰেই পাহৰি আকৌ এখন সংসাৰ কৰিব ওলাইছে! কিয় অনলৰ দৰে নিজক সলাব নোৱাৰিলে? কিয় মাকে ইমান বাৰ কোৱাৰ পিছতো কবীৰ কাকতিৰ লগত বিয়াত বহিব নোৱাৰিলে? তাইৰ বাবে যিকোনো কাম কৰিবলৈ প্ৰস্তুত হৈ থকা অসীম কুমাৰৰ চকুত কেৱল তাইৰ নামত থকা সা-সম্পত্তি প্ৰতি লোভ কিয় দেখা পালে? আৰু অনল, অনলে সা - সম্পত্তি নিবিচাৰিলে ঠিকেই আছে কিন্তু তাৰ বিনিময়ত প্ৰতাৰণা হে তাইক উপহাৰ দিলে। অনলৰ ভুৱা প্ৰেমক চিনিব নোৱাৰি পোৱা কষ্টৰ বাবে ৰুহীৰ নিজৰ চুলিকে টানি আজুৰি চিঙিব মন যায় কেতিয়াবা। এই কথাই কথা নহয়, প্ৰাপ্য বিচাৰিলে পোৱা নাযায় ইয়াক আজুৰি আনিব লাগিব। আনলৈ ভৰসা কৰাৰ বাবে আজি মোৰ এই অৱস্থা। জীৱনত এইটো ডাঙৰ ভুল হৈ গ'ল নিজৰ জীৱনৰ সিদ্ধান্তক আনৰ হাতত তুলি দিয়াৰ বাবে এতিয়া আৰু সেই ভুল নকৰো। সকলোকে সকলো সময়তে অন্ধভাবে বিশ্বাস কৰাটো এক অপৰাধ কাৰণ যাৰ শাস্তি আজি মই ভোগী আছো সেইয়া লাগিলে আপোন মাতৃয়েই হওক। কাইলৈ পুৱাই ইয়াৰ উচিত ব্যৱস্থা লম। দেখা যাওক কৰ পানী ক'লৈ যায়।



সঁচাকৈয়ে ৰূপলেখাৰ বিয়াত পুৰণি বান্ধৱীবোৰক পাই হে ৰুহীয়ে কোনোদিনে দিঠকত কিয় সপোনতো নভবা ঘটনা এটা ঘটি গ'ল বুলি বুজি পালে। তাই বুজি উঠিছিল এই চাৰি বছৰে অজগৰ হেন নিশাবোৰে তাইক মেৰিয়াই মেৰিয়াই বিষালি কৰি তুলিছে। কংক্ৰিটৰ মহানগৰীৰ ক্ৰন্দসী নিশাত বিশাল বিছনাখনৰ এটা চুকত কুছিমুচিহৈ অকলশৰীয়াকৈ কেনেকৈ জীৱন কটাইছে সেইয়া একমাত্ৰ তাইহে জানে। কাৰো আগত ক'ব নোৱাৰা দুখবোৰ, বেদনাবোৰ নীৰৱেই বুকুত সাঁচি থৈ মুখত এটি কৃত্ৰিম হাঁহি পিন্ধি মানুহৰ আগত যে সুখী হোৱাৰ অভিনয় কৰিব লগা হৈছে সেয়া জানো কোনোবাই অনুভৱ কৰিব পাৰিছে। প্ৰয়োজনত ভাল কি বেয়া কি কোনটো কৰিব লাগে কোনটো নালাগে সেই শিক্ষা তাইক অনলেই দিছিল কিন্তু তাই এতিয়া সম্পূৰ্ণ অকলশৰীয়া। তাইৰ মনোবেদনা মাকে জানো বুজি পাইছে। তেওঁ নিজৰ ঘৰত নিজৰ সংসাৰলৈ হে ব্যস্ত জীয়েকৰ জীৱনক লৈ মুঠেও চিন্তিত নহয়। নহ'লেনো অত বছৰৰ পিছতো মাকে অনলক ক্ষমা কৰিব পৰা নাই কাৰণ অনলৰ মাকতকৈ তাইৰ মাকৰ সন্মান আজিও সামাজিক ভাবে কম। বাঢ়িবই বা কেনেকৈ ইয়াৰ অন্য এটা প্ৰধান কাৰণ হ'ল বিয়া দি উলিয়াই দিয়া ছোৱালীক পুনৰ ঘূৰাই আনি ঘৰত ৰখাতো। মাকে কিয় আজিও বুজি পোৱা নাই যে এজনী বিবাহিতা নাৰী মনেৰে যিমানেই কঠোৰ নহওক কিয় নিসংগ হৈ জীৱন কটোৱাতো অসম্ভৱ কথা। যলৈকে যায় সকলোৱেই কেৱল পুতৌৰ দৃষ্টিৰেহে চাই যেন তাইয়েই পৃথিৱীৰ একমাত্ৰ ছোৱালী যি এনেভুল প্ৰথমবাৰৰ বাবে কৰিছে। বাটে ঘাতে তাইলৈ দৃষ্টি স্থিৰ কৰা ঘোপা চকুবোৰ আৰু সাপৰ দৰে কৰা ফুচফুচনিয়ে তাইক যেন পলাবলৈ বাধ্য কৰি তোলে। নাই নাই মাছ ধৰিব নোৱাৰিলেও তাই এইবাৰ পানী ঘোলা কৰি হে এৰিব। অনলক দেখুৱাই দিব, যে তায়ো পাৰে উচিত প্ৰত্যুত্তৰ দিব। তাৰ দৰে এজন ভণ্ড প্ৰেমিক স্বামীৰ সংগত থকাত কৈ অকলেই থকাই উপযুক্ত হ'ব তাইৰ বাবে।

সেউজীয়া পৃথিৱীত প্ৰেমো সেউজীয়া। সেউজ প্ৰেমৰ সুগন্ধিয়ে আচ্ছন্ন কৰি ৰখা ৰুহীয়ে আৰু একোৱেই ধৰি ৰাখিব নোৱাৰিলে। সমাজ অন্য পুৰুষ কিম্বা নাৰীৰ দৰে তাই পৰকীয়াত লিপ্ত হ'ব নোৱাৰে। পৰকীয়া মানেই দেহজ লালসা। যিয়েই নিজৰ প্ৰথমটো সম্পৰ্কক, স্বামীক অথবা পত্নীক প্ৰতাৰণা কৰি দ্বিতীয়জনক বিচাৰি তেওঁ সেই দ্বিতীয় পক্ষক প্ৰতাৰণা নকৰিব তাৰ কি মানে আছে। ক্ষন্তেকীয়া আকৰ্ষণে জীৱনৰ বাবে শান্তি দান কৰিব পাৰে সুখ নহয়। গতিকে আজি তাই নিজৰ জীৱনৰ বিচাৰ নিজেই কৰিব। প্ৰিয়লতাৰ গৰ্বক ভৰিৰে মুহাৰি গেট খুলি দপদপাই সোমাই আহিল সেইখন ঘৰলৈ যিখন ঘৰলৈ এদিন লাহে লাহে, মনত অজান ভয় আৰু সংকোচৰে আহিছিল। আজি তাইৰ চকুত সেই শংকাৰ পৰিবৰ্তে যেন জুই হে বৰষিছে। ইফালে গেটৰ সমুখত ৰুহীক দেখি ওপৰৰ পৰা নামি আহিল মণিমালা কলিতা। ৰুহীক দেখি স্বাভাৱিকতে উৎফুল্ল হৈছে শাহুৱেক হিচাপে। তেওঁ মাত দিয়াৰ আগতেই ৰুহীয়ে ড্ৰয়িং ৰুম সোমায়েই চিঞৰি চিঞৰি মাতিবলৈ ধৰিলে মি. অনল .... মি.. অনল কলিতা। ক'ত আছে।

ঃ শাহুৱেক মণিমালা সুধিলে কি হৈ ৰুহী মোক কোৱা চোন, কিয় ইমান চিঞৰিছা।

ঃ চিঞৰিছো মানে ... মই, মই কিয় নিচিঞৰিম মা। আপোনালোকে ক'ত সাহস পালে হা। মোৰ সতে বিবাহ বিচ্ছেদ নোহোৱাকৈ তাৰ দ্বিতীয় বিয়া পাতিবলৈ। ইমান দিনে একো নোকোৱাকৈ আছিলো কিন্তু এতিয়া আৰু এনেকৈ নহ'ব। দৰকাৰ হ'লে মই কৰ্টত যাম। পলিগেমীৰ আণ্ডাৰত কেছ কৰিম, চাই লম কোনে কি কৰে। তথাপিও এই বিয়া হ'বলৈ নোৱাৰে, নিদিও। ক'ত আছে আপোনাৰ পুতেক মাতক এতিয়াই। ময়ো চাই লম কেনেকৈ এই বিয়া হয়। মই এতিয়াও মৰা নাই। শেষলৈ ৰুহীৰ মাতটো থোকাথুকি হৈ পৰিল। প্ৰথম অৱস্থাত শাহুৱেক মণিমালাই এইবোৰ কি হৈছে ধৰিব পৰা নাছিল। কিন্তু ৰুহীক কন্দাকটা কৰা দেখিহে কিবা এটা ভুল বুজা বুজি যে হৈ বুজি পাইছে আৰু তাইক শান্ত কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। ইতিমধ্যেই অনলো আহি সেইখিনি পাইছিল হে মাত্ৰ। ৰুহী একপ্ৰকাৰৰ জাপ মাৰি যোৱা দি গৈ অনলৰ চাৰ্টত খামুচি ধৰি জোকাৰি পেলালে আৰু কান্দি কান্দি ক'লে মই থাকোঁতেই অন্য এজনীক বিয়া পাতিবলৈ ক'ত সাহস পালা হা! কোন আহে ময়ো চাই ল'ম! তাইক মই খুন কৰি দিম! চাল্লা মোক চিনি পোৱা নাই? তুমি ইমান স্বাৰ্থপৰ কেনেকৈ হ'লা হা? মোৰ কথা এবাৰো নাভাবিলা? চিধাই অন্য এজনী লগা হ'ল! বাহ ৰে বাহ... অনল কলিতা তোমাৰ প্ৰেম মানিব লাগিব। মোৰ লগত এই ব্যৱহাৰ কৰি অন্য এজনীক সুখী কৰিব পাৰিম বুলি কেনেকৈ ভাবিলা হা। পাহিয়ে মোক ঠিকেই কৈছে পুৰুষ জাতটোক চিনা বৰ কঠিন। তোক পাহৰি অন্য এজনীক আপোন কৰিবলৈ কণমানো সময় নালাগে, আৰু মই, মই তুমি আহিবা আহিবা বুলি সদায়ে অপেক্ষা কৰি থাকিলোঁ আৰু তুমি কি কৰিছা, আনৰ কাষত সুখ বিচাৰি গৈছা হা। তুমি ভণ্ড, প্ৰতাৰক পুৰুষ। ছিঃ আৰু কোনো নাৰীয়ে কেতিয়াও কোনো পুৰুষৰ প্ৰেমক বিশ্বাস নকৰিব তোমালোকৰ দৰে মানুহৰ বাবেই। কৈ কৈ চুফাখন বহি পৰিল ৰুহী। ইমান পৰে অনলৰ মাক আৰু অনলে কি হৈছে ধৰিবই পৰা নাছিল, ৰুহীয়ে কি বকি আছে। পাহিৰ নামটো লোৱাত হে বুজি পালে অনলে, এয়া পাহিহঁতৰে কাম, তাক আৰু ৰুহী এক কৰাৰ শেষ প্ৰচেষ্টা। নাকৰ পানী, চকুৰ পানীৰে একাকাৰ হোৱা ৰুহীৰ মুখখন দেখি অনলৰ দুখ লাগিল যদিও স্বাভাৱিকতেই ইগৰ বাবে মৌন হৈ চাই ৰ'ল। কিন্তু মণিমালাই ইমান সময়ে অবাক হৈ চাই আছিল যদিও এইবাৰ কাষলৈ আহি তাইৰ কপালত চুমা এটা খাই সাবতি ধৰিলে। চকুৰ পানীখিনি চাদৰৰ আঁচলৰে মচি দি ভিতৰলৈ লৈ গৈ ক'লে চাও পানী অকণ খাই লোৱা মাজনী। তোমাক কোনে ক'লে এই মিছা কথাবোৰ অনলৰ বিয়া পতা বুলি আৰু যিজনে কলে তেওঁক অনেক ধন্যবাদ। যি হওক, তেওঁৰ বাবে মোৰ ঘৰৰ লখিমী ঘৰলৈ ঘূৰি আহিল।

---

# ৰুম্ মেট



**আল্পনা দলে**

প্ৰকৃততে, এগৰাকী মাকে হে বুজি পায় সন্তানক আঁতৰত ৰাখি মনত কিমানবোৰ যে চিন্তাৰ বোজা কঢ়িয়াই লৈ তেওঁ সময় অতিবাহিত কৰিবলগীয়া হয়! মাকৰ সমান্তৰালকৈ দেউতাকেও কমখন ত্যাগ স্বীকাৰ কাৰব লগীয়া হয়নে! নিজে নাখাই হ'লেও সন্তানক খুৱাই- বুৱাই ডাঙৰ-দীঘল কৰাটো প্ৰত্যেক পিতৃ-মাতৃৰ কাৰণেই সৰ্বোপৰি দায়িত্ব হৈ পৰে। কি খাইছে, কি কৰিছে, কেনেকৈবা আছে, অসুখ বিসুখয়েই হৈছে নেকি, ভাল খবৰেই আহিবনে, কিবা অসুবিধাই হৈছেনে কি, ইত্যাদিবোৰকে লৈ কিমান যে চিন্তা-ভাৱনা!



সেইবোৰকে ভাবি থাকোঁতে জীয়েক লীজাই এদিন ৰাতিপুৱাই ফোন কৰিলে —"অ' হেৰি নহয় মা, মোৰ ৰোমটো সলাব বিচাৰিছোঁ। মোৰ ৰুম্ মেট জনীয়ে বৰ অসুবিধা দি আছে। তাই সদায় বহুত ৰাতিলৈ লাইট জ্বলাই পঢ়ি থাকে, আৰু পুৱা বহুত পলমকৈ উঠে। তুমিটো জানাই মোৰ ৰাতি দেৰিকৈ পঢ়াৰ অভ্যাস নাই। ইফালে তাইৰ কাৰণে লাইটৰ পোহৰত সোনকালে শুৱও নোৱাৰোঁ। সেয়ে পুৱা সোনকালে উঠি মোৰ পঢ়াও নহয়। মুঠতে, তাইৰ লগত কোনোপধ্যে খাপ খাব পৰা নাই। কি কৰোঁ মা!" মাকে ক'লে—"হ'ব বাৰু, সেইটো দেখা যাব। এতিয়া এতিয়া ফোনটো কাট, মই ভাবি চিন্তি কাইলৈ তোক জনাম।"

পিছদিনা মাকে ফোন কৰি ক'লে— "হেল্ল লীজা, আচলতে কি জান! ৰুমটো সলালেই তোৰ এই সমস্যাটোৰ সমাধান নহয়! ৰুমটো সলোৱাৰ কথাটো সেয়েহে তই সদ্যহতে মূৰৰ পৰা আঁতৰাই থ। ইমান চেণ্টিমেণ্টেল হ'লে ক'তোৱেই টিকিব নোৱাৰিবি। দুয়ো জনীয়ে বাই-ভনীৰ দৰে মিলিজুলি থাকিব লাগিব। ইজনীয়ে সিজনীক বুজি পাব লাগিব। তই ৰুম্ মেট জনীক তোৰ অসুবিধাটোৰ কথা জনাই দে। তেতিয়া ৰুম্ মেটজনীয়ে অসুবিধাটো বুজি হয়তো কিবা এটা সমাধান কৰিব। কিমান ক'লোঁ, কলেজৰ হোষ্টেলত থাকিবলৈ, নাই মোৰ কথা একেবাৰেই নুশুনিলি। তোৰ এই দুৰৱস্থা হ'ব বুলি মই জানিছিলোৱেই। এতিয়া মজা পাই থাক।" খংঙতে মাকে ক'লে, ফোনটো কাটিছোঁ

পিছদিনা জীয়েক লীজাই ফোন কৰি ক'লে—"আৰে মা! তুমি যিদৰে ভাবিছা তেনে নহয়। মই ক'লেই তাই মোৰ কথা মানি নলয়, মই জানো।"

মাকে ক'লে — "লয় নলয় পিছত দেখা যাব। তই ক'ব নোৱাৰ যদি ময়েই তেওঁৰ সৈতে কথা পাতিম। মোক ফোনটো লগাই দিবি। আমিও হোষ্টেলত থাকি পঢ়িছিলোঁ। আমাৰ ৰুমত চাৰি-পাঁচজনীকৈ ছোৱালী আছিল। আমি কি অসুবিধা বা অশান্তি আদিবোৰ পোৱা নাছিলোঁ? আমিও নানানটা সমস্যাৰ সন্মুখীন হৈছিলোঁ। গাঁৱৰ ছোৱালী বুলি চহৰৰ লগৰীয়াই কিমান যে ঠাট্টা কৰিছিল! নুশুনা ভাঁও জুৰি তলকা মাৰি থাকোঁ। কিন্তু আমি এৰা-ধৰাকৈ চলিবলৈ শিকিছিলোঁ। চিনিয়ৰক মানি চলিবলৈ শিকিব লাগিব, জুনিয়ৰক মৰম কৰি ভাল পাব লাগিব। কাৰণ, নিজৰ ঘৰখনৰ লগতে পৰিয়ালৰ মৰমৰ পৰা আঁতৰি থাকিবলগীয়া হয়। লগত পঢ়া সহপাঠীক সমীহ কৰিছিলোঁ। তেওঁলোকৰ প্ৰজ্ঞা আৰু গাম্ভীৰ্যই আকৰ্ষণ কৰিছিল। অৱশ্যে আমি তেতিয়াৰ দিনত কলেজৰ হোষ্টেলত থাকি পঢ়িছিলোঁ। ইফালে তই কলেজৰ হোষ্টেলত চিট পায়ো নাথাকিলি। প্ৰাইভেট্ হোষ্টেলত থাকিহে বেচি ভাল পাৱ। সমস্যা মানুহৰ জীৱনত থাকিবই। নিজৰ অভ্যাসবোৰো সলনি কৰিবি। পৰিস্থিতিৰ লগত মোকামিলা কৰি চলিব পাৰিলেহে জীৱনত আচল শিক্ষা লাভ কৰিবি বুজিছ! আত্মবিশ্বাসী মানুহে সফলতাৰ জখলা বগাবলৈ জীৱনত সন্মুখীন হোৱা প্ৰত্যাহ্বান সমূহক সুযোগ হিচাপে গ্ৰহণ কৰি তাৰ পৰা শিক্ষা আহৰণ কৰে। আজিৰ প্ৰজন্ম তঁহত আমাতকৈ বহুত বেছি স্মাৰ্ট, বুদ্ধিয়ক। নিজকে সময়ৰ সৈতে মিলাই ক'ত কিদৰে খোজ দিব লাগে সেইবোৰ ভালদৰে জানিবহে লাগে। সকলো কথা ভালকৈ জানি-বুজি লৈহে সিদ্ধান্তবোৰ ল'ব লাগে। "লীজাই ক'লে - এতিয়া ফোনটো কাটিছোঁ মা কাইলৈ মেছেজত সকলো কথা জনাম।"

পিছদিনা মাকলৈ বুলি মেছেজ লিখিলে— "মা মই তাইক ৰাতি সোনকালে শুই আৰু ৰাতিপুৱা একেসময়তে উঠি পঢ়া কৰিম বুলি কলোঁ, মান্তি হৈছে। হ'ব মা। তুমি মোৰ বাবে মিছাতে চিন্তা কৰি নাথাকিবা। যিমানেই যি নহওক ঘৰৰ দৰে নহয় অ—মা।"

জীয়েকৰ মেছেজৰ উত্তৰত মাকে লিখিলে- "দেখিলি, হ'লনে সমস্যাৰ সমাধান! আসোঁৱাহ উলিয়াই অশান্তি কৰি নাথাকিবি। মানসিকতাৰ পৰিবৰ্তন অবিহনে তোৰ অসূয়া সহজে দূৰীভূত হোৱাৰ আশা কৰা বৃথা। জীৱনত এৰাধৰা কৰি পৰাপক্ষত মিলি-জুলি থাকিবলৈ শিকিবি। দৰাচলতে হোষ্টেলবোৰ হৈছে লগৰীয়াৰ সৈতে সংগ গঢ়াৰ কঠীয়াতলিস্বৰূপ। টকা-পইছাৰে কেতিয়াও জীৱনটোক প্ৰাণৱন্ত কৰি ৰাখিব নোৱাৰিবি। বিশ্বাসী বন্ধু-বান্ধৱীৰ কাষত থাক। তেহে জীৱনটোক উপভোগ কৰিব পাৰিবি। আমি মানুহৰ মাজত আছিলোঁ আৰু তাতেই যেন জীৱনৰ সাৰ্থকতাৰ সন্ধান পাইছিলোঁ। লগৰীয়াৰ সুখে-দুখে, বিপদে-আপদে নিজকে উজাৰি দিয়াটোহে আচল উদ্দেশ্য হ'ব লাগে। সফল হ'বলৈ হ'লে সদায় ইতিবাচক কামৰ অভ্যাস গঢ়ি তুলিব লাগিব। অনুশাসন মানি চলি কঠোৰ পৰিশ্ৰম কৰিব পাৰিলেহে সফলতা পাবি। প্ৰতিটো সমস্যাৰ সমাধানেই নিজৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে। তেতিয়াহে সপোনে ডেউকা মেলিব পাৰিব আৰু জীৱনত উজ্জ্বলিব পাৰিবি। জীৱনক সৃষ্টিশীল কৰি সজোৱা ভাল। সামাজিক ক্ষেত্ৰতেই হওক, ৰাজনৈতিক ক্ষেত্ৰতেই হওক অথবা নিজা নিজা বিদ্যায়তনিক ক্ষেত্ৰতেই হওক আমি কাৰ সংগ লম সেইটো নিজে বিবেচনা কৰিব লাগিব। বিনা কাৰণত ৰাতি হোষ্টেলৰ পৰা বাহিৰ নহবি। দেখিছই নহয়, ঠায়ে ঠায়ে মহিলাবোৰৰ সৈতে কেনেধৰণৰ দুৰ্ঘটনাবোৰ সংঘটিত হৈ আছে।"

মা মোৰ বাবে আৱেগ, সাহস, মৰম। দৃঢ়তাৰে সৰ্বদা মোৰ কাষত ঠিয় হৈ থাকে। তেওঁ যেন মোৰ হৃদয়ত জ্বলি থকা সপোন নামৰ চাকি গচিৰ শলিতা।

## মুম্বাইলৈ স্থানান্তৰিত হ'ল অনূৰ্ধ্ব-২৩ কোচবিহাৰ ট্ৰফীৰ

মুম্বাই ক্ৰিকেট এছ'চিয়েশ্যনৰ (MCA) তত্ত্বাৱধানত আয়োজিত হ'ব। মুম্বাইৰ বান্দ্ৰা-কুৰ্লা কমপ্লেক্সৰ শাৰদ পাৱাৰ একাডেমী মাঠ আৰু ঐতিহাসিক ৱানখেদে ষ্টেডিয়ামত এই মেচসমূহ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা সৰ্বাধিক। MCAৰ এজন জ্যেষ্ঠ বিষয়াই জনোৱা অনুসৰি, "আমি ইতিমধ্যে মাঠ প্ৰস্তুত কৰাৰ কাম আৰম্ভ কৰিছোঁ। ২৩ ডিচেম্বৰৰ পৰা দলসমূহে মুম্বাইত অনুশীলন আৰম্ভ কৰিব পাৰিব।" তেওঁ লগতে কয় যে, মুম্বাইত ১ ডিচেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া কোচবিহাৰট্ৰফীৰ লীগ পৰ্যায়ৰ মেচসমূহৰ সময়সূচীও সালসলনি কৰিবলগীয়া হ'ব পাৰে। BCCIৰ বিষয়াসকলে প্ৰকাশ কৰা অনুসৰি, দিল্লীত বায়ুৰ মানদণ্ড কিছু পৰিমাণে উন্নত হ'ব বুলি আশা কৰি প্ৰথমে মেচসমূহ ৰাজধানীত ৰখা হৈছিল। কিন্তু প্ৰদূষণৰ মাত্ৰা নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈ থকাৰ বাবে শেষ মুহূৰ্তত স্থান পৰিৱৰ্তন কৰা হ'ল। উল্লেখ্য যে, ২০১৭ চনতো দিল্লীৰ গম্ভীৰ বায়ু প্ৰদূষণৰ বাবে ভাৰত-শ্ৰীলংকাৰ মাজত অনুষ্ঠিত টেষ্ট মেচত বাৰে বাৰে খেলা বন্ধ হৈছিল। শ্ৰীলংকাৰ খেলুৱৈসকলে মাস্ক পিন্ধি খেলিবলগীয়া হৈছিল আৰু কেইবাগৰাকীয়ে অসুস্থতাত ভুগিছিল। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত বায়ু প্ৰদূষণৰ বাবে মেচ বন্ধ হোৱাৰ প্ৰথম ঘটনা আছিল সেইটোৱে। খেলুৱৈসকলৰ স্বাস্থ্যৰ কথা মনত ৰাখি BCCIয়ে এইবাৰ আগতীয়াকৈ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিলে বুলি ক্ৰিকেট বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## ইউনুছক প্ৰত্যাহ্বান শ্বেইখ হাছিনাৰ পুত্ৰ ছাজিব ৱাজেদৰ

মোডীক উচ্চ প্ৰশংসাৰে সিক্ত কৰাৰ লগতে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ প্ৰধান উপদেষ্টা মহম্মদ ইউনুছক খোলা প্ৰত্যাহ্বান জনাইছে। আমেৰিকাৰ পৰা প্ৰকাশিত এক ভিডিঅ' বাৰ্তাত ছাজিব ৱাজেদে কয়, "মোৰ মাক (শ্বেইখ হাছিনাক) কোনেও হত্যা কৰিব নোৱাৰিব। তেওঁক এবাৰলৈও চুই চোৱাৰ সাহস কাৰো নাই।" এই মন্তব্যক পৰোক্ষভাৱে ইউনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰৰ বিৰুদ্ধে প্ৰত্যাহ্বান হিচাপে গণ্য কৰা হৈছে। তেওঁ লগতে ভাৰত চৰকাৰক গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰি কয়, "মোৰ মাক আশ্ৰয় দিয়াৰ বাবে ভাৰত চৰকাৰ তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ওচৰত মই চিৰকালৰ বাবে কৃতজ্ঞ। ভাৰতৰ জনতা আৰু চৰকাৰে আমাক যি সহায় আগবঢ়াইছে, তাৰ বাবে হৃদয়ৰ পৰা ধন্যবাদ জনাইছোঁ।" উল্লেখ্য যে, ছাত্ৰ-জনতাৰ আন্দোলনত শ্বেইখ হাছিনাৰ চৰকাৰৰ পতনৰ পিছত গত ৫ আগষ্টত তেওঁ বাংলাদেশ এৰি ভাৰতলৈ আহে আৰু তেতিয়াৰ পৰা নতুন দিল্লীত গোপনে আশ্ৰয় লৈ আছে। আনহাতে, বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ন্যায়াধিকৰণে শ্বেইখ হাছিনাৰ বিৰুদ্ধে মানৱতাৰ বিৰুদ্ধে অপৰাধৰ গোচৰত মৃত্যুদণ্ডৰ নিৰ্দেশ জাৰি কৰাৰ পিছতে ছাজিব ৱাজেদে এই কঠোৰ ভাষাৰে সঁহাৰি জনাইছে। তেওঁৰ এই বক্তব্যই বাংলাদেশৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে বুলি বিশ্লেষকসকলে মতপোষণ কৰিছে।

## জামুগুৰিহাটত লাচিত দিৱসত শোভাযাত্ৰাৰ প্ৰস্তুতি

চলাইছে যুৱ সমাজে। এহাজাৰ তিনিশৰো অধিক যুৱকে লাচিত বৰফুকনৰ বেশত সজ্জিত হৈ হাতত হেংদাঙ লৈ এখন বিশাল শোভাযাত্ৰাত অংশগ্ৰহণ কৰিব। শোভাযাত্ৰাৰ লগতে এখন বিশালকায় নাওৰ আদৰ্শত নিৰ্মিত প্ৰতীকী নাওতো লাচিতৰ প্ৰতিমূৰ্তিৰে সজোৱে উপস্থাপন কৰা হ'ব বুলি আয়োজকসকলে জানিবলৈ দিছে। এই মহতী কাৰ্যসূচীৰ মূল সঞ্চালক হিচাপে কাম কৰি আছে চতীয়াৰ উদ্যমী যুৱক তথা নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ পুত্ৰ নিৰজ নিশিম হাজৰিকাই। তেওঁৰ একক প্ৰচেষ্টা আৰু নেতৃত্বত সমগ্ৰ অনুষ্ঠানৰ ৰূপৰেখা প্ৰস্তুত হৈছে। শনিবাৰে পুৱাৰে পৰা ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনাৰ স্থলী পকামূৰা পথাৰত নদুৱাৰ সমষ্টিৰ বিভিন্ন প্ৰান্তৰ পৰা অহা এহাজাৰৰো অধিক যুৱক-যুৱতীয়ে লাচিতৰ বেশত সজ্জিত হৈ শেষবাৰৰ বাবে আখৰা কৰা দেখা গৈছে। হেংদাঙৰ তালে তালে শাৰী শাৰীকৈ যুৱকসকলে মহাবীৰ লাচিতৰ শৌৰ্য্য-বীৰ্য্যৰ স্মৃতি জাগ্ৰত কৰি তুলিছে। আয়োজকসকলে জানিবলৈ দিয়া মতে, এই শোভাযাত্ৰাৰ জৰিয়তে সৰ্বাধিক সংখ্যক যুৱকে লাচিতৰ বেশত অংশগ্ৰহণ কৰাৰ এক নতুন অসমীয়া ৰেকৰ্ড স্থাপন কৰাৰ লক্ষ্য ৰখা হৈছে। ইয়াৰ উপৰি সমগ্ৰ অনুষ্ঠানটোত লাচিত বৰফুকনৰ জীৱন আৰু কৰ্মৰ প্ৰতি নৱপ্ৰজন্মৰ মাজত শ্ৰদ্ধা আৰু গৌৰৱৰ ভাৱ জগাই তোলাটোও অন্যতম উদ্দেশ্য বুলি আয়োজক নিৰজ নিশিম হাজৰিকাই প্ৰকাশ কৰিছে। ২৪ নৱেম্বৰত জামুগুৰিহাটৰ পৰা আৰম্ভ হোৱা এই শোভাযাত্ৰাই সমগ্ৰ অঞ্চলটোত লাচিত দিৱসৰ পৱিত্ৰতা আৰু গাম্ভীৰ্য্য বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

## ভাৰতত সম্পূৰ্ণ কাৰ্যকৰী নতুন শ্ৰম সংহিতা

সামাজিক সুৰক্ষা আৰু আইনী স্বীকৃতি প্ৰদান কৰিছে। নতুন ব্যৱস্থাৰ অধীনত এতিয়াৰ পৰা সকলো শ্ৰমিকে-স্থায়ী হওক বা অস্থায়ী, আনুষ্ঠানিক হওক বা অনানুষ্ঠানিক- ন্যূনতম মজুৰি, সময়মতে দৰমহা, অতিৰিক্ত কামৰ দুগুণ মজুৰি আৰু বাধ্যতামূলক লিখিত নিযুক্তি-পত্ৰ লাভ কৰাটো নিশ্চিত হৈছে। প্ৰতিমাহে ৭ তাৰিখৰ ভিতৰত দৰমহা প্ৰদান কৰাটো বাধ্যতামূলক কৰা হৈছে। লগতে সকলো শ্ৰমিকৰ বাবে বছৰি বিনামূলীয়া স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। একেৰাহে এবছৰ কাম কৰা নিৰ্দিষ্ট ম্যাদৰ কৰ্মীসকল এতিয়া গ্ৰেচুইটিৰ অধিকাৰী হ'ব। মহিলা শ্ৰমিকসকলৰ বাবে এই সংহিতাই বিশেষ গুৰুত্ব বহন কৰিছে। সমান দৰমহাৰ নিশ্চয়তাৰ লগতে ২৬ সপ্তাহৰ দৰমহাযুক্ত প্ৰসূতি ছুটী, সন্মতিভিত্তিক নৈশ শিফটত কামৰ সুযোগ আৰু বৰ্ধিত সুৰক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। উৎপাদন, খনি, সেৱা আৰু আইটি খণ্ডকে ধৰি সকলো ক্ষেত্ৰতে এই সুবিধা প্ৰযোজ্য হ'ব। সৰ্বাধিক উল্লেখযোগ্য পৰিৱৰ্তন হৈছে গিগ আৰু প্লেটফৰ্ম শ্ৰমিকৰ স্বীকৃতি। স্বিগি-জোমেটোৰ ডেলিভাৰী পাৰ্টনাৰ, উবেৰ-ওলাৰ চালক আৰু অন্যান্য এপ-ভিত্তিক কৰ্মীসকলে এতিয়া আইনীভাৱে 'শ্ৰমিক' হিচাপে স্বীকৃতি পাব। এগ্ৰিগেটৰ কোম্পানীসমূহে নিজৰ উপাৰ্জনৰ ১-৫ শতাংশ পৰ্যন্ত ৰাজ্য চৰকাৰৰ সামাজিক সুৰক্ষা পুঁজিলৈ যোগদান কৰিব লাগিব। এই পুঁজিৰ পৰা শ্ৰমিকসকলে দুৰ্ঘটনা বীমা, স্বাস্থ্য বীমা আৰু অন্যান্য কল্যাণমূলক সুবিধা লাভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সংস্কাৰক স্বাগতম জনাই এ'ত লিখিছে, "নতুন শ্ৰম সংহিতাই প্ৰতিজন শ্ৰমিকৰ— আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু গিগ শ্ৰমিকৰ— অধিকাৰক শক্তিশালী কৰিছে। উন্নত মজুৰি, সুৰক্ষা আৰু মৰ্যাদাপূৰ্ণ কৰ্মজীৱনৰ নিশ্চয়তা এই সংস্কাৰৰ মূল লক্ষ্য। বিকশিত ভাৰতৰ দিশত এয়া এক ঐতিহাসিক পদক্ষেপ।" কেন্দ্ৰীয় শ্ৰমমন্ত্ৰী মনসুখ মাণ্ডব্যই কয়, "প্ৰথমবাৰৰ বাবে গিগ আৰু প্লেটফৰ্ম শ্ৰমিকসকলক শ্ৰম আইনৰ আওতালৈ অনা হৈছে। সকলোৰে বাবে ন্যূনতম মজুৰি, সময়মতে দৰমহা, সামাজিক সুৰক্ষা আৰু নিৰাপদ কৰ্মপৰিৱেশ এতিয়া বাস্তৱ।" উল্লেখ্য, গুজৰাট, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, উত্তৰ প্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যই ইতিমধ্যে এই ধৰণৰ সংস্কাৰ ৰূপায়ণ কৰিছে। তাত বিনিয়োগৰ প্ৰবাহ বৃদ্ধি, আনুষ্ঠানিক নিয়োগৰ হাৰ বৃদ্ধি আৰু ঔদ্যোগিক উন্নয়নৰ ত্বৰান্বিত গতি পৰিলক্ষিত হৈছে। আন্তৰ্জাতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিততো এই সংস্কাৰ অতি গুৰুত্বপূৰ্ণ। বিশ্বজুৰি শুল্ক যুদ্ধ আৰু বাণিজ্যিক অনিশ্চয়তাৰ মাজত ভাৰতক বিনিয়োগৰ বাবে আকৰ্ষণীয় গন্তব্যস্থল কৰি তুলিবলৈ এই শ্ৰম সংস্কাৰে ডাঙৰ ভূমিকা পালন কৰিব বুলি অৰ্থনীতিবিদসকলে মত প্ৰকাশ কৰিছে। যদিও চৰকাৰে এই সংস্কাৰক 'শ্ৰমিকবান্ধৱ' বুলি অভিহিত কৰিছে, কিছু ট্ৰেড ইউনিয়ন আৰু বিৰোধী দলে ইয়াৰ কিছু ধাৰাৰ সমালোচনা কৰি আহিছে। বিশেষকৈ হায়াৰ এণ্ড ফায়াৰ নিয়মৰ সৰলীকৰণ আৰু শ্ৰমিকৰ ধৰ্মঘটৰ অধিকাৰৰ সীমাবদ্ধতাক লৈ প্ৰশ্ন উত্থাপন হৈছে। আগন্তুক দিনত এই বিষয়ে ৰাজনৈতিক আৰু সামাজিক বিতৰ্ক তীব্ৰতৰ হোৱাৰ সম্ভাৱনা আছে। তথাপি শ্ৰম বিশেষজ্ঞসকলে একমত যে, এই সংস্কাৰে ভাৰতৰ শ্ৰম বজাৰক অধিক সংগঠিত, স্বচ্ছ আৰু বিশ্বমানৰ কৰি তুলিবলৈ সক্ষম হ'ব।

## হাজোৰ শনিয়াদিত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত দুগৰাকী

জি এম চি লৈ প্ৰেৰণ কৰা হয়। এনে অবাঞ্চিত ঘটনাই অঞ্চলটোত সৃষ্টি কৰিছে তীব্ৰ উত্তেজনাৰ। এই ভয়াৱহ পথ দুৰ্ঘটনাত মৃত ছাত্ৰী দুগৰাকী হৈছে হাজো আৰক্ষী থানাৰ অন্তৰ্গত শনিয়াদীৰ তথা জ্ঞানজ্যোতি জাতীয় বিদ্যালয়ৰ ছাত্ৰী আদনিন নেহাৰ (১৪) আৰু নাজমিন আখতাৰা (১৪)। ইফালে গুৰুতৰভাৱে আহত হৈ সম্প্ৰতি চিকিৎসাধীন ছাত্ৰী গৰাকী হৈছে একেখন গাওঁ আৰু একেখন বিদ্যালয়ৰে ছাত্ৰী ছাহিন আখতাৰা (১৪)। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, আজি পুৱা প্ৰায় ৬ বজাত হাজো আৰক্ষী থানাৰ অন্তৰ্গত শনিয়াদীৰ তথা জ্ঞানজ্যোতি জাতীয় বিদ্যালয়ৰ ছাত্ৰী তিনিগৰাকী ক্ৰমে আদনিন নেহাৰ, নাজমিন আখতাৰা আৰু ছাহিন আখতাৰাই ঘৰৰ পৰা কলিতাকুছি- মুকালমুৱা গড়কাপ্তানী পথেৰে খোজ কাঢ়ি টিউচনলৈ ৰাওনা হৈছিল। তেনে সময়তে হাজোৰ দিশৰ পৰা মুকালমুৱা অভিমুখে গতি কৰা তীব্ৰবেগী বলেৰ' বাহন এখনে শনিয়াদীত তিনিও গৰাকী ছাত্ৰীক মহতিয়াই নিয়ে। ফলত আদনিন নেহাৰ নামৰ ছাত্ৰী গৰাকীৰ থিতাতে মৃত্যু হোৱাৰ লগতে অন্য দুগৰাকী ছাত্ৰীক সংকটজনক অৱস্থাত হাজো বিষ্ণুৰাম মেধি সামূহিক চিকিৎসালয়ত ভৰ্তি কৰোৱাই যদিও চিকিৎসকে প্ৰাথমিক চিকিৎসা প্ৰদান কৰি উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। পিছত চিকিৎসাধীন অৱস্থাত নাজমিন আখতাৰা নামৰ আনগৰাকী ছাত্ৰীৰো মৃত্যু হয়। সম্প্ৰতি ছাহিন আখতাৰা নামৰ ছাত্ৰী গৰাকী সংকটজনক অৱস্থাত জি এম চি এইছত চিকিৎসাধীন বুলি জানিব পৰা গৈছে। ইফালে দুৰ্ঘটনা সংঘটিত কৰি পলায়নৰ চেষ্টা কৰা বলেৰ' বাহনখন ৰাইজে খেদি খেদি কৰায়ত্ত কৰি পথৰ ওপৰতে জ্বলাই দিয়ে আৰু একাংশ উত্তেজিত স্থানীয় ৰাইজে হাজো-মুকলমুৱা পথ অৱৰোধ কৰে। যাৰ ফলত পথটোৰে যাতায়াত কিছু সময়ৰ বাবে বন্ধ হৈ পৰে। পিছত ঘটনাস্থলীত হাজো, ৰামদিয়া, শিঙিমাৰী আৰু শুৱালকুছি আৰক্ষীৰ লগতে কামৰূপ প্ৰশাসনৰ উচ্চস্তৰীয় বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাত যানজটৰ সমস্যা দূৰ হয় যদিও সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## অভয়াপুৰীত মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ ধন বিতৰণ

সভা সমষ্টিটো এই ধন বিতৰণ কৰিম এই মন্তব্য মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ। আজি অভয়াপুৰী সমষ্টিভিক ভাৱে অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত আয়োজিত উদ্যমিতা আঁচনিৰ ধনৰ ২৩৯৪৯খন চেক বিতৰণী অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী গৰাকীয়ে আৰু কয় যে লোক সভাৰ নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত মই ৰাইজৰ পৰা প্ৰ-পত্ৰ লৈছিলোঁ। কংগ্ৰেছে তেতিয়া কৈছিল এয়া আমাৰ নিৰ্বাচনী চমক হে। বাস্তৱত আমি কাৰ্যকৰী কৰিব নোৱাৰিম। কংগ্ৰেছৰ সেই ইতিকিংক প্ৰত্যাহ্বান জনাই অসমৰ সকলো সমষ্টিক সামৰি ৪০ লাখ মহিলাক লাখপতি বনোৱাৰ বাবে আমি আগবাঢ়ি গৈ আছোঁ। তেওঁ লগতে কয় যে লাখপতি হ'বলৈ দুটা মান পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। তেতিয়া হে লাখপতি বাইদেউ হ'ব পাৰিব। ইয়াৰে প্ৰথম পদক্ষেপ হিচাপে যি দহ হাজাৰ টকা দিয়া হ'ল সেই টকাৰ অপব্যৱহাৰ কৰাসকলে নাপাব দ্বিতীয় কিস্তিৰ ২৫ হাজাৰ টকা। উদ্যমিতা আঁচনিৰ দহ হাজাৰ টকাটো যাতে মোবাইল মেৰামতি কৰাত, মোবাইল কিনাত, কাপোৰ কিনাত, ঘুৰাফুৰাত, ঘৰ মেৰামতি কৰাত ব্যৱহাৰ নকৰি আয়ৰ বাবে বা কিবা নহয় কিবা ভাল কামৰ কাৰণে ব্যৱহাৰ কৰিবলৈ উপদেশ দিয়ে। যিসকল মহিলাই এই দহ হাজাৰ টকাৰ পৰা আয়ৰ পথ দেখুৱাই দিবলৈ সক্ষম হ'ব বা স্বাৱলম্বী হোৱাৰ দিশলৈ গতি কৰিব তেওঁক লাখপতি বাইদেউৰ দ্বিতীয় কিস্তিৰ ধন হিচাপে পুনৰ ২৫ হাজাৰ টকা আৰু পৰৱৰ্তী সময়ত আৰু ৫০ হাজাৰ টকা প্ৰদান কৰা হ'ব বুলি মন্তব্য দিয়ে। ভাষণ প্ৰশংগত তেওঁ কংগ্ৰেছক' কটাক্ষ কৰি কয় যে কংগ্ৰেছে বিজেপি নেতৃত্বতাধীন চৰকাৰখনক হিতাধিকাৰীক সৃষ্টিকাৰী চৰকাৰ বুলি সমালোচনা কৰে। কিন্তু কংগ্ৰেছে সমালোচনা কৰাৰ দৰে মই হিতাধিকাৰী সৃষ্টি কৰা নাই। মই আই মাতৃক সিৱা কৰিব বিচাৰিছোঁ, মই বাই ভনী শ্ৰদ্ধা মৰম কৰিব বিচাৰিছোঁ। আমি লোৱা আঁচনিৰ বাৱেই বইটামাৰীৰ তালগুৰি ভানুপভাই মাহেকত ৬০ হাজাৰ, বইটামাৰী চন্দ্ৰমা দেৱীয়ে ১২/১৫ হাজাৰ টকা উপাৰ্জন কৰি আছে বা কৰিবলৈ সক্ষম হৈছে অসমৰ মহিলাসকলক এতিয়া কোনেও ঘৰৰ বোজা বুলি কব নোৱাৰে। তাৰ বিপৰীতে মহিলাসকলক ঘৰৰ লক্ষ্মী বুলি ভাবিবলৈ লৈছে। আজি অসমীয়া মহিলা সকলৰ মাজত জাগৰণ আহিছে। মহিলা সকলৰ সপোন দেখিবলৈ ধৰিছে যে মোৰ লৰাছোৱালীক পঢ়ুৱাই কেনেকৈ ডাক্তৰ ইঞ্জিনিয়াৰ বনাব পাৰোঁ। কেনেকৈ মই নিজে স্বাৱলম্বী হৈ পৰিয়ালটোক আগুৱাই লৈ যাব পাৰোঁ। মোৰ শ্ৰদ্ধাৰ মহিলা সকলৰ প্ৰতিটো ভাল সপোন পূৰণ কৰাই হ'ল আমাৰ চৰকাৰ নৈতিক দায়িত্ব। ভাষণত তেওঁ জনসংখ্যাৰোধ কৰাৰ বাবে ২টাতকৈ বেছি সন্তান জন্ম দিয়াৰ পৰা সকলোকে বিতৰত থাকিবলৈকো আহ্বান জনাই কয় যে ৪ সন্তান জন্ম দিয়া কোনো মহিলাই নাপাব উদ্যমিতা আঁচনিৰ ধন বুলি সকলোকে সতৰ্ক কৰি দিয়ে। তেওঁ আৰু কয় যে অৰুণোদয়ে মহিলা সকলৰ সন্মান বঢ়াইছে। আৰ্থিক নিৰাপত্তা দিব পাৰিছে। এতিয়া অসমীয়া মহিলাসকলক উপাৰ্জনৰ চালিকা শক্তিলৈ ৰূপান্তৰিত হৈছে বুলিও তেওঁ দাবী কৰে। ইয়াৰ উপৰি তেও বঙাইগাঁও জিলাত নতুন কৈ ৩৮০০ গৰাকী মহিলাপ অৰণোদয় দিয়াৰ ঘোষণা কৰে। অভয়াপুৰী দক্ষিণ সমষ্টিৰ কংগ্ৰেছী বিধায়ক প্ৰদীপ সৰকাৰক শুই থকা এম এল এ বুলি কটাক্ষ কৰি তেওঁ কয় যে সম্প্ৰতি কংগ্ৰেছে সূতা কম্বল লুঙি ধুতিৰ ৰাজনীতি কৰিছিল কিন্ত বিজেপি নেতৃত্বাধীন চৰকাৰখনে, অৰুণোদয়, বৃদ্ধ পেঞ্চন, উদ্যমিতা আঁচনিৰ ধন, বিনামূলীয়াহ চাউল দিলো, দালি নিমখ, ছোৱালী পঢ়াশুনাৰ বাবে নিযুত মইনা আদি দি থকা হৈছে। তদুপৰি পঢ়াত ভাল হ'লে স্কুটি। ছাত্ৰীক চাইকেল আদি দি থকা হৈছে। তেওঁ আকৈ কই যে অহা জানুৱাৰীৰ পৰা ১০০ টকাতে নিমখ, তেল দাইল দিয়া হ'ব বুলিও উল্লেখ কৰে। মুখ্যমন্ত্ৰী গৰাকীয়ে অহা ২৫ তাৰিখত এগৰাকীতকৈ অধিক মহিলাক বিয়া পতা পুৰুষসকলক ৭ বছৰ পৰ্যন্ত জেল দিয়াৰ আইন অনাৰ কথাও ঘোষণা কৰে। তেওঁ ভাগিন সকলৰ বাৰেও শীৰ্ঘ্ৰ বাবু মইনা আঁচনি আনিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। সেই সভাত তেওঁ উপৰি মন্ত্ৰী ৰঞ্জিত দাসে ২০৪৭ৰ পূৰ্বে ভাৰত বিশ্বৰ এক নম্বৰ অৰ্থনৈতিক ভাৱে শক্তিশালী দেশ হিচাপে গঢ় লৈ উঠিব বুলি দাবী কৰে। ভাৰতে এতিয়া ডেৰ লাখ কোটি টকাৰ মাৰণাস্ত্ৰ তৈয়াৰ কৰি বহিঃ ৰাষ্ট্ৰত বিক্ৰী কৰিব পাৰিছে বুলি তথ্য দাঙি ধৰে। তেও কৃষকসকলক এবাৰ কৃষি কৰাৰ পৰিবৰ্তে এড'ৰা মাটিত দুই তিনি বাৰ খেতি কৰাৰ পৰামৰ্শ দিয়ে। আনহাতে সভাত ভাষণ দি সাংসদ ফণী ভূষণ চৌধুৰীয়ে কয় যে আজি ২৩ হাজাৰোধিক মহিলাই পালে দহ হাজাৰ। কিন্তু পৰৱৰ্তী সময়ত যাতে এই ২৩ হাজাৰৰ পৰা কমি গৈ ১০ হাজাৰ গৰাকী নহয়। তাৰবাবে প্ৰত্যেকে দহ হাজাৰ টকাটো ভাল কামত ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰিব বুলি মহিলাসকলক পৰামৰ্শ দিয়ে। আজিৰ সভাত প্ৰাক্তন বিধায়ক ভূপেন ৰায়, বিধায়িকা দীপ্তিময়ী চৌধুৰী, সমাজকৰ্মী উজ্জ্বলকান্তি ৰয়, কেএচিৰ মুখ্য পাৰিষদ জীৱেশ ৰায়কে সমাজকৰ্মী হিমানী অধিকাৰীকে ধৰি আন বহু লোক উপস্থিত থাকে।

## পৰ্যটন বিভাগৰ নিযুক্তি কেলেংকাৰীত গ্ৰেপ্তাৰ হোৱা

ন্যায়ালয়ৰ বিশেষ আদালতে মঞ্জুৰ কৰিছে। এই গোচৰত ইতিমধ্যে গ্ৰেপ্তাৰ হৈ কাৰাগাৰত থকা নয়নমণি পামেগামে উচ্চতম ন্যায়ালয়ত অগ্ৰিম জামিনৰ আবেদন দাখিল কৰিছিল। দীৰ্ঘ শুনানিৰ অন্তত বিচাৰপতিৰ বিশেষ বেঞ্চে তেওঁৰ জামিন আবেদন গ্ৰহণ কৰি ৫০,০০০ টকাৰ ব্যক্তিগত বণ্ডত জামিন মঞ্জুৰ কৰে। উল্লেখ্য যে, অসম পৰ্যটন উন্নয়ন নিগমৰ অধীনত ২০১৯ চনত হোৱা চতুৰ্থ শ্ৰেণীৰ পদৰ নিযুক্তি প্ৰক্ৰিয়াত বৃহৎ অনিয়ম আৰু ঘুষৰ অভিযোগ উত্থাপিত হৈছিল। এই কেলেংকাৰীৰ মূল চক্ৰী হিচাপে অভিযোগ উঠা নয়নমণি পামেগামকে ধৰি একাধিক লোকক মুখ্যমন্ত্ৰীৰ বিশেষ সতৰ্কতা শাখাই গ্ৰেপ্তাৰ কৰিছিল। জামিন মঞ্জুৰ হোৱাৰ পিছতে নয়নমণি পামেগামে কাৰাগাৰৰ পৰা মুক্তি লাভ কৰাৰ পথ মুকলি হ'ল যদিও গোচৰৰ তদন্ত এতিয়াও অব্যাহত আছে। আদালতে জামিনৰ শৰ্ত হিচাপে তেওঁক দেশৰ সীমাৰ বাহিৰলৈ যাব নোৱাৰাকৈ আৰু তদন্তকাৰী বিষয়াৰ লগত সহযোগিতা কৰিবলৈ নিৰ্দেশ দিছে। এই জামিন মঞ্জুৰৰ ফলত পৰ্যটন বিভাগৰ নিযুক্তি কেলেংকাৰীৰ গোচৰটোৱে পুনৰ নতুন মোড় লৈছে বুলি আইনী মহলৰ বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## সন্দেহজনক মিঞাৰ বিৰুদ্ধে পুনৰ সৰৱ মুখ্যমন্ত্ৰী ড° হিমন্ত

ৰকিবুল হুছেইন আৰু ৰিপুণ বৰাৰ নাম উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "সন্দেহজনক মিঞাৰ বিৰুদ্ধে কোৱাত কাৰো আপত্তি থাকিব নালাগে। ভাৰতীয় সংবিধানতো এনে কথা কোৱাত কোনো বাধা নাই। যিয়ে নিজকে ভাৰতীয় বুলি জানে, তেওঁ গাত পাতি ল'ব নোৱাৰে। কিন্তু যিসকলে গাত পাতি লৈছে, তেওঁলোকৰ নাগৰিকত্বৰ বিষয়ে প্ৰশ্ন উঠাটো স্বাভাৱিক। ৰিপুণ বৰাই যেতিয়া নিজেই গাত পাতি লয়, তেওঁ পৰোক্ষভাৱে অসমৰ মিঞা সম্প্ৰদায়কেই সন্দেহজনক বুলি স্বীকাৰ কৰি লৈছে।" এছ আৰ (সন্দেহজনক ভোটাৰ) প্ৰক্ৰিয়াৰ জৰিয়তে বহিঃৰাজ্যৰ লোকক ভোটাৰ তালিকাত সুমোৱাৰ অভিযোগ কংগ্ৰেছে তুলিছে বুলি মুখ্যমন্ত্ৰীয়ে উড়াই দিয়ে। তেওঁ কয়, "বিহাৰ বা বাংলাৰ পৰা লোক আহি ভোটাৰ হ'লে তেওঁলোকক কোনে খুৱাব, ক'ত থ'ব, ঘৰ কোনে দিব? ২০ লাখ লোকক মাতি আনি খুৱাই-বোৱাই ৰখাৰ পইচা কাৰো ওচৰত নাই। কংগ্ৰেছে এইবোৰ অবাস্তৱ কথা কৈ মানুহক বিভ্ৰান্ত কৰিব বিচাৰে। চিএএৰ সময়তো এই 'টেঙা আম' বেচিছিল, এতিয়াও একেই চেষ্টা।" উচ্ছেদৰ প্ৰসংগতো কংগ্ৰেছক টান কৰি মুখ্যমন্ত্ৰীয়ে কয়, "৬০ বছৰ শাসন কৰাৰ পিছতো কংগ্ৰেছে সংখ্যালঘু লোকৰ নামত মাটিৰ পট্টা দিয়া নাছিল। পট্টা দিলেহেঁতেন আজি উচ্ছেদৰ প্ৰশ্নই নুঠিলহেঁতেন। এতিয়া তেওঁলোকে কংগ্ৰেছকেই প্ৰশ্ন কৰক।" এনচিইআৰটিৰ পাঠ্যক্ৰমৰ পৰা টিপু চুলতান আৰু বাবৰৰ নাম আঁতৰোৱাৰ খবৰক মুখ্যমন্ত্ৰীয়ে স্বাগতম জনায়। তেওঁ কয়, "যদি আঁতৰাইছে তেন্তে বহুত ভাল কাম হৈছে। এনচিইআৰটিক মোৰ ফালৰ পৰা বহুত বহুত ধন্যবাদ। টিপু-ইপুক মাৰি সাগৰত পেলাই দিয়ক।" এই ভ্ৰমণৰ সময়ত অভয়াপুৰীৰ কংগ্ৰেছ বিধায়ক ভাৰত চন্দ্ৰ সৰকাৰকো কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "প্ৰদীপ সৰকাৰে অভয়াপুৰীৰ পৰা সদায় দূৰত্ব ৰাখে। তেওঁ শুই গৈ আছে যেন লাগে।" এদিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰীয়ে অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত প্ৰায় ২৪ হাজাৰ মহিলা উদ্যমীক চেক বিতৰণ কৰে। একে স্থানত ঐতিহাসিক ৰাণী অভয়েশ্বৰীৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। অনুষ্ঠানত সাংসদ ফণীভূষণ চৌধুৰী, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, অশোক সিংঘাল আদি বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সকলোবোৰ মন্তব্যই অসমৰ ৰাজনীতিত নিৰ্বাচনৰ আগৰ উত্তেজনা আৰু ধ্ৰুৱীকৰণৰ ছবি স্পষ্ট কৰি তুলিছে। কংগ্ৰেছৰ পৰা এতিয়াও এই বিষয়ত প্ৰতিক্ৰিয়া অহা বাকী আছে।

## সন্ত্ৰাসবাদীৰ সংখ্যা পুনৰ বৃদ্ধি ভাৰতীয় গোয়েন্দা সংস্থাৰ

পৰা পৰিচালিত কেইবাটাও সন্ত্ৰাসবাদী সংগঠনে জম্মু-কাশ্মীৰত বৃহৎ পৰিসৰৰ আক্ৰমণৰ পৰিকল্পনা কৰি আছে বুলি গোয়েন্দা প্ৰতিবেদনত প্ৰকাশ পাইছে। বিশেষকৈ সাধাৰণ নাগৰিক আৰু নিৰাপত্তা বাহিনীক লক্ষ্য কৰি চলন্ত বাহনত আইইডি (IED) ব্যৱহাৰ কৰি দিল্লীৰ সংসদ ভৱন আক্ৰমণৰ দৰে আত্মঘাতী বোমা বিস্ফোৰণৰ সম্ভাৱনা আছে বুলি সতৰ্ক কৰা হৈছে। এনে আক্ৰমণৰ পৰিকল্পনাৰ বিষয়ে নিৰ্ভৰযোগ্য তথ্য লাভ হোৱাৰ পিছতে জম্মু-কাশ্মীৰ প্ৰশাসন আৰু কেন্দ্ৰীয় নিৰাপত্তা সংস্থাই উচ্চ সতৰ্কতা জাৰি কৰিছে। নিৰাপত্তা বিশে-ষকসকলৰ মতে, পাকিস্তানৰ ভিতৰত আৰু পিঅ'কে (পাকিস্তান অধিকৃত কাশ্মীৰ) থকা সন্ত্ৰাসবাদী প্ৰশিক্ষণ শিবিৰ ধ্বংস হোৱাৰ পিছতো নতুনকৈ অনুপ্ৰৱেশৰ ফলত উপত্যকাত সক্ৰিয় সন্ত্ৰাসবাদীৰ সংখ্যা দ্ৰুতগতিত বাঢ়িছে। বৰ্তমান জম্মু-কাশ্মীৰত মুঠ ১৩১জন সন্ত্ৰাসবাদী সক্ৰিয় হৈ আছে বুলি গোয়েন্দাৰ হিচাপত উল্লেখ আছে। ইয়াৰে অধিকাংশই জম্মু অঞ্চলৰ চেনাব উপত্যকা, পীৰ পাঞ্জাল আৰু দক্ষিণ কাশ্মীৰৰ কিছু অঞ্চলত আত্মগোপন কৰি আছে। আকৌ এবাৰ পৰিসংখ্যাই চিন্তা বঢ়াইছে। ২০২৫ চনৰ মাৰ্চ মাহৰ শেষলৈকে জম্মু-কাশ্মীৰত মাত্ৰ ৫৯জন পাকিস্তানী সন্ত্ৰাসবাদী সক্ৰিয় আছিল। কিন্তু পহলগামৰ ভয়ংকৰ আক্ৰমণ আৰু তাৰ পিছৰ অপাৰেশ্যন সিন্দূৰৰ মাজতেই নতুন অনুপ্ৰৱেশৰ ফলত এই সংখ্যা দুগুণৰো অধিক হৈ ১৩১লৈ বৃদ্ধি পাইছে। এই সন্ত্ৰাসবাদীসকলৰ ভিতৰত জৈছ-ই-মহম্মদ (JeM), লস্কৰ-ই-তৈবা (LeT), হিজবুল মুজাহিদীন (HM)ৰ লগতে অন্যান্য সংগঠনৰ সদস্য অন্তৰ্ভুক্ত। যোৱা দুবছৰত নিৰাপত্তা বাহিনীয়ে উল্লেখযোগ্য সফলতা লাভ কৰিছিল যদিও অনুপ্ৰৱেশ বন্ধ কৰিব পৰা নাই। ২০২৩ চনত ৬০জন আৰু ২০২৪ চনত ৬১জন সন্ত্ৰাসবাদী নিহত হৈছিল। চলিত বছৰটোত এতিয়ালৈকে এনকাউণ্টাৰত ৪৫জন আৰু নিয়ন্ত্ৰণ ৰেখাত অনুপ্ৰৱেশৰ চেষ্টাৰ সময়ত ১৬জন সন্ত্ৰাসবাদী নিহত হৈছে। কিন্তু একে সময়ছোৱাত সন্ত্ৰাসবাদীৰ আক্ৰমণত ২৮জন সাধাৰণ নাগৰিক আৰু ১৬জন নিৰাপত্তাৰক্ষীয়েও প্ৰাণ হেৰুৱাইছে। নিহত সন্ত্ৰাসবাদীৰ ভিতৰত ২১জন পাকিস্তানী নাগৰিক আছিল। নিৰাপত্তা বিষয়াই জনোৱা অনুসৰি, অহা কেইসপ্তাহৰ ভিতৰতে পাকিস্তানৰ পৰা নতুন দল অনুপ্ৰৱেশৰ চেষ্টা চলাব পাৰে। ইয়াৰ প্ৰতিৰোধৰ বাবে নিয়ন্ত্ৰণ ৰেখাত নিৰাপত্তা ব্যৱস্থা অধিক কঠোৰ কৰা হৈছে। লগতে উপত্যকাৰ ভিতৰত গোয়েন্দা ভিত্তিক অভিযান তীব্ৰতৰ কৰাৰ নিৰ্দেশ দিয়া হৈছে। জম্মু-কাশ্মীৰৰ সাধাৰণ ৰাইজকো সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে। যিকোনো সন্দেহজনক বস্তু বা ব্যক্তিৰ বিষয়ে তৎক্ষণাৎ নিকটৱৰ্তী আৰক্ষী থানা বা সেনা চকীত জনোৱাৰ পৰামৰ্শ দিয়া হৈছে। এই পৰিস্থিতিয়ে পুনৰ প্ৰমাণ কৰিছে যে পাকিস্তানে সন্ত্ৰাসবাদক ৰাজ্যখনৰ শান্তিৰ প্ৰধান অন্তৰায় হিচাপে ব্যৱহাৰ কৰি আহিছে। ভাৰতীয় নিৰাপত্তা বাহিনীয়ে যিমানেই সফলতা লাভ কৰক, পাকিস্তানে নতুনকৈ সন্ত্ৰাসবাদী পঠিয়াই উপত্যকাৰ শান্তি বিনষ্ট কৰাৰ চেষ্টা অব্যাহত ৰাখিছে।

## ডিব্ৰুগড় গ্ৰন্থমেলাত

অংশগ্ৰহণ কৰিব আৰু দুইগৰাকী সাহিত্যিকে অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু অনুষ্ঠানটোত আঁত ধৰিব ঔপন্যাসিক তথা গল্পকাৰ জুৰী বৰা বৰগোহাঞিয়ে। আনহাতে 'চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা 'কবি সন্মিলন'ৰ উদ্বোধক হিচাপে জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মন উপস্থিত থাকি য'ত ৰাজ্যখনৰ বহুকেইগৰাকী প্ৰতিষ্ঠিত কবি উপস্থিত থাকিব। গ্ৰন্থমেলাৰ কাৰ্যসূচীত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকী উপলক্ষে আয়োজন কৰা হৈছে গীত আৰু কথাৰে এখন আলোচনা চক্ৰ। সঞ্চালনা কৰিব অসমীয়া সংগীতৰ তথ্য সংগ্ৰহকাৰী, গৱেষক সাংবাদিক মনজিৎ ৰাজকোঁৱৰে আৰু আলোচক হিচাপে উপস্থিত থাকিব নগাঁৱৰ বিশিষ্ট সংগীত শিল্পী ৰঞ্জন বেজবৰুৱাকে প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। জুবিন গাৰ্গক শ্ৰদ্ধা জনাই জুবিন গাৰ্গঃ সৃষ্টি আৰু দৰ্শন শীৰ্ষক এক অনুষ্ঠাত উপস্থিত থাকিব জুবিন গাৰ্গৰ সাংস্কৃতিক সহযোগী বিশিষ্ট সংগীত সুৰকাৰ, গীতিকাৰ দিগন্ত ভাৰতী, (গুৱাহাটী )দিগন্ত শৰ্মা (গুৱাহাটী ), ডনী হাজৰিকা (মুম্বাই ), সৰীন কুমাৰ দাস (গুৱাহাটী ), দুদুল শইকীয়া (গুৱাহাটী ), শান্তনু বৰঠাকুৰ (ডিব্ৰুগড় )। শিক্ষাৰ্থীসকলক লৈ আয়োজন কৰা জীৱন গঢ়াৰ আখৰা শীৰ্ষক এক অনুষ্ঠানত অংশগ্ৰহণ কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ প্ৰাঞ্জল বুঢ়াগোহাঁই, পুনম গগৈ (এ. চি. এচ), গুৱাহাটী। অনুষ্ঠানটোৰ উদ্বোধন কৰিব অসম মাধ্যমিক শিক্ষা পৰিষদৰ উপসঞ্চালক দীপিকা চৌধুৰীয়ে। গ্ৰন্থমেলা উদযাপন সমিতি তথা মিলনজ্যোতি সংঘৰ সাধাৰণ সম্পাদক নিৰোদ দত্তই ১০ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা 'চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা'ত গ্ৰন্থপ্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে।

## গোলাঘাটৰ ৰঙাজানত নিশা

মংগলদৈৰ পৰা ডিমাপুৰ অভিমুখে গৈ থকা এখন গাহৰি ভৰ্তি ট্ৰাকৰ চালকক ভয় ভাবুকিৰে ধন দাবী কৰি লুটপাতৰ চেষ্টা চলাওঁতেই গোলাঘাট আৰক্ষীয়ে হাতে লুটে ধৰিবলৈ সক্ষম হয় পৰ্টেল সাংবাদিকসহ জাতীয় সংগঠনৰ তিনিজনক। ধৃত কেইজনৰ নাম ক্ৰমে বিতু মুণ্ডা, ডেনিছ বৰা, প্ৰাঞ্জল বৰা আৰু গৌতম ঠেঙাল। এইকেইজনে দীৰ্ঘদীন ধৰি ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথত বিভিন্ন মালবাহী বাহনৰ পৰা ধনদাবীৰে লুটপাত চলাই অহাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে শেহতীয়াকৈ ৰঙাজানৰ এটা বাসগৃহত ডকাইতিকাণ্ড সংঘটিত হোৱা ঘটনাত জড়িত থকাৰ ক্লু পাইছে আৰক্ষীয়ে। ইফালে এই চাৰিজনৰ লগতে এই কাণ্ড সমূহত আৰু বহু কেইজন লোক থকাৰ সন্দেহ গোলাঘাট আৰক্ষীৰ। বৰ্তমান চাৰিজনক আৰক্ষীয়ে মাৰাথান জেৰা চলাই তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ ৰঙাজান আঞ্চলিক সমিতিৰ বিষয়ববীয়া ডেনিছ বৰাই গোলাঘাট জিলাত গাহৰি বিক্ৰী বন্ধ আছে বাবেই আমি গাহৰিৰ গাড়ী ধৰিছিলো বুলি কৰে মন্তব্য। ইফালে এই সম্পৰ্কে এজন পৰ্টেলৰ সাংবাদিক বিতু মুণ্ডাই কয় মোক সংগঠনৰ লৰাই গাহৰি ভৰ্তি গাড়ী আছে বুলি মাতিছিল আৰু মই গৈ মোবাইল ওলাওঁতে আৰক্ষীয়ে ধৰিলে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ডেনিছ বৰাৰ নেতৃত্বত এই দলটোৱে ৰাষ্ট্ৰীয় ঘাইপথত চিনৰ পৰা গোপনে সৰবৰাহ কৰা নহৰু ভৰ্তি গাড়ী ৰখাই ধনৰ লেনদেনৰ কৰি মুকলি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছিল। জাতীয় সংগঠন আৰু সাংবাদিকতাৰ নামত ডকাইতৰ ৰূপত ধৰা পৰা এইকেইটাৰ কাণ্ডই লজ্জানত কৰিছে সকলোকে।

## জুবিন ক্ষেত্ৰৰ দান বাকচৰ লাখ লাখ টকা

ধূপ-দীপ জ্বলাই, চকুলো টুকি শ্ৰদ্ধাঞ্জলি জনাইছে। য'ত শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হৈছিল, সেই পবিত্ৰ স্থানটো এতিয়া লাখ লাখ অনুৰাগীৰ বাবে এক তীৰ্থক্ষেত্ৰত পৰিণত হৈছে। কিন্তু এই পবিত্ৰ ক্ষেত্ৰক লৈ এতিয়া কুচক্ৰী ৰাজনীতি আৰু ধনৰ কেলেংকাৰিৰ অভিযোগে সমগ্ৰ অঞ্চলত উত্তেজনাৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ পিছৰে পৰা স্থানীয় প্ৰশান্ত বৰদলৈ, দয়ালী দেউৰী, ভৃগু ঠাকুৰীয়া, সীমা বণিয়া, অজয় তালুকদাৰ আৰু বিনীতা দাসকে ধৰি ছয়গৰাকী নিস্বাৰ্থ সেৱক-সেৱিকাই স্বেচ্ছাই জুবিন ক্ষেত্ৰৰ চোৱা-চিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু প্ৰতিদিনে ধূপ-দীপ জ্বলোৱাৰ দায়িত্ব লৈ আহিছিল। এই কামৰ বাবদে শিল্পী মানস ৰবীনে মানৱীয় কাৰণত তেওঁলোকক মাহিলি দহ হাজাৰকৈ টকা প্ৰদান কৰিছিল। কিন্তু এই সহায় ধন লোৱাৰ পিছতে একাংশ লোকে প্ৰশাসনৰ অজ্ঞাতে জুবিন ক্ষেত্ৰ পৰিচালনাৰ বাবে নতুন কমিটী গঠনৰ চেষ্টা আৰম্ভ কৰে বুলি অভিযোগ উঠিছে। আৰু আচৰিতৰ কথা, এই একেই ছয়গৰাকী সেৱক-সেৱিকাকেই এতিয়া জুবিন ক্ষেত্ৰত ধূপ-দীপ জ্বলাবলৈ বাধা দিয়া হৈছে। তেওঁলোকক "ইয়াৰ পৰা গুচি যোৱা নহ'লে ঠেং ভাঙি দিম" বুলি ভাবুকি প্ৰদান কৰা হৈছে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাৰ পিছতে সমগ্ৰ অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আৰু একাংশই ইয়াক সুপৰিকল্পিত ৰাজনৈতিক চক্ৰান্ত বুলি অভিহিত কৰিছে। আনহাতে, আজি জুবিন ক্ষেত্ৰত স্থানীয় ৰাইজে আয়োজন কৰা সংবাদমেলত পূৰ্বৰ কমিটিৰ বিৰুদ্ধে গুৰুতৰ ধন হৰলুকীৰ অভিযোগ উত্থাপন কৰা হয়। ৰাইজৰ দাবী অনুসৰি, প্ৰথম ৪০ দিনত দানবাকচত জমা আছিল ৪ লাখ ৫০ হাজাৰ টকা। কিন্তু তাৰ পিছৰ মাত্ৰ ১৯ দিনত (২ৰ পৰা ১৯ নৱেম্বৰলৈ) দেখুওৱা হৈছে ৪ লাখ ৬৩ হাজাৰ টকা। এই অস্বাভাৱিক বৃদ্ধিৰ নামত পূৰ্বৰ কমিটিৰ একাংশই লাখ লাখ টকা হৰলুকী কৰাৰ সন্দেহ প্ৰকাশ কৰি ৰাইজে প্ৰতিবাদ কৰে।" জীয়াই থাকোঁতে একাংশই জুবিন গাৰ্গক খুলি খুলি খাইছিল, এতিয়া মৃত্যুৰ পিছতো তেওঁৰ নামত অহা দানৰ ধন লুটি আছে। এই ধনৰ প্ৰতিটো পইচাৰ হিচাপ দিব লাগিব", সংবাদমেলত ৰাইজে ক্ষোভ প্ৰকাশ কৰে। ইপিনে, কমাৰকুছি পঞ্চায়তৰ সভাপতি মৃদুলা ইংজালে এই সকলো অভিযোগ খণ্ডন কৰিছে আৰু নতুন কমিটী পূৰ্বৰ কমিটীৰ লোকসকলক আঁতৰাই নোহোৱাকৈ কেৱল বৰ্ধিত ৰূপত গঠন কৰা হৈছে বুলি দাবী কৰিছে। অনুৰাগীসকলৰ একমাত্ৰ দাবী— জুবিন ক্ষেত্ৰক যেন কোনো ৰাজনৈতিক দলৰ হাতত তুলি নিদিয়ে। বিজেপি হওক বা কংগ্ৰেছ, কোনো দলে যেন এই পবিত্ৰ স্থানত ৰাজনীতি নকৰে। জুবিন ক্ষেত্ৰ কেৱল সোণাপুৰ বা ডিমৰীয়াৰ নহয়, সমগ্ৰ অসমৰ লাখ লাখ জুবিনপ্ৰেমীৰ প্ৰাণৰ স্থান। ইয়াক সকলোৰে মিলি স্বইচ্ছাই চোৱা-চিতা কৰি ৰাখক, কোনো এটা দল বা গোষ্ঠীৰ সম্পত্তি হ'ব নিদিয়ক। জুবিন গাৰ্গৰ স্মৃতি যিমান পবিত্ৰ, তাৰ সৈতে জড়িত এই স্থানো সেইদৰেই পবিত্ৰ হৈ থাকক— এয়েই প্ৰতিজন অনুৰাগীৰ আকাঙ্ক্ষা।

## দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত আৰম্ভ হ'ল

প্ৰথমবাৰৰ বাবে দ্বিপাক্ষিক সফৰ হিচাপে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিছিল। তাৰ পিছত ২০১৮ আৰু ২০২৩ চনত ব্ৰিকছ শীৰ্ষ সন্মিলনৰ বাবে তেওঁ এই দেশলৈ আহিছিল। প্ৰধানমন্ত্ৰীৰ এই সঘনাই দক্ষিণ আফ্ৰিকা সফৰে দুয়োখন দেশৰ মাজত ক্ৰমাগতভাৱে গভীৰ হৈ অহা কৌশলগত অংশীদাৰিত্ব আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ পৰিচয় বহন কৰে। এইবাৰৰ জি-২০ সন্মিলন বিশেষ তাৎপৰ্যপূৰ্ণ। ইণ্ডোনেছিয়া, ভাৰত আৰু ব্ৰাজিলৰ পিছত এয়া একেৰাহে চতুৰ্থ বছৰ যেতিয়া গ্ল'বেল চাউথৰ কোনো দেশে জি-২০ৰ সভাপতিত্ব কৰিছে। ২০২৫ চনৰ বাবে দক্ষিণ আফ্ৰিকাই এই দায়িত্ব লাভ কৰাত আফ্ৰিকা মহাদেশৰ ক্ৰমবৰ্ধমান বিশ্ব নেতৃত্বৰ ভূমিকা আৰু স্পষ্ট হৈ পৰিছে। বহুপাক্ষিক আলোচনাৰ সমান্তৰালভাৱে প্ৰধানমন্ত্ৰী মোদীয়ে দ্বিপাক্ষিক ক্ষেত্ৰতো সক্ৰিয় হৈ উঠিছে। শুকুৰবাৰে তেওঁ অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনি আলবানিজৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। দুয়োপক্ষই বাণিজ্য, প্ৰতিৰক্ষা, নবীকৰণযোগ্য শক্তি আৰু শিক্ষাৰ ক্ষেত্ৰত সহযোগিতা আৰু অংশীদাৰিত্ব আৰু গভীৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জোহান্সবাৰ্গত প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় প্ৰবাসী সম্প্ৰদায়ৰ সৈতেও উষ্ম সম্পৰ্ক বজাই ৰাখিছে। তেওঁ 'ভাৰত কো জানো' কুইজ প্ৰতিযোগিতাৰ বিজয়ী প্ৰবাসী যুৱক-যুৱতীসকলৰ সৈতে সাক্ষাৎ কৰে। এ'ত পোষ্ট কৰি তেওঁ লিখে, "দক্ষিণ আফ্ৰিকাত 'ভাৰত কো জানো' কুইজৰ বিজয়ীসকলৰ সৈতে লগ হ'লোঁ। এই কুইজে প্ৰবাসীসকলক ভাৰতৰ ইতিহাস, সংস্কৃতি আৰু ঐতিহ্যৰ বিষয়ে গভীৰভাৱে জনাৰ সুযোগ দিয়ে। ই আমাৰ প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মাতৃভূমিৰ আৱেগিক সংযোগক আৰু দৃঢ় কৰি তুলিছে।" একেদৰে তেওঁ আমেৰিকাৰ বিখ্যাত টেক কোম্পানী নাছপাৰ্ছৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়াৰ সৈতেও বৈঠক কৰে। আলোচনাত ভাৰতৰ দ্ৰুতগতিত বৃদ্ধি পোৱা ডিজিটেল পৰিৱেশতন্ত্ৰত বিনিয়োগ বৃদ্ধি আৰু সহযোগিতাৰ বিষয়ে বিশদভাৱে কথা পাতে। সাংস্কৃতিক ক্ষেত্ৰতো প্ৰধানমন্ত্ৰীৰ এই সফৰ অতি আৱেগিক হৈ পৰিছে। জোহান্সবাৰ্গত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠানত তেওঁৰ উপস্থিতিত গিৰ্মিটিয়া সম্প্ৰদায়ৰ পৰম্পৰাগত 'গংগা মাইয়া' গীত পৰিৱেশন কৰা হয়। বিশেষকৈ এই গীত তামিল ভাষাতো গোৱা হোৱাত অনুষ্ঠানটো আৰু অধিক আৱেগময় হৈ পৰে। প্ৰধানমন্ত্ৰীয়ে এ'ত লিখে, "গংগা মাইয়া গীত শুনি সঁচাকৈয়ে হিয়া ভৰি পৰিল। কেইবাশ বছৰৰ আগতে যিসকলে এই মাটিত প্ৰব্ৰজন কৰিছিল, তেওঁলোকৰ আশা, সাহস আৰু মাতৃভূমিৰ প্ৰতি অপৰিসীম মমতা এই গীতৰ মাজেৰে প্ৰকাশ পায়। তামিল ভাষাতো এই গীত গোৱাৰ দৃশ্য দেখি ভাৰতৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ সৌন্দৰ্য্য আৰু প্ৰবাসীসকলৰ অটুট সাংস্কৃতিক সংযোগৰ সাক্ষী হ'লোঁ।" প্ৰধানমন্ত্ৰী মোদীৰ এই সফৰে ভাৰতৰ বিশ্বমঞ্চত ক্ৰমবৰ্ধমান প্ৰভাৱ আৰু প্ৰবাসী ভাৰতীয়সকলৰ সৈতে তেওঁৰ গভীৰ আৱেগিক সংযোগৰ পুনৰ প্ৰতিফলন ঘটাইছে।

## টেষ্ট মানচিত্ৰত বৰ্ষাপাৰাৰ অভিলেখ

আফ্ৰিকাই প্ৰথম টেষ্টৰ পৰা এটামাত্ৰ পৰিৱৰ্তন কৰিছে — কৰ্বিন বচৰৰ ঠাইত দলত স্থান পাইছে ছেনুৰন মুথুস্বামীয়ে। প্ৰথম টেষ্টত কলকাতাৰ ইডেন গাৰ্ডেনত জয়লাভ কৰি দক্ষিণ আফ্ৰিকা শৃংখলাত ১-০ ব্যৱধানত আগবাঢ়ি আছে। অসমৰ ক্ৰীড়াপ্ৰেমীসকলৰ বাবে এয়া এক ঐতিহাসিক দিন। প্ৰায় ৪০ হাজাৰ দৰ্শক ধাৰণ ক্ষমতাৰ এই ষ্টেডিয়ামত হাজাৰ হাজাৰ দৰ্শকে উপস্থিত হৈ এই ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হৈ ৰয় আৰু অসমৰ ক্ৰিকেটৰ সোণালী ভৱিষ্যতৰ সপোন দেখিছে।

## মঞ্চ ভাঙিলে দৰ্শকে অনুৰাগীৰ মাজত ক্ষোভৰ

কলংকিত উদাহৰণ হৈ পৰিছে। জীৱন জ্যোতি ক্লাবৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত মঞ্চত এগৰাকী বহিৰাগত যুৱতী নৃত্যশিল্পীয়ে বিহাৰী গীতৰ সুৰত অতি উদ্দাম আৰু অশ্লীল ভংগিমাৰে নৃত্য পৰিৱেশন কৰে। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখতে এনে অশ্লীল প্ৰদৰ্শনীৰ ফলত উপস্থিত দৰ্শকৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হয়। ঘটনাস্থলীত উপস্থিত আৰক্ষীয়ে নৃত্য বন্ধ কৰিবলৈ চেষ্টা কৰিলে দৰ্শকৰ একাংশই উত্তেজিত হৈ মঞ্চ ভাঙি পেলায় আৰু সা-সৰঞ্জামত ব্যাপক ধ্বংসযজ্ঞ চলায়। এই ঘটনাই সমগ্ৰ অসমৰ জুবিন অনুৰাগীৰ মাজত গভীৰ আঘাত দিছে। বহুতে প্ৰশ্ন উত্থাপন কৰিছে— এয়া জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নে চৰম অপমান? জুবিনৰ নামত আয়োজিত অনুষ্ঠানত এনে অশ্লীলতাৰ প্ৰদান কৰাটোৱে শিল্পীগৰাকীৰ স্মৃতিৰ লগতে সমগ্ৰ অসমীয়া সংস্কৃতিকো অপমান কৰা বুলি সচেতন মহলে মন্তব্য কৰিছে। আনহাতে, এই অপসংস্কৃতিৰ আয়োজনৰ বাবে কোনে অনুমতি দিলে, সেই প্ৰশ্নই এতিয়া সৰৱ হৈ উঠিছে। জীৱন জ্যোতি ক্লাবৰ দায়িত্বহীনতা আৰু এনে কাৰ্যসূচীৰ অনুমোদন দিয়া স্থানীয় প্ৰশাসনৰ ভূমিকাক লৈও সমালোচনাৰ ঝড় উঠিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পূৰ্বে কোৱা "জুবিনৰ নকল অনুৰাগী"ৰ কথাখিনি যেন এই ঘটনাই হাতে কামে প্ৰমাণ কৰি দেখুৱালে বুলি বহুতে মন্তব্য কৰিছে। প্ৰকৃত অনুৰাগীয়ে জুবিন গাৰ্গক সদায় সংগীত আৰু মানৱতাৰে স্মৰণ কৰি আহিছে, কিন্তু এনে উদ্ভণ্ডালিৰ নামত জুবিনৰ নাম ব্যৱহাৰ কৰাটোৱে সমগ্ৰ অসমীয়া জাতিকেই লজ্জানত কৰিলে বুলি সচেতন ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি সঁচা শ্ৰদ্ধা দেখুৱাবলৈ হ'লে এনে অশ্লীলতা আৰু বিশৃংখলাৰ পৰা দূৰত থাকক— এয়াই এতিয়া প্ৰতিজন প্ৰকৃত অনুৰাগীৰ দাবী।

**মইনাৰ কল্লোলত মুখৰিত পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়; সহস্ৰাধিক মইনাৰ অংশগ্ৰহণ**

# মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ শিশু সমাৰোহ আৰম্ভ

### ৩৫খন শাখা মইনা পাৰিজাতৰ অংশগ্ৰহণ



**অসম বাৰ্তা, উজনী মাজুলী, ২২ নৱেম্বৰ ঃ** মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ দ্বি বাৰ্ষিক শিশু সমাৰোহখন আজিৰ পৰা আড়ম্বৰপূৰ্ণভাৱে মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আৰম্ভ হৈছে। গড়মূৰ সদৰ আঞ্চলিক মইনা পাৰিজাতৰ সহযোগত আজি পুৱাৰ পৰা তিনিদিনীয়াকৈ উক্ত মাজুলী জিলা মইনা পাৰিজাতৰ শিশু সমাৰোহখন সহস্ৰাধিক মইনাৰ অংশগ্ৰহণৰে আৰম্ভ হৈছে। মাজুলীৰ বিভিন্ন প্ৰান্তৰ ৩৫খন শাখা মইনা পাৰিজাতৰ সহস্ৰাধিক মইনা আৰু পৰিচালক-পৰিচালিকাই উক্ত শিশু সমাৰোহত আজি পুৱাৰ পৰাই অংশগ্ৰহণ কৰি সমগ্ৰ অঞ্চলটো মুখৰিত কৰি তোলে। আজি সহস্ৰাধিক শিশুৰ কলকলনি, শুভ্ৰ পোছাক পৰিহিত মইনাসকলে সমগ্ৰ অঞ্চলটোক এক নৈসৰ্গিক শোভা দেখা যায়। উক্ত, শিশু সমাৰোহ উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰে বিশিষ্ট পৰিৱেশ কৰ্মী তথা সেউজ বন্ধু অতুল হাজৰিকাই। আজি পুৱা ন' বজাত প্ৰতিনিধি নাম পঞ্জীয়নৰ পাছত চিকিৎসা শিবিৰ মুকলি কৰে মাজুলীৰ বিশিষ্ট চিকিৎসক ডাঃ মাণিক মিলিয়ে। পুৱা দহ বজাত পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত প্ৰতিনিধি শিবিৰ মুকলি কৰে আদৰণী সমিতিৰ সভাপতি ভূপেন দত্তই। তাৰপিছত গ্ৰন্থ বিপনী উন্মোচন কৰে ৰাৱনাপাৰ আঞ্চলিক মইনা পাৰিজাতৰ মইনা আয়ুস্মী হাজৰিকাই। তাৰপিছত বিজ্ঞান প্ৰদৰ্শনী উদ্বোধন আৰু চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ মইনা প্ৰত্যাশা মুক্তিয়াৰে। সাহিত্য প্ৰতিযোগিতা উদ্যোধন কৰে কনকলতা মইনা পাৰিজাতৰ মইনা লিপিকা পায়েঙে। দুপৰীয়া বাৰ বজাৰ পৰা জিলা মইনা পাৰিজাতৰ সাহিত্য সম্পাদক ৰাতুল বৰাৰ পৰিচালনাত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া সংগীত প্ৰতিযোগিতা উদ্বোধন কৰে ৰাৱনাপাৰ আঞ্চলিক মইনা পাৰিজাতৰ জয়ন্ত মাধৱ বৰাই। উক্ত, শিশু সমাৰোহ উপলক্ষে কাইলৈৰ পুৱা ন' বজাত পতাকা উত্তোলন, মাৰ্চ পাষ্ট প্ৰতিযোগিতা, দহ বজাত ক্ৰীড়া প্ৰতিযোগিতা আৰু বিয়লি পুনৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৪ নৱেম্বৰত পুৱা ন' বজাত প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰা, দুপৰীয়া গড়মূৰ বংশীগোপাল নাট্য মন্দিৰত স্মৃতি গ্ৰন্থ উন্মোচন আৰু মুকলি শিশু সমাৰোহ আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। উক্ত, শিশু সমাৰোহখনত আজি মাজুলীৰ ৰাইজে অভূতপূৰ্ব সঁহাৰি প্ৰদান কৰা দেখা গৈছে।

# জি আই টেগ লাভ কৰা অসমীয়া গামোচা আৰু আন হস্তুতাঁত উৎপাদিত বস্ত্ৰৰ উৎপাদন বৃদ্ধিৰ বাবে চৰকাৰৰ বিশেষ পদক্ষেপ




**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২২ নৱেম্বৰ ঃ** অসম চৰকাৰৰ হস্তুতাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ে ৰাজ্যখনত থলুৱা ভাবে উৎপাদিত গামোচাত জি আই টেগ লগোৱাটো বাধ্যতামূলক কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। এই উদ্দেশ্যৰে ৰাজ্যখনৰ আন জিলাসমূহৰ দৰে ওদালগুৰি জিলাৰ হস্তুতাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সহকাৰী সঞ্চালকৰ কাৰ্যালয়ৰ উদ্যোগত কালি ওদালগুৰি পৌৰসভাৰ প্ৰেক্ষাগৃহত 'অসমীয়া গামোচা আৰু আন হস্তুতাঁত উৎপাদিত বস্ত্ৰৰ ভৌগোলিক সূচক' শীৰ্ষক সজাগতা সভা অনুষ্ঠিত হয়। এই সজাগতা সভাৰ জৰিয়তে শিপিনী সকলক গামোচা, আৰনাই তথা জি আই স্বীকৃতি লাভ কৰা বস্ত্ৰ সমূহৰ উৎপাদন আৰু বিক্ৰীৰ বাবে উৎসাহ যোগোৱাৰ লগতে চেন্নাইৰ জি আই কাৰ্যালয়ত অথৰাইজদ ইউজাৰৰ পঞ্জীয়নৰ প্ৰক্ৰিয়া সমূহৰ বিষয়ে বিশদভাৱে বুজাই দিয়া হয়। ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা প্ৰায় ২০০ গৰাকী শিপিনীৰ আগত সমল ব্যক্তিৰূপে উপস্থিত থকা অসম চৰকাৰৰ হস্তুতাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ উপ সঞ্চালক মিজানুৰ ৰহমানে শিপিনী সকলক জি আই টেগ লাভ কৰা বিষয়টোকলৈ অকল গৌৰৱ কৰি থকাৰ পৰিবৰ্তে হাতে কামে ইয়াৰ উৎপাদন বৃদ্ধিৰ বাবে অনুৰোধ জনায়। ভাষণ প্ৰসংগত সমল ব্যক্তি গৰাকীয়ে হস্তুতাঁত বস্ত্ৰৰ সুৰক্ষা তথা বজাৰ বৃদ্ধিৰ বাবে হস্তুতাঁত (উৎপাদিত সামগ্ৰী সংৰক্ষণ) আইন, ১৯৮৫, হেণ্ডলুম ব্ৰেণ্ড,জন সুৰক্ষা যোজনা আদিৰ বিষয়ে আলোকপাত কৰে। তেওঁ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে হস্তুতাঁত আৰু বস্ত্ৰশিল্প খণ্ডৰ উত্তৰণৰ বাবে গ্ৰহণ কৰা আঁচনি সমূহৰ বিষয়েও উল্লেখ কৰে। অনুষ্ঠানত ওদালগুৰি জিলাৰ হস্তুতাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সহকাৰী সঞ্চালক চন্দন দাসে তেওঁৰ ভাষণত হস্তুতাঁত শিল্পৰ জৰিয়তে স্ব-নিয়োগৰ সুবিধা আৰু শ্ৰম বিভাগৰ অধীনত শিপিনী সকলৰ পেঞ্চনৰ ব্যৱস্থাৰ বিষয়ে অৱগত কৰে। ওদালগুৰি জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক মোহাক্ষি দত্ত হাজৰিকা, ওদালগুৰি জিলা ৰেচম বিভাগৰ অধীক্ষক প্ৰদীপ কুমাৰ মিশ্ৰ আৰু হস্তুতাঁত বস্ত্ৰশিল্প বিভাগৰ বিষয়া কৰ্মচাৰী উপস্থিত থকা এই সজাগতা সভাত ৰাজ্যিক বঁটা প্ৰাপক দুগৰাকী শিপিনীক সম্বৰ্ধনা জনোৱাৰ লগতে হেণ্ডলুম মাৰ্কৰ চাৰ্টিফিকেট সমূহ বিতৰণ কৰা হয়।

# কণানদী উচ্চ মাধ্যমিক বিদ্যালয়ত ৩২ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সামৰণি

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ২২ নৱেম্বৰ ঃ** লখিমপুৰ জিলা শিক্ষা খণ্ডৰ অন্তৰ্গত কণানদী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৩২ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। যোৱা ১৯ নৱেম্বৰৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বাৰ্ষিক অধিৱেশনৰ আজি অন্তিম দিনা মুকলি সভা অনুষ্ঠিত হয়।প্ৰথম দিনা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে কণানদী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা ছাত্ৰ একতা সভাৰ সভাপতি পংকজ ছায়েঙ্গীয়াই। অন্যান্য কাৰ্যসূচীৰ পিছত অনুষ্ঠিত সাহিত্য প্ৰতিযোগিতা উদ্বোধন কৰে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অসমীয়া প্ৰতিদিনৰ বগীনদীৰ স্থানীয় সাংবাদিক দিপ প্ৰতিম বৰাই। ২০ নৱেম্বৰৰ কাৰ্যসূচীত ক্ৰীড়া আৰু কৃষ্টি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২১ নৱেম্বৰতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পিছত আজি শেষৰ দিনা অনুষ্ঠিত মুকলি প্ৰতিযোগিতাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি বিৰেণ চন্দ্ৰ বৰাই। উদ্বোধন কৰে কণানদী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক দিলীপ ভূঞাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ৰূপহী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমল নেওগ। কেইবাগৰাকী বিভিন্ন বিদ্যালয়ৰ কৰ্মৰত শিক্ষক আৰু অৱসৰপ্ৰাপ্ত শিক্ষক মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাৰ শেষত বিভিন্ন প্ৰতিযোগিতাত স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলক পুৰস্কাৰ বিতৰণ কৰা হয়।

# কাকপথাৰ বৰডিৰাকত পথ দুৰ্ঘটনাত ৩জন নিহত

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ বৰডুমচা আৰক্ষী থানাৰ অন্তৰ্গত বৰডিৰাকৰ খাটোৱা গাঁৱত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত তিনিজন যুৱক নিহত হয়। পথৰ দাঁতিত ৰখাই থোৱা পাইপ পৰিবাহী ট্ৰেইলাৰ গাড়ী(AS03F - 1300)ত পাছফালৰ পৰা এখন স্কুটী(AS23Y - 4198)এ খুন্দিয়াই দিয়াত দুৰ্ঘটনাটো সংঘটিত হয়। ফলত স্কুটীখনত উঠি অহা বৰডুমচা অঞ্চলৰ তালপথাৰ লিটং ৰাথু গাঁৱৰ সুৰজ ফুকন, দ্বীপজ্যোতি মৰাণ আৰু দিপাংকৰ মৰাণ নামৰ তিনিজন যুৱক নিহত হয়। আহত অৱস্থাত তেওঁলোক তিনিওকে ডুমডুমা এফ. আৰ. ইউ. চিকিৎসালয়লৈ অনা হয়। চিকিৎসকে তৎক্ষণাত চিকিৎসা আৰম্ভ কৰে যদিও তিনিওৰে মৃত্যু হয়।

# ডিব্ৰুগডৰ দুলীয়া দাইনিজানত সাংস্কৃতিক প্ৰকল্পৰ আধাৰশিলা সোণোৱাল স্বায়ত্ত পৰিষদৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২২ নৱেম্বৰ ঃ** সোণোৱাল কছাৰী জনজাতিৰ জাতীয় সংগঠনৰ দীৰ্ঘদিনীয়া সমস্যা হিচাপে পৰিগণিত 'স্থায়ী কাৰ্যালয়ৰ সমস্যা লাঘৱ কৰাৰ বাবে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে চাৰিমহলীয়া এটি ভৱন (জি প্লাছ ফ'ৰ) নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে ডিব্ৰুগড়ৰ সমীপৱৰ্তী ডিব্ৰুগড় বাই পাছৰ দুলীয়া-দাইনিজান বাইথ' মন্দিৰৰ সমীপত। সম্পুৰ্ণ মাংগলিক কাৰ্যসূচীৰে আৰু চাৰিমুখীয়া বন্তি প্ৰজ্বলনেৰে ভৱনটোৰ আধাৰশিলা স্থাপন কৰে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে। এই উপলক্ষে আয়োজিত এক অনুষ্টুপীয়া অনুষ্ঠানত ভাষণ দি সোণোৱালে কয় যে জনজাতিটোৰ সামগ্ৰিক উন্নয়নত জাতীয় সংগঠনসমূহৰ যথেষ্ট ভূমিকা আছে। কিন্তু এই জাতীয় সংগঠনসমূহৰ এক স্থায়ী কাৰ্যালয় নথকাৰ বাবে বহু অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈ আহিছে। এই সমস্যা দূৰ কৰিবৰ বাবেই আৰু সংগঠনসমূহৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি ২০২৩-২০২৪ বিত্তীয় বৰ্ষৰ অধীনত চাৰিমহলীয়া ভৱনৰ নিৰ্মাণৰ পৰিকল্পনা কৰি এই আধাৰশিলা স্থাপন কৰা হৈছে। ইয়াৰ বাবে পৰিষদে প্ৰথম কিস্তি হিচাপে ৭৯ লাখ টকা মোকলাই দিছে। এই ধনেৰে ভূমি মহলা সম্পুৰ্ণ হোৱাৰ পিছত পৰৱৰ্তী মহলাৰ বাবে যাৱতীয় ধনৰ অনুমোদন জনোৱা হ'ব। এই ভৱনটোত জনজাতিটোৰ সংগঠন ক্ৰমে সোণোৱাল কছাৰী জাতীয় পৰিষদ, সোণোৱাল কছাৰী সাহিত্য সভা, সোণোৱাল কছাৰী কালছাৰেল ছ'চাইটিৰ লগতে সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ জিলা কাৰ্যালয়ৰ বাবে পৃথক কোঠা থাকিব। গৃহটোত আন কি কি সাংস্কৃতিক প্ৰকল্প সন্নিৱিষ্ট হ'ব সেয়া আলোচনা কৰি তাৰ প্ৰাককলন শীঘ্ৰে প্ৰস্তুত কৰিবৰ বাবেও সংগঠনকেইটাক সোণোৱালে আহ্বান জনায়। এই ভৱনটো নিৰ্মাণৰ কাম সম্পুৰ্ণ হৈ উঠিলে জাতীয় সংগঠনসমূহৰ এক দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান হ'ব বুলিও ভাষণত মুখ্য কাৰ্যবাহী সদস্য গৰাকীয়ে উল্লেখ কৰে। সোণোৱাল কছাৰী সাহিত্য সভাৰ মুখ্য সম্পাদক মৃদুল সোণোৱালে আঁতধৰা সভাত কেউটা জাতীয় সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু পৰিষদৰ সদস্য ঋষিকেশ শইকীয়া, ৰিদীপ হাজৰিকা, খনিন্দ্ৰ সোণোৱাল আদি উপস্থিত থাকে।

# দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে গোলাঘাট জিলাৰ এলেংমূৰীয়া প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱ আৰম্ভ, স্মৃতিগ্ৰন্থ উন্মোচন



**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২২ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ ঐতিহ্যমণ্ডিত এলেংমূৰীয়া প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱ দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আজিৰে পৰা আৰম্ভ হৈছে। এই উপলক্ষে বিশিষ্ট লেখক শিক্ষাবিদ পুৰঞ্জয় গোস্বামীয়ে পৰিচালনা কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থ 'এলেংমূৰীয়া' শুভ উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞাই। উন্মোচনী অনুষ্ঠানত মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি জগত চন্দ্ৰ দত্ত, কাৰ্যকৰী সভাপতি দীপক দত্ত, স্মৃতিগ্ৰন্থৰ সম্পাদক বিশ্বজিৎ ৰাজখোৱা, সাংবাদিক প্ৰশান্ত প্ৰসাদ দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষক বিমান গোস্বামী, জীতেন শৰ্মা, যাদৱ দত্ত, নিভা দত্ত, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অমৃত দত্ত, প্ৰধান শিক্ষক লোচন বৰা আদি উপস্থিত থাকে। মহাৰজত জয়ন্তী উপলক্ষে আজি ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ, চিত্ৰাংকন আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰশান্ত প্ৰসাদ দত্তৰ সঞ্চালনত অনুষ্ঠিত হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ আৰু অন্তৰংগ আলাপত বিপুল সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। পুৱা পতাকা উত্তোলন, গছপুলি ৰোপণ, শ্বহীদ তৰ্পণ, জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আদি অনুষ্ঠিত হয়। কাইলৈ পুৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই অঞ্চলটো পৰিভ্ৰমণ কৰিব।

# আমগুৰিত গাহৰি ভৰ্তি গাড়ী জব্দ

**অসম বাৰ্তা, আমগুৰি, ২২ নৱেম্বৰ ঃ** প্ৰশাসনৰ নিষেধাজ্ঞা উলংঘা কৰি শিৱসাগৰ জিলাৰ আমগুৰিত অব্যাহত আছে গাহৰিৰ বেচা কিনা কাৰ্য্য। উল্লেখযোগ্য যে, শিৱসাগৰ জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰে সংহাৰী ৰূপ ধাৰণৰ সমান্তৰালকৈ জিলা প্ৰশাসনে গাহৰি মাংস বিক্ৰী আৰু সৰবৰাহ বন্ধ ৰাখিছিল। কিন্তু একাংশ গাহৰি পালকে সংগোপনে বিক্ৰী কৰি আছে গাহৰি আৰু একাংশ ব্যৱসায়ীয়ে নিশাৰ আন্ধাৰত গাঁৱে গাঁৱে গাহৰি ক্ৰয় কৰি নগালেণ্ডৰ লগতে অসমৰ আন জিলালৈ প্ৰেৰণ কৰি আহিছে। যোৱা নিশা এনে এটা চক্ৰই নগালেণ্ডলৈ গাহৰি সৰবৰাহ কৰা এখন বাহন আমগুৰি চাওদাং গাঁৱত আৰক্ষীয়ে জব্দ কৰে। জানিবপৰামতে এএছ০৪ চিচি ০২৪৮ নম্বৰৰ টাটা মে' বাহনত কেইবাটাও গাহৰি নগালেণ্ডলৈ সৰবৰাহ কৰিবলৈ লোৱাৰ সময়তে আমগুৰি আৰক্ষীয়ে সাউদ গাঁৱত আটক কৰে। আৰক্ষীয়ে বাহনখনৰ লগত দুজন লোকক আটক কৰিছে। উল্লেখযোগ্য যে, আফ্ৰিকান ছোৱাইন ফিভাৰৰ গইনা লৈ থলুৱা গাহৰি পালকক মূৰত মাৰি ১০০০/১৫০০ টকাত গাহৰি ক্ৰয় কৰি নগালেণ্ডত অধিক দামত বিক্ৰীৰ অভিযোগ উত্থাপিত হৈ আহিছিল এই চক্ৰটোৰ বিৰুদ্ধে। বিভিন্ন দল সংগঠনে আমগুৰি আৰক্ষীৰ লগতে জিলা প্ৰশাসনক এই চক্ৰটোৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# ৰণ্টুপানী ফুকনসহ বাকী সদস্যসকলক বিনাচৰ্তে মুক্তি দাবীত শিৱসাগৰত বীৰ লাচিত সেনাৰ প্ৰতিবাদ

**অসম বাৰ্তা, জয়সাগৰ, ২২ নৱেম্বৰ ঃ** আজি শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত বীৰ লাচিত সেনা অসমে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে। এই প্ৰতিবাদত জড়িয়তে সংগঠনটোৱে বীৰ লাচিত সেনাৰ মুখ্য সচিব ৰন্টুপানী ফুকন, উজ্জ্বল ৰাজখোৱা, উৎপল অসম, তন্ময় চেতিয়াসহ যি সকল কৰ্মীক গ্ৰেপ্তাৰ কৰি থৈছে সকলোকে বিনাচৰ্তে মুক্তি দাবীত অৱস্থান ধৰ্মঘট বীৰ লাচিত ৰূপায়ণ কৰে। বীৰ লাচিত সেনাৰ শিৱসাগৰ জিলা সমিতিৰ শতাধিক কৰ্মী তথা বিষয়ববীয়াই সংগ্ৰামী সতীৰ্থক মুক্তি দিয়ক, বীৰ লাচিত সেনা জিন্দাবাদ আদি শ্লোগান দি উত্তাল কৰে পৰিৱেশ। যোৱা ২৭ অক্টোবৰত এখন সংবাদমেল সম্বোধন কৰোঁতেই ৰন্টু পানী ফুকন সহ কেইবাগৰাকী বিষয়ববীয়াক গ্ৰেপ্তাৰ কৰিছিল মহানগৰ আৰক্ষীয়ে।

**৬ গৰাকী প্ৰতিযোগী জিলা পৰ্যায়লৈ নিৰ্বাচিত**

# জামুগুৰি কে এন ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত জুৰীয়া খণ্ড ভিত্তিত বিজ্ঞান সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, বটদ্ৰৱা, ২২ নৱেম্বৰ ঃ** অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ তত্বাৱধানত পৰিচালিত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ জুৰীয়া খণ্ডৰ উদ্যোগত প্ৰতিবছৰৰ দৰে এইবাৰো জামুগুৰি কে.এন. ছোৱালী হাইস্কুল প্ৰাংগণত দিনযোৰা কাৰ্যসুচীৰে বিজ্ঞান সমাৰোহ-২০২৫ৰ সামৰণি পৰে। সমাৰোহ উপলক্ষে জুৰীয়া খণ্ড এলেকাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত খণ্ড ভিত্তিক বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমান্তৰাল কৈ বিজ্ঞান ভিত্তিক ৰচনা প্ৰতিযোগিতা, বিজ্ঞানৰ আৰ্হি প্ৰস্তুত প্ৰতিযোগিতা সম্পন্ন হয়। বিজ্ঞান ভিত্তি প্ৰতিযোগিতাত জামুগুৰি কে. এন. ছোৱালী হাইস্কুলৰ ছাত্ৰীৰ দলে প্ৰথম, ইউনিটিৰিয়ান জাতীয় বিদ্যালয়ৰ ছাত্ৰীৰ দলে দ্বিতীয় আৰু আলিটাঙনী মৰ্কজ একাডেমীৰ শিক্ষাৰ্থীৰ দলে তৃতীয় স্থান লাভ কৰে। বিজ্ঞান কেন্দ্ৰটোৰ সমন্বয়ক আব্দুছ ছামাদে উদ্দেশ্যে ব্যাখ্যা কৰা সভাত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্দুল আলী মুখ্য অতিথি আৰু বিজ্ঞান কেন্দ্ৰটোৰ প্ৰাক্তন সমন্বয়ক নাজিম উদ্দিন আহমেদে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে। কেবা শতাধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থকা সভাখন আঁত ধৰে বিদ্যালয়ৰ এছ এম ডি চিৰ উপ-সভাপতি তথা বিজ্ঞান কেন্দ্ৰটোৰ সহকাৰী সমন্বয়ক মাজিদুল ইছলামে। উল্লেখ্য যে অহা ২২ নৱেম্বৰত নগাঁও চহৰৰ মাৰোৱাৰী হিন্দী হাইস্কুলত অনুষ্ঠিত জিলা ভিত্তিক প্ৰতিযোগিতাত উল্লিখিত তিনিটা প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় স্থানপ্ৰাপ্ত মুঠ ৬ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰাব বুলি জানিব পৰা গৈছে।

### আজিৰে পৰা ঘৰে ঘৰে যাব বি. এল. অ'

# তিনিচুকীয়াতো ভোটাৰ তালিকাৰ বিশেষ সংশোধনী আৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ নৱেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য অংশৰ লগতে তিনিচুকীয়া জিলাতো ভোটাৰ তালিকাৰ সংক্ষিপ্ত সংশোধনীৰ কাম আৰম্ভ হৈছে। এই সম্পৰ্কত আজি এখন সংবাদমেলত জিলা আয়ুক্ত স্বপ্নীল পালে জানিবলৈ দি কয় যে, যিহেতু অহা বছৰ অসমতো বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব, সেয়েহে বিধি অনুযায়ী ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ কাম আৰম্ভ কৰা হৈছে। তাৰ বাবে ভোট গ্ৰহণ কেন্দ্ৰ বিষয়াসকল কাইলৈৰ পৰা ঘৰে ঘৰে গৈ ভোটাৰ তালিকাত নাম থকা ভোটাৰৰ তথ্য নিশ্চিত কৰিব। এই প্ৰক্ৰিয়াৰে মৃত আৰু স্থানান্তৰিত ভোটাৰৰ সকলৰ নাম কৰ্তন কৰা হ'ব আৰু নবীন প্ৰাপ্ত বয়স্ক ভোটাৰৰ নাম তালিকাত সন্নিৱিষ্ট কৰা হ'ব। পিছে সেয়া স্বয়ংক্ৰিয় ভাৱে বা বিএলঅ সকলে নিজা ববীয়াকৈ কৰ্তন বা সংযোজন কৰিব নোৱাৰে। তাৰবাবে ৮ বা ৭ নং প্ৰপত্ৰ দাখিল হ'ব লাগিব। অৱশ্যে তেওঁ সংশ্লিষ্ট ভোটাৰলৈ ১৫ দিনৰ জাননী জাৰী কৰি সেই অনুসৰি কৰ্তনৰ ব্যৱস্থা লব পাৰিব। এই প্ৰক্ৰিয়া অহা ২০ ডিচেম্বৰলৈ চলিব। ২৭ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশৰ পিছত সেইদিনাৰ পৰা ২২ জানুৱাৰী ২০২৬ লৈ ৰাইজৰ দাবী আৰু আপত্তি গ্ৰহণ কৰা হ'ব। ২ ফেব্ৰুৱাৰীৰ ভিতৰত সকলো দাবী আৰু আপত্তি নিস্পত্তি কৰা হ'ব আৰু ১০ ফেব্ৰুৱাৰীত চূড়ান্ত তালিকা প্ৰকাশ পাব। জিলা আয়ুক্ত গৰাকীয়ে কয় যে, এই সংশোধনী বিস্তৃত সংশোধনী নহয়। সেয়ে ইয়াত ভোটাৰ তালিকাৰ ব্যাপক সাল-সলনি হোৱাৰ সম্ভাৱনা নাই। সংবাদমেলৰ পিছতে জিলা আয়ুক্ত গৰাকীয়ে তিনিচুকীয়া জিলাৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতেও এখন সভাত মিলিত হৈ গোটেই সংশোধনী প্ৰক্ৰিয়াটোৰ বিষয়ে বুজাই কয়। তেওঁ দলীয় প্ৰতিনিধি সকলৰ বিভিন্ন প্ৰশ্নৰ যথাযথ উত্তৰ দি বিষয়টো স্পষ্ট কৰি দিয়ে আৰু এই প্ৰক্ৰিয়াটোত সকলো দলৰ পৰা পূৰ্ণ সহযোগিতা বিচাৰে। পালে কয় যে, প্ৰতি ১০-১৫ দিনৰ মূৰে মূৰে ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে বৈঠকত মিলিত হৈ শেহতীয়া সংশোধনী প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ তথ্য জনাই থকা হ'ব। কিমানজনে ৮ আৰু ৭ নং প্ৰপত্ৰ দাখিল কৰিলে সেই বিষয়েও তথ্য জনাই থকা হ'ব বুলি উল্লেখ কৰি কয় যে, সমগ্ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছতাৰে সম্পন্ন কৰা হ'ব। এই সম্পৰ্কত ৰাজনৈতিক দলৰো কিবা আপত্তি থাকিলে সমষ্টিভিত্তিক ইআৰও সকলক জনাবলৈ তেওঁ আহ্বান জনায়। ভোটাৰসকলে বিএলঅ এপ জৰিয়তে অন লাইন আবেদনো কৰিব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে। পালে লগতে কয় যে, ভোটাৰ তালিকাৰ নিয়মীয়া সংশোধনী এটা স্বাভাৱিক প্ৰক্ৰিয়া, যিটো প্ৰতিবছৰে কৰা হয়। সভাত নিৰ্বাচন বিষয়া ময়ূৰাক্ষী দত্ত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাৰ উপৰিও কংগ্ৰেছ, বিজেপি আৰু আম আদমী পাৰ্টিৰ ভালে সংখ্যক প্ৰতিনিধি উপস্থিত থাকে।

# গোসাঁইগাঁও বি.এড কলেজৰ নৱাগত আদৰণি সভা




**অসম বাৰ্তা, গোসাঁইগাঁও, ২২ নৱেম্বৰ ঃ** গোসাঁইগাঁও বি.এড কলেজ প্ৰশিক্ষাৰ্থী সংঘৰ উদ্যোগত গোসাঁইগাঁও বি.এড কলেজৰ নৱাগত আদৰণি সভা অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ জৰিয়তে শিক্ষানুষ্ঠানলৈ নতুনকৈ অহা শিক্ষাৰ্থীসকলক আনুষ্ঠানিকভাৱে স্বাগতম জনোৱা হয় আৰু এই অনুষ্ঠানে তেওঁলোকৰ বাবে এক নতুন পৰিৱেশৰ দুৱাৰ মুকলি কৰে। নৱাগতসকলক শিক্ষানুষ্ঠানখনৰ জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। নৱাগত আদৰণি সভা উপলক্ষে মুখ্য অতিথি হিচাপে উপস্থিত থাকে কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° গণেশ চন্দ্ৰ ওৱাৰি। অনুষ্ঠানখনত জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আৰম্ভ হোৱা উক্ত আদৰণি সভাত বি, এড কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে 'সমবেত সংগীত' পৰিৱেশনৰ দ্বাৰা এক সুন্দৰ পৰিৱেশৰ সৃষ্টি কৰে। অতিথি হিচাপে উপস্থিত থাকি কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° গণেশ চন্দ্ৰ ওৱাৰি তেখেতৰ ভাষণত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়খনলৈ আদৰণি জনোৱাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। তেওঁ বৰ্তমান সময়ত মীন ক্ষেত্ৰৰ গুৰুত্ব আৰু সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক একাগ্ৰতাৰে অধ্যয়নত মনোনিৱেশ কৰিবলৈ আৰু ভৱিষ্যতে এই জ্ঞানেৰে মহকুমাৰ আৰু জিলাখনৰ লগতে ৰাজ্যখনৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াবলৈ আহ্বান জনায়। আজিৰ এই অনুষ্ঠানত বি, এড কলেজৰ প্ৰিন্সিপাল ড° অজিৎ বড়ো, ভাইচ প্ৰিন্সিপাল জেনেট চাপাৰ, আই.কিউ.এ.চিৰ সমন্বয়ক ড° অলংবাৰ স্বৰ্গীয়াৰীৰ প্ৰমুখ্যে বি, এড কলেজৰ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

# ৰূপহীহাটত গ্ৰেজিং ভূমি বেদখলমুক্তৰ জাননী

**অসম বাৰ্তা, ৰূপহীহাট, ২২ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত বেদখলকৃত ভূমি উচ্ছেদৰ বাবে চৰকাৰে কঠোৰ পদক্ষেপৰ অংশৰূপে নগাঁৱৰ ৰূপহীহাটতো বেদখলক লৈ প্ৰশাসন সৰৱ হৈ পৰিছে। ৰূপহীহাটৰ ভকতগাঁও গ্ৰেজিং ৰিজাৰ্ভত আজি কেইবাটাও পৰিয়াললৈ উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছে। গড়াজান উন্নয়ন খণ্ডৰ নামত আৱণ্টিত হৈ থকা ১২ বিঘা মাটি বেদখল মুক্ত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। চামগুৰি ৰাজহ চক্ৰ বিষয়াই অবৈধ বেদখলীক গ্ৰেজিং ৰিজাৰ্ভৰ ১২ নম্বৰ দাগৰ ৩৮ বিঘা মাটি ত্যাগ কৰাৰ বাবে জাননী দিয়ে। উক্ত ভূমিখিনিত বাহৰ পাতি থকা লোকসকলক ১৫ দিনৰ ভিতৰত ঠাই খালী কৰাৰ নিৰ্দেশ দিয়াক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে উক্ত ভূমিখিনিক প্ৰায় শতাধিক বেদখলীয়ে গ্ৰেজিং ৰিজাৰ্ভত ঘৰ বাৰী সাজি বহবাস কৰি আহিছিল। জানিব পৰা মতে ১৯৯৯ চনত ৰাজহ বিভাগে উন্নয়ন খণ্ডক আৱণ্টন দিয়া ভূমিতো বেদখলীয়ে গাওঁ পাতিছে। আজি উচ্ছেদৰ জাননী দিয়াৰ লগে লগে এই লোক সকলৰ মাজত এক প্ৰকাৰ হাহাকাৰৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

# প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰ প্ৰেৰণাৰ দেৱনীত কুমাৰ গগৈ, ৰিছি গগৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কুইজলৈ নিৰ্বাচিত

**অসম বাৰ্তা, যোৰহাট, ২২ নৱেম্বৰ ঃ** এল টি আই মাইণ্ড টী ফাউণ্ডেশ্যন (Ltimindtree Foundation)ৰ পৃষ্ঠপোষকতাত আৰু সেৱা ইন একছন (Seva in Action), আশাদীপৰ সহযোগত বিশেষ ভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে ১৯ নৱেম্বৰত নেডফিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ 'কুইজেবল ২.০' কুইজ প্ৰতিযোগিতাৰ পৰা যোৰহাটৰ চিনামৰাৰ প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰ প্ৰেৰণাৰ শিক্ষাৰ্থী দেৱনীত কুমাৰ গগৈ, ৰিছি গগৈ ৰাষ্ট্ৰীয় পৰ্যায়লৈ নিৰ্বাচিত হৈ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁলোকে বাংগালুৰুত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব। ৰাজ্যিক পৰ্যায়ৰ ফাইনেলত বিভিন্ন জিলাৰ ১৫খন শিক্ষানুষ্ঠানে অংশ গ্ৰহণ কৰিছিল। উল্লেখ্য, ৭ নৱেম্বৰত জিলা পৰ্যায়ৰ কুইজ প্ৰতিযোগিতাৰ পৰা প্ৰেৰণাৰ আইমন হুছেইন, শুভদীপ পালে নিম্ন শাখাত আৰু দেৱনীত কুমাৰ গগৈ, ৰিছি গগৈয়ে উচ্চ শাখাত নিৰ্বাচিত হৈ ৰাজ্যিক পৰ্যায়ত অংশ গ্ৰহণ কৰিছিল। শিক্ষাৰ্থী দুজনৰ এই সাফল্যত প্ৰেৰণাৰ অধ্যক্ষা চায়েৰা ৰহমানে সন্তুষ্টি প্ৰকাশ কৰিছে।

### পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সজাগতা সভাত ড° দিব্যজ্যোতি মহন্ত

# অসমৰ ২০খন মহাবিদ্যালয়ত আইটেপ (ITEP) পাঠ্যক্ৰম আৰম্ভ হৈছে

**অসম বাৰ্তা, পুৰণিগুদাম, ২২ নৱেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ আগশাৰীৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত হয় "আইটেপ"(ITEP) পাঠ্যক্ৰম বিষয়ৰ ওপৰত সজাগতা সভা। নাকৰ "এ" গ্ৰেড প্ৰাপ্ত এখন আগশাৰীৰ শিক্ষানুষ্ঠানত অনুষ্ঠিত হোৱা এই সজাগতা সভাই পুৰণিগুদামৰ লগতে দাঁতিকাষৰীয়া অঞ্চল সমূহৰ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব। মহাবিদ্যালয়ৰ স্নাতক মহলা চাৰি বছৰীয়া হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে চাৰি বছৰত মহাবিদ্যালয়ৰ পৰা একেলগে বি এ আৰু বি এড ডিগ্ৰী সমপৰ্যায়ৰ ডিগ্ৰী লাভ কৰিব। মহাবিদ্যালয়খনত শিক্ষা পৰিষদৰ পূব মণ্ডলৰ (NCTE) অধ্যক্ষ ডঃ দিব্যজ্যোতি মহন্ত উপস্থিত থাকি আইটেপ পাঠ্যক্ৰম বিষয়টোয়ে ছাত্ৰ-ছাত্ৰী সকলক কেনেদৰে উপকৃত কৰিব তাৰ




ওপৰত বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শাখাৰ ছাত্ৰ- ছাত্ৰীৰ লগতে কাষৰীয়া দুখনকৈ বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শাখাৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰোপণ কোষৰ সমন্বয়ক ভাৰ্গৱ দাসে আঁত ধৰা সজাগতা সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস, উপাধ্যক্ষ ড° সোমনাথ বৰা, পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত শইকীয়া, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সজাগতা সভাই পুৰণিগুদামলৈ আশাৰ বাৰ্তা কঢ়িয়াই অনা দিনটোত ভাষণ প্ৰসংগত বিশিষ্ট অতিথি ড° দিব্যজ্যোতি মহন্তই ছাত্ৰ-ছাত্ৰী সকলে এই বিষয়ত উপকৃত হ'বলৈ কি কৰিব লাগিব, পৰীক্ষা ব্যৱস্থা কেনেধৰণৰ হ'ব বা পৰীক্ষা কোনে অনুষ্ঠিত কৰিব সেই লৈ বহলাই ব্যাখ্যা কৰে। সজাগতা সভাত তেওঁ কয় যে, অসমৰ বহু মহাবিদ্যালয়ে এই আইটেপ পাঠ্যক্ৰম আৰম্ভ কৰিব পাৰিছে। এই বিষয়টোয়ে অসমৰ শিক্ষা ব্যৱস্থা পৰিৱৰ্তন অনাৰ লগতে শিক্ষাৰ বিকাশ সাধন কৰিব বুলি উল্লেখ কৰে। অসমৰ ২০খন মহাবিদ্যালয়ে এই পাঠ্যক্ৰম আৰম্ভ কৰাৰ লগতে পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত আৰম্ভ কৰাৰ প্ৰস্তুতি চলিছে বুলি উল্লেখ কৰে। ইফালে, মহাবিদ্যালয় অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে, পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ে আইটেপ পাঠ্যক্ৰম আৰম্ভ কৰাৰ শেষ পৰ্যায়ত উপনীত হৈছে। এই পাঠ্যক্ৰম আৰম্ভ হ'লে পুৰণিগুদামৰ লগতে দাঁতিকাষৰীয়া অঞ্চল সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষ সুবিধা লাভ কৰিব।

# চামগুৰিস্থিত ৰূপহী শিক্ষা খণ্ডৰ অধীনৰ খাটোৱাল আৰু চামগুৰি মণ্ডল সমল কেন্দ্ৰৰ সহযোগত শিক্ষণ-শিকণ সঁজুলিৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ২২ নৱেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰিস্থিত ৰূপহী প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনৰ খাটোৱাল মণ্ডল সমল কেন্দ্ৰৰ সহযোগত আজি নিজ খাটোৱাল মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষণ-শিকণ সামগ্ৰীৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। খাটোৱাল মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ কোটায়নী প্ৰাথমিক বিদ্যালয়, নিজ খাটোৱাল মধ্য ইংৰাজী বিদ্যালয়, কুৰুৱাবাহী মুক্তাৰ বিদ্যালয়, ১৪ নং খাটোৱাল প্ৰাথমিক বিদ্যালয়, ৯১৯ নং কুৰুৱাবাহী প্ৰাথমিক বিদ্যালয়, হেমাৰবড়ী সত্ৰ প্ৰাথমিক বিদ্যালয়, খাটোৱাল বৰঙাতলি মজলীয়া বিদ্যালয়, চনখন্দা প্ৰাথমিক বিদ্যালয়, গেৰুৱামুখ আদৰ্শ প্ৰাথমিক বিদ্যালয়, ২নং গেৰুকামুখ মুক্তাৰ বিদ্যালয়কে ধৰি মুঠ ১০খন বিদ্যালয়ে সমগ্ৰ শিক্ষা অসমৰ অধীনত শিক্ষণ-শিকণ সামগ্ৰীৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। ৰূপহী শিক্ষা খণ্ডৰ অধীনৰ খাটোৱাল মণ্ডল সমল কেন্দ্ৰৰ মুঠ ১০খন বিদ্যালয়ৰ দুজনকৈ শিক্ষক-শিক্ষয়ত্ৰীসকলে এই প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শিশু-শিক্ষা উপযোগী শিক্ষণ-শিকণ সামগ্ৰীৰ বিভিন্ন শিক্ষণ প্ৰণালী প্ৰদৰ্শন কৰে। ৰূপহী শিক্ষা খণ্ডৰ খাটোৱাল মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰবীণ কুমাৰ হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে খাটোৱাল বৰঙাতলি মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰফিকুল ইছলামে। নিজ খাটোৱাল মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হোৱা শিক্ষণ-শিকণ সঁজুলি প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা খনত বিচাৰক হিচাপে ৰূপহী শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি বসন্ত কৌশিক ভাগৱতী চামগুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্নয়ক কৃষ্ণ দাস কুহুমতলি মণ্ডল সমল কেন্দ্ৰৰ সমন্নয়ক পূৰ্ণ দেৱনাথ উপস্থিত থাকি প্ৰতিযোগিতাখন পৰ্যবেক্ষণ কৰে। উক্ত অনুষ্ঠান আৰম্ভ হোৱাৰ পূৰ্বে জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত নাহৰ পুলি ৰোপণ কৰে ৰূপহী শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি বসন্ত কৌশিক ভাগৱতীয়ে। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নিজ খাটোৱাল মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মীৰা বৰাসহ বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী অংশগ্ৰহণ কৰে। শিক্ষাৰ কাৰিকৰী আৰু গুণগত মান উন্নত কৰাৰ উদ্দেশ্যে শিক্ষা বিভাগৰ অধীনত এই শিক্ষণ-শিকণ সঁজুলিৰ প্ৰদৰ্শনী প্ৰতিযোগিতা দুটা পৰ্যায়ত আয়োজন কৰিছে। প্ৰথম পৰ্যায়ৰ



বুনিয়াদী "সাংখ্যিকতা" শাখা আৰু বুনিয়াদী "সাক্ষৰতা" শাখা। আনহাতে, ৰূপহী শিক্ষা খণ্ডৰ অধীনৰ চামগুৰি মণ্ডল সমল কেন্দ্ৰৰ সহযোগত সমান্তৰালভাৱে বাঘবৰালি মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষণ-শিকণ সামগ্ৰী প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। চামগুৰি মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ মুঠ ৯খন বিদ্যালয়ে উক্ত প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে বুলি চামগুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্নয়ক কৃষ্ণ দাসে জানিবলৈ দিয়ে। উক্ত প্ৰতিযোগিতাখনত বিচাৰক হিচাপে ৰূপহী শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি বসন্ত কৌশিক ভাগৱতী, খাটোৱাল মণ্ডল সমল কেন্দ্ৰৰ সমন্নয়ক প্ৰবীণ কুমাৰ হাজৰিকা, ভেলেউগুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্নয়ক জুবুল কুমাৰ বৰা আৰু মুনমী বৰা উপস্থিত থাকে। শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰা শিক্ষণ-শিকণ সঁজুলি প্ৰদৰ্শনীৰ প্ৰতিযোগিতাত স্থান লাভ কৰা বিদ্যালয়সমূহক মানপত্ৰ, ট্ৰফী প্ৰদান কৰি সন্মান প্ৰদান কৰা হয় বুলি ৰূপহী শিক্ষাখণ্ডৰ খাটোৱাল মণ্ডল সমল কেন্দ্ৰৰ সমন্নয়ক প্ৰবীণ কুমাৰ হাজৰিকা আৰু চামগুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্নয়ক কৃষ্ণ দাসে জানিবলৈ দিয়ে। লগতে শিক্ষণ-শিকণ সামগ্ৰীৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাত স্থান লাভ কৰিবলৈ সক্ষম হোৱা বিদ্যালয়ৰ সমূহে ৰূপহী শিক্ষা খণ্ড ভিত্তিত অনুষ্ঠিত হ'বলগা শিক্ষণ-শিকণ সঁজুলি প্ৰদৰ্শন আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰিব পাৰিব বুলি জানিবলৈ দিয়ে।

### তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জুবিন গাৰ্গক স্মৰণ

# বঢ়মপুৰত জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিন উদ্‌যাপন

**অসম বাৰ্তা, বঢ়মপুৰ, ২২ নৱেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ কণ্ঠশিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন পালনৰ উপলক্ষে ১৮ নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে নগাঁও জিলাৰ বঢ়মপুৰ ৰাজহুৱা খেলপথাৰত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ ব্যৱস্থাপনাত উদযাপিত হোৱা অনুষ্ঠানৰ কালি নিশা সামৰণি পৰে। সেই উপলক্ষে প্ৰথম দিনাৰ কাৰ্য্যসূচী অনুসৰি বঢ়মপুৰ ৰাজহুৱা খেলপথাৰৰ পৰা বঢ়মপুৰৰ সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সহস্ৰাধিক ৰাইজৰ অংশগ্ৰহণেৰে এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিয়লি কেনভাচ আৰু দেৱাল চিত্ৰাংকনৰ মাজেৰে অসমীয়াৰ হিয়াৰ আমঠুগৰাকীৰ বিভিন্ন ৰূপ প্ৰতিফলিত কৰা হয় আৰু সন্ধিয়ালৈ ১০, ০০১গছি বন্তি প্ৰজ্বলনেৰে এক দৃষ্টিনন্দন পৰিৱেশৰ মাজেৰে বঢ়মপুৰ ৰাজহুৱা খেলপথাৰৰ চৌদিশ আলোকিত কৰা হয়। দ্বিতীয় দিনা অৰ্থাৎ ১৯ নৱেম্বৰ তাৰিখে প্ৰিয় শিল্পীগৰাকীৰ স্মৃতি ৰক্ষাৰ্থে বঢ়মপুৰৰ বিভিন্ন চৰকাৰী অনুষ্ঠান - প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী বিদ্যালয়সমূহত ৫৩ জোপা নাহৰ গছৰ পুলি ৰোপণ কৰা হয় আৰু বিয়লিলৈ বঢ়মপুৰ শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক দুপৰীয়াৰ আহাৰ প্ৰদান কৰা হয়। শেষৰ দিনা অৰ্থাৎ কালি পুৱা ভাগৱত পাঠ, জিকিৰ পৰিৱেশন, অঞ্চলৰ গায়ন-বায়নসকলৰ দ্বাৰা খোল প্ৰসংগ আৰু স্থানীয় ৰাইজৰ দ্বাৰা দিহা নাম পৰিৱেশনেৰে বঢ়মপুৰক এক অনন্য মাত্ৰা প্ৰদান কৰে। সন্ধিয়ালৈ অঞ্চলটোৰ স্থানীয় শিল্পীসকলৰ দ্বাৰা জুবিন গাৰ্গৰ কেইবাটাও কালজয়ী গীত সমৱেতভাৱে পৰিৱেশন কৰা হয়। নিশালৈ অনুষ্ঠানত উপস্থিত থকা অসমৰ সংগীত আৰু চলচ্চিত্ৰ জগতৰ শিল্পীসকল ক্ৰমে - ববিতা শৰ্মা, অৰূপজ্যোতি বৰুৱা, প্ৰণামিকা গোস্বামী, খগেন গগৈ, তৰুলতা কুটুম, সৌৰভ মহন্ত, ঋতুষা শৰ্মা, পম্পী বৰা, বিমান পাটৰ, ভৃগু কাশ্যপ, বৰণ বিকাশ, শশাংক সমীৰ, সিদ্ধাৰ্থ শৰ্মা, প্ৰজ্ঞা পাৰমিতা, মিণ্টু বৰুৱা আদিয়ে প্ৰাণৰ শিল্পীগৰাকীৰ জীৱন দৰ্শন, প্ৰতিভা, সুৰৰ গভীৰতা, সংগীতৰ লগতে পথ দেখুৱাই যোৱা সাংস্কৃতিক মূল্যবোধ, কৰ্মজীৱনৰ বিভিন্ন বিষয়, তেওঁৰ লগত কটোৱা স্মৰণীয় সময়বোৰ সোঁৱৰণ কৰাৰ লগতে শিল্পীগৰাকীৰ কালজয়ী গীতসমূহ পৰিৱেশন কৰি পৰিৱেশ জীপাল কৰি তোলে। উল্লেখ্য যে, কালি জুবিন গাৰ্গৰ স্মৰণ অনুষ্ঠানটিত উপস্থিত থকা প্ৰতিগৰাকী শিল্পীক বঢ়মপুৰ অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা একোটিকৈ নাহৰ পুলি প্ৰদান কৰা হয় আৰু অনুষ্ঠানৰ মাজতে ৫৩গছি আকাশবন্তি জ্বলোৱা হয়।

# জলসিঞ্চন বিভাগৰ অৱসৰী অধীক্ষক অভিযন্তা স্বপন কুমাৰ গগৈৰ পৰলোক

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২২ নৱেম্বৰ ঃ** ডিব্ৰুগড়ৰ বৈৰাগীমঠ নিজকদমণি নিবাসী স্বপন কুমাৰ গগৈৰ কালি (২০-১১-২৫) সন্ধিয়া হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। ১৯৪৭ চনৰ ১ ফেব্ৰুৱাৰীত মৰাণ তিলৈত জন্ম গ্ৰহণ কৰা গগৈয়ে মৰাণ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ পৰা মেট্ৰিক পাছ কৰাৰ পাছত কটন কলেজৰ পৰা আই এছ চি পাছ কৰাৰ পিছত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা চিভিল ইঞ্জিনিয়াৰিং পাছ কৰে। প্ৰথমে ই এণ্ড ডি কাৰ্যালয়ত চাকৰিসূত্ৰে যোগদান কৰি পিছত জলসিঞ্চন বিভাগত সহ: অভিযন্তা, সহ: কাৰী কাৰ্য্যবাহী অভিযন্তা, কাৰ্য্যবাহী অভিযন্তা আদি বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি অৱশেষত ডিব্ৰুগড়ৰ জলসিঞ্চন বিভাগৰ পৰা অধীক্ষক অভিযন্তা হিচাপে ২০০৬ চনত অৱসৰ গ্ৰহণ কৰি ডিব্ৰুগড়তে থাকিবলৈ লয়। চাকৰিৰ কালছোৱাত গগৈয়ে লখিমপুৰ, টংলা, নাজিৰা, শিৱসাগৰ, বিহপুৰীয়া, যোৰহাট, গোলাঘাট, গুৱাহাটী আদি বিভিন্ন ঠাইত কাৰ্যনিৰ্বাহ কৰে। এগৰাকী অতি সহজ সৰল অমায়িক ব্যক্তি ৰূপে পৰিচিত গগৈয়ে মৃত্যুৰ সময়ত পত্নী হিৰণ্যপ্ৰভা গগৈ, এজন পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, জোঁৱাইৰ লগতে ২ নাতি, ২ নাতিনীসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি যায়। আজি (২১-১১-২৫) তেখেতৰ শেষকৃত স্থানীয় চৌকিডিঙ্গী শ্মশানত সম্পন্ন কৰা হয়।

### শিক্ষাৰ্থী জীৱনত অত্যন্ত শ্ৰম আৰু অধ্যৱসায়েৰে আগবাঢ়ি যাবলৈ পৰামৰ্শ মন্ত্ৰীগৰাকীৰ

# ডিগবৈ আৰ.ডি. ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে বিশেষ মত বিনিময় মন্ত্ৰী পীযুষ হাজৰিকাৰ

**অসম বাৰ্তা, ডিগবৈ, ২২ নৱেম্বৰ ঃ** তৈল নগৰী ডিগবৈৰ লাচিত নগৰস্থিত আৰ. ডি. ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত আজি উপস্থিত হ'য় মন্ত্ৰী পীযুষ হাজৰিকা। অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে এক বিশেষ মত বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ্য যে, বিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে এই বিশেষ মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। বিদ্যালয়খনৰ সফলতাৰ দুটা দশকপূৰ্তি উপলক্ষে আয়োজিত অনুপ্ৰেৰণামূলক বক্তৃতা তথা অন্তৰংগ আলোচনা চক্ৰত অংশ লৈ মন্ত্ৰী হাজৰিকাই শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰী হাজৰিকাই শিক্ষাৰ্থী জীৱনত ছাত্ৰ-ছাত্ৰীসকলক অত্যন্ত শ্ৰম আৰু অধ্যৱসায়েৰে আগবাঢ়ি যাবলৈ পৰামৰ্শ দিয়াৰ লগতে শুভকামনা জ্ঞাপন কৰে। অনুষ্ঠানত স্থানীয়




বিধায়ক বিধায়ক সুৰেন ফুকন, শদিয়াৰ বিধায়ক বলিন চেতিয়া, ন-বিজেপি তথা মুখপাত্ৰ মনোজ ধানোৱাৰ, ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক তথা মুখপাত্ৰ ত্ৰিদিপজ্যোতি মৰাণসহ যথেষ্টসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত মন্ত্ৰী হাজৰিকাই বহুকেইটা গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়োৱাৰ সমান্তৰালকৈ বিদ্যালয়খনে শিক্ষাৰ উপৰি বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক কামতো যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে শিক্ষানুষ্ঠানখনৰ সৈতে জড়িত প্ৰত্যেকগৰাকী ব্যক্তিকেই আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। মন্ত্ৰী হাজৰিকাই বিদ্যালয়খনৰ সফলতাৰ দুটা দশক পূৰ্তি উপলক্ষে আয়োজিত অনুপ্ৰেৰণামূলক বক্তৃতা তথা অন্তৰংগ আলোচনা চক্ৰত অংশ লৈ শিক্ষাৰ্থীসকলৰ সৈতে কিছু মত বিনিময় কৰাৰ লগতে শিক্ষাৰ্থীসকলক সুশিক্ষাৰে শিক্ষিত হৈ সমাজ তথা দেশৰ কল্যাণৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনোৱাৰ উপৰি শিক্ষাৰ্থীসকলক পৰ্যাপ্ত সুবিধা প্ৰদানৰ বাবে চৰকাৰ সদায় দায়বদ্ধ হৈ থাকিব বুলিও উল্লেখ কৰে।

# প্ৰয়াত গীতিকাৰ লক্ষ্য বৰকটকীৰ সোঁৱৰণী ৰেডিঅ' বিতঁৰণী অনুষ্ঠান

**অসম বাৰ্তা, বেৰেজীয়া, ২২ নৱেম্বৰ ঃ** মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘ এক সামাজিক, সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠানটিয়ে ২০২৪ চনত জন্ম লগ্নৰে পৰা বিভিন্ন সামাজিক, সাংস্কৃতিক কাৰ্যসূচীৰে ৰেডিঅ'ক জনতাৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। তাৰেই অংশ হিচাপে অন্যতম কাৰ্যসূচী হৈছে বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত ৰেডিঅ' বিতঁৰণী অনুষ্ঠান। ২৩ নৱেম্বৰ দেওবাৰে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ উদ্যোগত প্ৰয়াত গীতিকাৰ-কবি লক্ষ্য প্ৰসাদ বৰকটকীৰ পৰিয়ালবৰ্গৰ সহযোগত নগাঁৱৰ মধুপুৰত এক বিশেষ অনুষ্ঠানত প্ৰয়াত বৰকটকীৰ সোঁৱৰণী ৰেডিঅ' বিতঁৰণী অনুষ্ঠান আয়োজন কৰা হৈছে। শ্ৰোতা সংঘৰ সঞ্চালক ৰাহুল দেৱ বৰদলৈয়ে জনোৱা মতে প্ৰয়াত গীতিকাৰ লক্ষ্য প্ৰসাদ বৰকটকীৰ সোঁৱৰণী তিনিটা অনাঁতাৰ ছেট সেই বিশেষ অনুষ্ঠানত তিনিগৰাকী ৰেডিঅ' আগ্ৰহী ব্যক্তিক প্ৰদান কৰা হব। লগতে সেইদিনা ২০২১ চনত ৭৯ বছৰ বয়সত পৰলোক প্ৰাপ্তি হোৱা বিশিষ্ট গীতিকাৰ লক্ষ্য বৰকটকীৰ স্মৃতিচাৰণ অনুষ্ঠানত উপস্থিত থাকিব মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ, লোকশিল্পী মিলেশ্বৰ ডেকা, স্বৰ্গীয় বৰকটকীৰ পৰিয়ালবৰ্গৰ লগতে স্থানীয় ৰাইজ।

# বালাজানত ভূমিক লৈ সংঘটিত মাৰপিট

**অসম বাৰ্তা, গোলকগঞ্জ, ২২ নৱেম্বৰ ঃ** গোলকগঞ্জ থানাৰ অন্তৰ্গত বালাজানৰ বতুৱাতলীত কালি ভূমিক লৈ সংঘটিত মাৰপিটৰ ঘটনাত এজন অভিযুক্তক আজি আৰক্ষীয়ে আটক কৰে। জানিব পৰামতে বতুৱাতলী গাঁৱৰ ৰাবেয়া বেওয়াৰ মৃত স্বামীৰ নামত থকা মাটি গাঁওখনৰে একাংশ ব্যক্তিয়ে তামোল গছ ৰোপণ কৰি দখলৰ চেষ্টা চলায়। ৰাবেয়া বিবিয়ে বাধা প্ৰদান কৰাত বেদখলকাৰীয়ে মাৰপিট কৰে। ৰাবেয়া বিবিক বচাবলৈ দুই কন্যা আয়শা বিবি (৪০) আৰু কহিনুৰ বিবি (৪৫)ৰ লগতে নাতিনী জেছমিনা খাতুন আৰু বোৱাৰী জামিনা বিবিয়ে আগবাঢ়ি যোৱাত তেওঁলোককো মাৰপিট কৰে। মাৰপিটত ৰাবিয়া বিবি গুৰুতৰভাৱে আহত হোৱাত ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত ৰাবেয়া বিবিয়ে গোলকগঞ্জ থানাত আনোৱাৰ হুছেইন, মনোৱাৰ হুছেইন, ৰহমান আলী আৰু ৰাজুৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত ৰহমান আলী নামৰ এজন অভিযুক্তক আজি আটক কৰে।

# কচুৱাৰ পুঠিমাৰী কালি পূজা সমিতিৰ উদ্যোগত কালি পূজা আৰু সাংস্কৃতিক অনুষ্ঠানৰ সামৰণি

**অসম বাৰ্তা, কচুৱা, ২২ নৱেম্বৰ ঃ** ধৰ্মীয় ৰীতি -নীতিৰে প্ৰতি বছৰে আঘোণ মাহৰ পূৰ্ণ অমাৱস্যা তিথিত মা কালী পূজা উদযাপন কৰি আহিছে পুঠিমাৰীত। বিগত বৰ্ষৰ দৰে এইবাৰো নগাঁও জিলাৰ কচুৱাৰ ১ নং পুঠিমাৰীত শ্ৰী শ্ৰী কালি মন্দিৰ প্ৰাংগনত দুদিনীয়াকৈ আয়োজন কৰা কালি পূজা উদযাপন আৰু সাংস্কৃতিক অনুষ্ঠান যোৱা নিশা সামৰণি পৰে। অনুষ্ঠানৰ প্ৰথম দিনা অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই মা কালিৰ আশীৰ্বাদ গ্ৰহণ কৰে। পুঠিমাৰীৰ কালি পূজা সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা দ্বিতীয় দিনা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে। সাংস্কৃতিক অনুষ্ঠানত বৈঠালাংছুৰ কণ্ঠশিল্পী টুটু নিগম, আৰু জাগীৰোডৰ দেৱজিৎ বৰাই সাংস্কৃতিক অনুষ্ঠান পৰিচালনা আৰু গীত পৰিৱেশন কৰে। অনুষ্ঠানত কালি পূজা সমিতিৰ সভাপতি ভূপেন্দ্ৰ বিশ্বাস, সম্পাদক নৃপেন বিশ্বাস, বৈঠালাংছু ছেমচন ইংতি মহাবিদ্যালয়ৰ অধ্যক্ষ বিশ্বজিৎ ৰয়, প্ৰবক্তা দীপা ৰায়, প্ৰমিলা পঞ্চায়তৰ কাউন্সিলাৰ নিকেশ বিশ্বাস, সমাজসেৱক সাধন মণ্ডল, গৌৰাংগ দাস, ৰাজকুমাৰ, গুনেদ্ৰ দাস, ৰাকেশ সৰকাৰ, কৃষ্ণৰাম বিশ্বাস, পবিত্ৰ তালুকদাৰ, নবীন ৰায়, সহ সমাজৰ বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ টাপাট্টাৰী উন্নয়ন খণ্ড শাখাৰ ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা সজাগতা সভা

**অসম বাৰ্তা, লেংটিছিঙা, ২২ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ টাপাট্ৰাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰজানা গাওঁ পঞ্চায়তৰ প্ৰেক্ষাগৃহত কালি অসম কৃষি বনানীকৰণ উন্নয়ন পৰিষদৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ সহযোগত এখন কৃষক সজাগতা সভা অনুষ্ঠিত কৰে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ টাপাট্টাৰী উন্নয়ন খণ্ড শাখাৰ অন্তৰ্গত কুহিপাত মণ্ডল পৰ্যায় সংগঠনৰ কৃষি সখী ফৰিদা খাতুন, ছালেহা খাতুন আৰু পশু সখী ছলেমা খাতুনৰ প্ৰত্যক্ষ সহযোগিতাত অনুষ্ঠিত হোৱা সভাখনত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ মুখ্য সমল ব্যক্তি হেমন্ত ৰায় আৰু প্ৰদীপ কুমাৰ বৰা। অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ প্ৰায় শতাধিক কৃষক উপস্থিত থকা সভাখনত আদৰণি ভাষণ প্ৰদান কৰি ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ মুখ্য সমল ব্যক্তি হেমন্ত ৰায়ে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ উদ্দেশ্য আৰু লক্ষ্যৰ বিষয়ে ৰাইজক অৱগত কৰাৰ লগতে কৃষি বনানীকৰণৰ লাভালাভ, পৰম্পৰাগত কৃষি পদ্ধতি, মৌ পালন, মীন পালন আদিৰ দ্বাৰা হব পৰা আৰ্থিক স্বাৱলম্বিতাৰ বিষয়ে কৃষকসকলক বিস্তৃত ব্যাখ্যা দাঙি ধৰে। সভাখনত সমল ব্যক্তি হিচাবে উপস্থিত থকা প্ৰদীপ কুমাৰ বৰাই গছ-গছনি ৰোপণৰ ফলত কেৱল মাত্ৰ অৰ্থনৈতিক লাভেই নহয় ই পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত কিদৰে প্ৰভাৱ পেলাব পাৰে সেই বিষয়ে অৱগত কৰে। সভাত কৃষকৰ উপৰিও পঞ্চায়তখনৰ কেইগৰাকী প্ৰতিনিধি উপস্থিত থাকে।

# অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰত শিক্ষণ শিকণ সামগ্ৰীৰ প্ৰদৰ্শনী ও প্ৰতিযোগিতা সম্পন্ন

### ৰাজবংশী গামোছাৰে আপ্যায়ন অতিথিক

**অসম বাৰ্তা, অভয়াপুৰী, ২২ নৱেম্বৰ ঃ** বুনিয়াদী স্বাক্ষৰতা আৰু সাংখ্যিকতাৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পাঠ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষণ শিকণ সামগ্ৰী ব্যৱহাৰ কৰি পাঠদান অধিক মনোগ্ৰাহী কৰাৰ লক্ষ্যৰে আজি সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত ১নং অভয়াপুৰী মণ্ডল সমল কেন্দ্ৰত এখনি শিক্ষণ শিকণ সামগ্ৰীৰ প্ৰদৰ্শনী ও প্ৰতিযোগিতা সম্পন্ন হয়। সমল কেন্দ্ৰৰ ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত এই কাৰ্যসূচীত কেন্দ্ৰটোৰ ছয়খন এফ এল এন থকা বিদ্যালয়ে অংশ গ্ৰহণ কৰে। অংশগ্ৰহণকাৰী বিদ্যালয়সমূহে স্বাক্ষৰতা আৰু সাংখিকতাৰ বিভিন্ন শিক্ষণ শিকণ সামগ্ৰী প্ৰদৰ্শন কৰে। এই প্ৰতিযোগিতাৰ সাংখিকতা শাখাত ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়ে প্ৰথম, ২৩৪ নং ধৰ্মপুৰ প্ৰাথমিক বিদ্যালয়ে দ্বিতীয় আৰু ৪৪৫ নং পাছদুৱাৰ প্ৰাথমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰে। আনহাতে স্বাক্ষৰতা শাখাত ২৩৪ নং ধৰ্মপুৰ প্ৰাথমিক বিদ্যালয়ে প্ৰথম, ৪৪৫ নং পাছদুৱাৰ প্ৰাথমিক বিদ্যালয়ে দ্বিতীয় আৰু অভয়পুৰী ১নং প্ৰাথমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতা ও প্ৰদৰ্শনীত অভয়াপুৰী ১নং মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ড° ছিৰখাত হুছেইন আৰু পূৰ্বৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক অচিন্ত্য কুমাৰ শৰ্মাই আঁত ধৰা বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিত বায়নে। বঁটাসমূহ বিতৰণ কৰে নৱজিত বায়ন, শিক্ষক পৰীন্দ্ৰ নৰায়ণ কাকতি, দুই বিচাৰক ভাৰত দাস আৰু অচিন্ত্য কুমাৰ শৰ্মা, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ভাৰ্গৱ বৰকলিতা আৰু ৭৫৬ নং অভয়াপুৰী ২নং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শৰৎ বৰুৱা। সভাত পুৰস্কাৰ প্ৰাপ্ত বিদ্যালয় সমূহক মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰাৰ লগতে অতিথি সকলোক ৰাজবংশী ফুলাম গামোছা আৰু সমবেত সংগীতত ভাগ লোৱা ছাত্ৰ ছাত্ৰীক কলম উপহাৰ হিচাপে প্ৰদান কৰা হয়।

### ভুক্তভোগীৰ লিখিত অভিযোগ, ক্ষতিপূৰণ আৰু কৰ্মচাৰী-ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ দাবী

# ডিমৌত বিদ্যুৎ বিভাগৰ গাফিলতিত বৈদ্যুতিক সামগ্ৰী নষ্ট

**অসম বাৰ্তা, ডিমৌ, ২২ নৱেম্বৰ ঃ** কলিয়াপানী দেউৰী গাঁৱত বিদ্যুৎ বিভাগৰ গাফিলতিমূলক কাৰ্যকলাপৰ ফলত এক ভয়াৱহ ঘটনা সংঘটিত হোৱাৰ পৰা কথমপি ৰক্ষা পোৱাৰ লগতে বহু বৈদ্যুতিক সামগ্ৰী নষ্ট হোৱা অভিযোগ উত্থাপন হৈছে। ঘটনাৰ পৰিপ্ৰেক্ষিতত ভুক্তভোগীয়ে ডিমৌ বিদ্যুৎ সংমণ্ডল বিষয়াৰ ওচৰত লিখিত অভিযোগ দাখিল কৰি ন্যায় আৰু ক্ষতিপূৰণৰ দাবী জনাইছে। লিখিত আবেদনত ভুক্তভোগীয়ে জনাইছে যে ১৯ নৱেম্বৰ বুধবাৰে দিনৰ ভাগতে বিদ্যুৎ বিভাগৰ অধীনত কলিয়াপানী দেউৰী গাঁৱৰ পুৰণি তাঁৰ সলনি কৰি মেৰামতি কৰি দিয়া হৈছিল। সন্ধিয়া ভাগত বিদ্যুৎ অহাৰ পিছতেই গাঁৱৰ বহু লোক ভল্টেজ কম-বেছি হোৱাৰ সমস্যা লক্ষ্য কৰি তৎক্ষণাত বিভাগীয় বিষয়াক অভিযোগ দাখিল কৰে। অভিযোগৰ ভিত্তিত কৰ্মচাৰীয়ে ঘটনাস্থললৈ আহি সাময়িকভাৱে সংযোগ ঠিক কৰে। তথাপিও ভুক্তভোগীৰ মতে, ঠিকাদাৰ আৰু বিভাগীয় কৰ্মচাৰীৰ অমনোযোগিতা চূড়ান্ত বিপত্তিৰ সৃষ্টি কৰে। অভিযোগকাৰীয়ে উল্লেখ কৰে— সন্ধিয়া ভাগত বিদ্যুৎ অন-অফ কৰাৰ সময়ত ঘৰৰ বিভিন্ন স্থানত জুই ওলোৱা, শব্দ হোৱা, আৰু তাৰ ফলত টিভি, মোবাইল ছাৰ্জাৰ, ছুইচ-বৰ্ড আদি বৈদ্যুতিক সামগ্ৰী সম্পূৰ্ণৰূপে নষ্ট হয়। স্থানীয় সূত্ৰে এনেদৰেও জনা যায় যে কলিয়াপানী ট্ৰেঞ্চফ্ৰ'মাৰটোত আৰম্ভণিৰে দুটা ফেজ সংযোগ আছিল। কিন্তু দিনৰ ভাগত কাম কৰা কৰ্মচাৰীয়ে কোনো পৰামৰ্শ নোহোৱাকৈ তিনিটা ফেজ সংযোগ কৰি দিয়ে। ইয়াৰ ফলতেই সন্ধিয়া ভাগত অতিৰিক্ত লোড উঠা-নমাৰ সৃষ্টি হয় আৰু এই বিপজ্জনক ঘটনা সংঘটিত হয়। ভুক্তভোগীয়ে লিখিত আবেদনত স্পষ্টকৈ উল্লেখ কৰিছে, "কাম কৰা কৰ্মচাৰীসকলৰ গাফিলতি আৰু অৱহেলা নোহোৱা হ'লে আমাৰ ঘৰখনত ডাঙৰ দুৰ্ঘটনা ঘটিব পাৰিলহেঁতেন। ভাগ্য ভালৰ বাবে কেৱল সামগ্ৰীহে নষ্ট হৈছে, মানুহৰ প্ৰাণহানী হোৱাৰো সম্ভাৱনা আছিল।" প্ৰসঙ্গত, ঘটনাৰ ন্যায়িক সমাধান আৰু ক্ষতিপূৰণৰ দাবীৰ উপৰিও, ভুক্তভোগীয়ে বিভাগীয় বিষয়া ওচৰত জড়িত ঠিকাদাৰ আৰু বিদ্যুৎ কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা লোৱাৰো আবেদন জনাইছে। এই ঘটনাই সমগ্ৰ কলিয়াপানী অঞ্চলত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছিল। ৰাইজৰ মন্তব্য যে- বিদ্যুৎ বিভাগৰ এই ধৰণৰ গাফিলতিমূলক কামে ভৱিষ্যতে বৃহৎ বিপত্তি মাতি আনিব পাৰে। যথাসময়ত অনুসন্ধান আৰু শাস্তিমূলক পদক্ষেপ গ্ৰহণ নকৰিলে এই ধৰণৰ ঘটনা পুনৰাবৃত্তি হোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন